# ৰঙিলী বাৰ্ত্তা

গুৱাহাটীৰ পৰা কাশিত নিৰ্ভীক সপ্তাহিক, পঞ্জীয়ন নং – ৫৩৮৮৩-৯৪

**RONGILI BARTA. VOL . 5 NO. 28 , RNI No. 53883/94**

৫ম বছৰ ২৮ সংখ্যা ৯ আহিন, শনিবাৰ ১৯২০ শক

26 September – 9 October 1998, মুল্য – ১০.০০ টকা



সম্পাদক – মহেশ চন্দ্ৰ মেধি

# ৰঙিলী বাৰ্ত্তা


গুৱাহাটীৰপৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক, পঞ্জীয়ন নং ৫৩৮৮৩/৯৪

RONGILI BARTA. VOL 5. NO. 28, RNI. No. 53883/94

৫ম বছৰ ২৮ সংখ্যা ৯ আহিন শনিবাৰ ১৯২০ শক

26 September—9 October 1998 মূল্য—১০.০০





সম্পাদক —মহেশ চন্দ্ৰ মেধি

# যা দেৱী সৰ্ব্বভূতেষু শক্তিৰূপেণ...............

হে দেৱী মাতৃ দুৰ্গা তুমি এই বেলিও আহিলা। তোমাক মানুহে বিভিন্ন ৰূপে পূজা কৰি নিজৰ সন্তোষ্টি লাভ কৰে । তুমি হেনো শক্তি দায়িনী, জ্ঞানৰূপীনি, যশ দেৱী তেতিয়া হ'লে তোমাৰ শক্তিৰে আমাৰ দেশত চলি থকা আসুৰীক শক্তি বিলাকক জ্ঞান প্ৰদান কৰি শান্তি স্থাপন নকৰা কিয় ? গোটেই অসমতেই নহয় সমগ্ৰ ৰাষ্ট্ৰখনতেই দেখোন অসুৰ প্ৰবৃত্তিৰ লোকৰ প্ৰাদুৰ্ভাৱ বেছি হৈছে আৰু নিৰিহ শান্ত প্ৰকৃতিৰ লোক সকলে মিছাতে জীয়াতু ভূগিব লগাত পৰিছে । তোমাৰ শক্তিৰে দেশৰ অসুৰ শক্তিক দমন কৰি জ্ঞানৰ বন্তিৰে সকলোৰে মনবোৰ প্ৰজ্বলিত কৰা আৰু এখন শান্তিৰ পৃথিৱীৰ সৃষ্টি কৰা। এয়ে তোমাৰ আগমণত আমাৰ প্ৰাৰ্থনা ।

- সম্পাদক

# সূচীপত্ৰ

এই সংখ্যাত আগবঢ়াইছে.....................


১) চিন্তামণিৰ  চিন্তা –

২)দেৱী দুৰ্গা যুগে যুগে (প্ৰৱন্ধ) — শ্ৰীঅনন্ত কুমাৰ শৰ্মা


## কবিতা সম্ভাৰ


৩)দুৰ্গা পূজাৰ পটভূমিত – দৃষ্টিৰ কবি শ্ৰীকনক চৌধুৰী

৪) পোহৰ বিচাৰি - জীভূৱনেশ্বৰ বৰ্মণ

৫) প্ৰকৃতিৰ কথা- শ্ৰীটুলুমণি বৰ্মণ

৬) তেনেদৰেই - ৰাম গোস্বামীৰ,  সেউজীয়া দেশ

৭)দুৰ্গা আঁৰু গুৰু জয়ন্তী - শ্ৰীঅনিমা দাস বৰুৱা

৮) শিয়াল পণ্ডিত (ব্যঙ্গ ৰচনা ) - শ্ৰীহৰেশ্বৰ সিংহ

৯৷ ৰাশিফল – শ্ৰী কুমুদ চন্দ্ৰ ভৰালী

১০) ভাৰতীয় দৰ্শনত ভগৱান (প্ৰৱন্ধ) – শ্ৰীবেণুধৰ ডেকা


## গল্প সম্ভাৰ


১১) এক দুৰাগত স্বপ্নৰ মোহৰ মৃত্যুত - শ্ৰীবিনন্দি ৰাম দাস

১২) পূজা আহিল – শ্ৰী বিষ্ণু ডেকা

১৩) বৰ্ণালী – শ্ৰীতৃপ্তি শৰ্মা গোস্বামী

১৪) অকণ প্ৰেম-প্ৰীতি – শ্ৰীখগেন চৌধুৰী

১৫) জীৱন যাত্ৰাৰ দোকমোকালিতে – শ্ৰী পংকজ কুমাৰ দাস

১৬) চিতাগ্নি – শ্ৰীপ্ৰদীপ কুমাৰ চৌধুৰী

# চিন্তামণিৰ চিন্তা

## এখন চিঠি দূৰ্গাদেৱীলৈ

ডিয়েৰ দুৰ্গাদেৱী,

নমস্কাৰ গ্ৰহণ কৰিব। আপুনি আহিব বুলি জানিব পাৰি মনটো যিমান ভাল লাগিব লাগিছিল সিমান ভাল লগা নাই। আজি কিছুদিনৰ পৰা কিবা খেলি মেলি লাগি আছে। আপোনালৈ চিঠিখন লিখিবলৈ লৈছো যদিও লিখিবলৈ ভাষাই পোৱা নাই । তথাপি যোৰ জবৰদস্তি চিঠিখন লিখিলোঁ। কৰ্কশ হ'লে দায়দোষ নধৰিব ।

হে দেৱী! আপুনি বছৰত চাৰি পাচ দিনৰ বাবেহে আহে। সেই চাৰি পাচ দিনো আকৌ পুজা খাওতেই যায়। মহিষাসুৰ ৰূপী মানৱ সমাজত থকা দানববোৰক শিকনি দিবলৈ আপোনাৰ দেখোন সময়েই নহয়। তাৰে সুবিধা লৈ এই দানববোৰে সমাজৰ সাধাৰণ মানুহবোৰৰ তেজ শুহি শুহি খাই আছে। আপুনি থকা দিন কেইটাত দানববোৰে আণ্ডাৰ গ্ৰাউণ্ড হৈ থাকে। ৰংৰহইচ মতলীয়া হৈ থকা দানববোৰক এই দিন কেইটাত চিনিবলৈ বৰ কঠিন। গতিকে এইবাৰ আহিলে অলপ বেছি দিন থকাকৈ আহিব। এই দানৱবোৰক ভালদৰে চিনি লৈ এশিকনি দি যাব। আৰু এটা কথা আজিকালি দানববোৰে প্ৰত্যেক্ষ বা পৰোক্ষ ভাবে অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ লৈ ফুৰে। সেয়েহে খড়গহস্তা নহৈ হাতত এ কে-৪৭ বা  এ কে-৫৬ তকৈ যদি কিবা উন্নত অস্ত্ৰ আছে তাকে লৈ আহিব। অন্যথা আপোনাৰ দ্বাৰা দুষ্টক দমন কৰা নহব ।

হে দেৱী  ! আপুনি শক্তিৰূপীনি শক্তি  দাতৃ ।  কিন্তু আমাক আপুনি শক্তি কেনেকৈ দিব ? আমাৰ ইয়াত লিটাৰে প্ৰতি ১০০ টকাকৈ দিলেও মিঠাতেল পাবলৈ নাই। পিয়াজৰ কিলো ৪০ টকা, আলুৰ কিলো ২০ টকা, শাক পাচলিৰ দাম প্ৰতিকিলোত ১০ টকাৰ তলত নাই। ৰাইজে খাব কি? মিঠাতেল আৰু পিয়াজ, আলু অবিহনে মাছ, মাংসও খাব নোৱাৰি । ধন আছে- মানে -ৰাজনীতিবিদ, মন্ত্ৰী, উচ্চ বিষয়া, বৃহৎ ব্যৱসায়ী আৰু ধনী দালাল সকলে যি মন যায় তাকেই খাব পাৰে। আমাৰ দৰে সৰ্বসাধাৰণ ৰাইজে হাড় ছালৰ মাজত কোনোমতে জীৱ কেইটা বান্ধি ৰাখিছো। তাৰ মাজৰ পৰা জীৱ কেইটা ওলাই গলেও আমাৰ কৰিব লগীয়া একো নাই। আমাৰ দেহত – আমাৰ জেপত সেইকণ শক্তি নাই। আপুনি শক্তিদাতৃ  আপুনি যদি সঁচাকৈ শক্তি দিব খোজে তেতিয়াহলে এইবাব আহোতে ড্ৰপচি ৰোগৰ বীজাণু নথকা মিঠাতেল, সুলভ মূল্যত পাব -পিঁয়াজ, আলু, শাক পাচলি, চাউল, আদি লগত লৈ আহিব। সেইবোৰ ক্ৰয় কৰি খাব পাৰিলেহে আমাৰ গাত শক্তি পাম । অন্যথা আপোনাৰ মুখেৰে শক্তি বাঢ়ক বুলি আশীৰ্ব্বাদ দিলেও সি অথলে যাব ।

হে দেৱী! আমি শুনিছিলো আপুনি হেনো – বিদ্যা, ৰূপ আৰু বহুতো কিবা কানি দিব পাৰে । সেইবোৰ পিচেপৰে দিলেও হ'ব। নতুন কাপোৰৰ চিন্তা আমাৰ নাই। জীয়াই থকাৰেহে চিন্তা। ঘৰৰ নুবুজা সকলে পুজাত নতুন কাপোৰ, আ-অলংকাৰ আদি লৈ ৰঙত ঘূৰি ফুৰাৰ বাবে খেচখেচাই আছে যদিও সিহঁতক নিজৰ মগজু শেষ কৰি হলেও কিবাকৈ বুজাম। আপুনি কেৱল আমাৰ জীয়াই থকাৰ, মানুহৰ দৰে জীয়াই থকাৰ শকতি দিয়ক আৰু চৰকাৰী বেচৰকাৰী দানৱবোৰক নিঃশেষ কৰক।

আজিলৈ ইমানতে সামৰিলোঁ ।

ইতি -

আপোনাৰ মৰমৰ

- চিন্তামণি

# দেৱী দুৰ্গা যুগে যুগে

**- অনন্ত কুমাৰ শৰ্মা**

লেখকৰ পৰিচয় :-

শ্ৰী অনন্ত কুমাৰ শৰ্মা, বি.এ (সন্মান), এম.এ, এল.এল.বি (ওদালবাক্ৰা বিষ্ণু ৰাভা পথ নিবাসী), সৰ্বজনবিদিত এক প্ৰবীণ অৰাজনৈতিক সামাজিক সাংস্কৃতিক সন্থা অসম যুৱক সমাজ ( বৰ্তমান 'অসম জাতীয় সমাজ' ) ৰ সভাপতি, গুৱাহাটী মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞানৰ অবৈতনিক প্ৰাক্তন প্ৰবক্তা, কন্যা মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু 'সুন্দৰম্' সাহিত্য গোষ্ঠীৰ সভাপতি।

গান্ধী দৰ্শনত অটল বিশ্বাসী, 'অসম হঁস্ত তাঁত বয়ন শিল্প সম্প্ৰাসাৰণ নিগম'ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, 'অসম টেক্সটাইল্ বৰ্ডৰ' কাৰ্য্যকৰী সদস্য, 'জাতীয় সমন্বয় সমিতি' অসমগোটৰ সদস্য, ঐতিহ্যপূৰ্ণ ছবছৰীয়া 'অসম আন্দোলনৰ অহিংস পৰিসামপ্তি ঘটোৱা এমুঠি কৰ্ম্মীৰ অন্যতম সহযোগী আৰু নিপীড়িত সকলৰ হকে সেৱা আগবঢ়াই থকা সমাজ কৰ্ম্মী।

সাহিত্য মন্দিৰত তেওঁৰ অমূল্য গ্ৰন্থ সমূহ – The Affluent Valle, 'Women Weaving Welfare' , 'Tension Hour', Our approach to Small Scale Industries, a Gandhian View, 'Life Sketch of a Gandhian Soldier,' 'আল্পনা' (উপন্যাস) এজনী শিক্ষিতা ছোৱালী (গল্প সংকলন), 'ভাৰতীয় -শ্ৰমিক,' স্বাধীনতাৰ পূৰ্বকালৰ যাত্ৰাভিনয়ঃ শ্ৰীকান্ত প্ৰসঙ্গ"- 'স্বাধীনতাৰ পূৰ্বকালৰ-যাত্ৰা দলৰ গান' ইত্যাদি। ৰঙিলী বাৰ্ত্তাৰ নিয়মিত 'গ্ৰন্থ সমালোচক' আৰু অসমৰ প্ৰায়বোৰ সংবাদ পত্ৰ, আলোচনীত লিখা মেলা কৰি থকা অধ্যয়ণশীল ব্যক্তি।)

**প্ৰণতানাং প্ৰসীদ ত্বং দেৱী বিশ্বৰ্তিহাৰিণি ।**

**ত্ৰৈলোক্য বাসিনামীড্যে লোকানাংবৰদা ভব ।।**

অনুৰ অধিপতি শুম্ভ, দেৱৰি হাতত নিহত হোৱাত অগ্নি প্ৰমুখ্যে ইন্দ্ৰ আদি দেৱগণে দশোদিশ উদ্ভাসিত কৰি দেৱি কাত্যায়নীক স্তুতি কৰিব ধৰিলে আৰু কামনা কৰিলে- হে বিশ্বাৰ্তি হাৰিণি দেৱী, আপুনি আমাৰ প্ৰতি প্ৰসন্ন হওক। ত্ৰিভূবনৰ আৰাধ্য গোসানি আপোনাৰ চৰণাশ্ৰিত জনগণৰ প্ৰতি আপুনি বৰদান কৰক।"

এয়া নাৰায়ণী স্তুতিৰ কথা । লক্ষ্মী তন্ত্র মতে নাৰায়ণী স্তুতিৰে দেৱী পূজা কৰিলে সৰ্বজ্ঞত্ব লাভ হয়। দেৱীয়ে দেৱতা সকলৰ প্ৰতি অভয় দান কৰি কৈছিল যে কলি আৰু দ্বাপৰ যুগৰ সন্ধিত শুম্ভ আৰু নিশুম্ভ নামেৰে অন্য দুজন অসুৰ জন্ম লভিব। নন্দ যশোদাৰ ঘৰত মহালক্ষ্মীৰ অংশভূতা নন্দা দেৱীৰ আবিৰ্ভাব হব আৰু বিন্ধ্যা চলত থাকি দেৱীয়ে অসুৰদ্বয় নিধন কৰিব। শ্ৰীমদ্ ভাগবতত এওঁকেই কংসবধৰ দৈববানী কৰা যোগমায়া নামে অভিহিত কৰা হৈছে।

যোগমায়া পুনৰ ৰক্তদন্তিকা ৰূপে আৱিৰ্ভাব হব । তেওঁ বিপ্ৰচিত্তিবংশীয় দানৱ সকলক বধ কৰিব আৰু ৰক্তদন্তিকা ৰূপে অবিহিতা হব বুলি দেবতা সকলক আশ্বাস দিছিল । তেওঁ কৈছিল যে পৃথিৱীত শতবৰ্ষব্যাপী অনাবৃষ্টি হব আৰু অযোনি সম্ভবা ৰূপে আবিৰ্ভাব হৈ দেৱীয়ে নিজদেহজাত জীৱন ধাৰক পত্ৰাদিৰ দ্বাৰা যত দিন বৰষুণ নহয় তত দিন জগত পালন কৰিব আৰু তেওঁ শাকম্ভৰী নামে পুজা কৰিব । লক্ষ্মীতন্ত্র মতে বৈবস্বত মনুৰ অধিকাৰ সময়ৰ চত্বাৰিংশত্তম মন্বন্তৰত নীলৰঙৰ শতচক্ষুৰ শাকম্ভৰী দেৱীৰ অৱতাৰ হব বুলি কোৱা আছে। বৃষ্টিহীন পৃথিৱীত মুনি সকলে যেতিয়া স্তুতি কৰিব দেৱীয়ে শতচক্ষুৰে নিৰিক্ষণ কৰা বাবে তেওঁক শতাক্ষী বুলিও সম্বোধন কৰিব।

শাকম্ভৰী অৱতাৰ কালতেই তেওঁ দুৰ্গা দেৱী নামে সুপ্ৰসিদ্ধ হব বুলি তেওঁৰ স্তুতিপাঠ কৰা দেবতা সকলক জানিব দিছিল। দুৰ্গম নামক অসুৰক বধ কৰা বাবে শাকম্ভৰী দেৱীক দুৰ্গা দেৱী নামেৰে পৃথিৱীত পুজিব।

"শাকম্ভৰী শতাক্ষীসা সৈব দুৰ্গা প্ৰকীৰ্তিতা।

উমা গৌৰী সতী চণ্ডী কালি কেশা চপাৰ্ব্বতী ।।

শাকম্ভৰীং স্তুবন্ ধ্যায়ন্ শত্ৰু সংপুজয়ন্ নয়ন।

অক্ষয়ামশ্লূতে ভূতিমন্নং পানং ভবান্তৰে ।।"

- লক্ষ্মীতন্ত্র

অৰ্থাৎ দুৰ্গা কাত্যায়নীকেই শতাক্ষী, শাকম্ভৰী দেৱী দুৰ্গা, উমা গৌৰী, সতী, চণ্ডী কালিকেশ আৰু পাৰ্ব্বতী নামেৰে অভিহিত কৰিব বুলি স্তুতি মগ্ন দেৱতাসকলক জানিব দিয়ে আৰু স্তব, ধ্যান পূজা আৰু সেৱা কৰিলে পৰজন্মত অক্ষয় অন্ন, পানী আৰু ঐশ্বৰ্য্য লাভ কৰিব বুলি দেৱীয়ে প্ৰকাশ কৰে।

বৈবস্বত মন্বন্তৰৰ পঞ্চাশত্তম চতুৰ্যুগত কালীৰ অংশতেই নীল ৰঙৰ ভীমাদেৱীৰ আবিৰ্ভাব হয় । হিমালয়ত ৰাক্ষসৰ হাতৰ পৰা মুনি সকলক ৰক্ষা কৰাৰ বাবে ভীমাদেৱীৰ অৱতাৰ । পুনৰ বৈবস্বত মন্বন্তৰৰ ষষ্টিতম্ চতুৰ্যুগত ভ্ৰমৰী দেৱী ৰূপে আৱিৰ্ভাৰ হৈ ত্ৰিভূবনত বিঘ্ন কৰি ফুৰা অৰুনাসুৰক ভ্ৰমৰ সদৃশ আকৃতি ধাৰণ কৰি ত্ৰিভুবন মঙ্গলৰ বাবে মহাসুৰ বধ কৰিব আৰু সৰ্ব্বত্ৰ তেওঁক ভ্ৰামৰী নামেৰে

স্তৱ কৰিব বুলি দেবগনক প্ৰতিশ্ৰুতি দিছিল। পদ্মপুৰাণৰ মতে দেৱীৰ ৰক্তাদন্তিকা অৱতাৰৰ পিচত এলম্বা, তুসঞ্জা, একবীৰা যোগালা আদি আৰু ছয়টা অৱতাৰৰ কথা উল্লেখ আছে।

গীতাত যি দৰে ভগবান কৃষ্ণই, ভক্তসকলৰ শান্তিৰ বাবে ধৰ্ম ৰক্ষাৰ বাৰে মৰ্ত্ত্যত আৱিৰ্ভাব হব বুলি প্ৰতিশ্ৰুতি দিছে –

যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ ভৱতি’ ভাবত।

অদ্ভ্যুত্থানম অধৰ্ম্মস্য তদাত্মনং সৃজামহ্যহম্।।

——— শ্ৰীমদ্ভাগৱদ্‌গীতা।IV ৭

গীতাত ভগৱানে আশ্বাস দিয়া দৰে দৈৱী মাতৃও আশ্বাস দিছে স্তুতি কৰি থকা দেৱতা সকলক যে দৈত্যদানৱৰ আৱিৰ্ভাব হৈ জগতত যেতিয়া বিঘ্ন ঘটিবলৈ লব তেতিয়াই মই আবিৰ্ভাৱ হৈ দেব- শত্ৰু অসুৰ সকলক বধ কৰিম।

ইত্থং যদা যদা দানবোত্থা ভবিষ্যতি ।

তদা তদাবৰ্তীযাহং কৰিষ্যাম্যৰি সংক্ষয়ম্ ।।

[ মন্বন্তৰ, – এজনা মনুৰ ৰাজত্ব কালৰ জোখ ৩০, ৬৭,

২০,০০০ বছৰ বুলি ধৰা হয়।]

গতিকে যুগে যুগে অবিৰ্ভূতা দেৱীৰ স্বৰূপ বুজাৰ বাৰে ভক্তগনক ক্ষমতা প্ৰদান কৰক ।

# দুৰ্গা পূজাৰ পটভূমিত

**শ্ৰীকনক চৌধুৰী**

**দৃষ্টিৰ কবি'**

কাছটোৰ পিঠিত পৰিছে

অযুত শেলুৱৈ তৰপে তৰপে

কত যুগান্তকাৰীৰ যুগৰ কথা,

তাৰেই মাজত দুৰ্গা পূজা আহি

হ'ল দুৰ্গোৎসব

মোৰ হুমুনিয়াহৰ মোল কিমানে বুজে।

পূজা মণ্ডপত মাটিৰ দুৰ্গা

ঠিক আছে

মনৰ দুৰ্গানো ক'ত ?

যেনি থাকিল থাকক বাৰু

তাতো নাই একো খেদ

নৰমনুষে যদি ধৰ্ম্ম শব্দৰ অৰ্থ বুজে।

মোৰ দৃষ্টিত মই দেখো

এক চিত্ৰকল্প অপূৰ্ব্ব

য'ত বাস্তৱতাৰ পাটিত

আধ্যাত্মিকতাই পাতিছে

আদৰৰ লুকা ভাকু

সীমাৰ পৰিধি এৰি ।

বনচাৰী সিংহ সৰ্প ফেঁচা

দেখো এন্দুৰ ময়ুৰ হংস আদি

গণেশ কাৰ্ত্তিক লক্ষী সৰস্বতী

মা দুৰ্গা সতে সমস্ত পৰিয়ালটি

অস্ত্ৰ ধৰি  অধৰ্ম্ম  কুকৰ্ম অসুৰক নাশি

পুলকিত কৰে আলোক সন্ধা আৰতি জগাই

আকাশ গধূৰ আচন্ন মেঘ পলাই আতৰি।

বাজে বৰ ঢোল পাটি ঢোল

বৰ তাল সৰু তাল আৰু কত কৰতাল

মুখৰিত কৰি ধৰা

বাজে সুৰ সমলয় ।

জ্বলে ধুপ জ্বলে ধূনা সুগন্ধে ভৰে

শান্তিৰ পৃথিৱীত দেখি ৰসৰ নিজৰা

মাটিৰ মন মোৰ গগনত উৰে

বিচাৰি সৰগৰ বতৰা

দুৰ্গা পূজাৰ আধাৰতে

# পোহৰ বিচাৰি

শ্ৰীভুৱনেশ্বৰ বৰ্মণ

আন্ধাৰৰ বুকুত ধৰ্মৰ তাণ্ডৱ
জাগে হৃদয়ত,
অজ্ঞানৰ গতি বাজে ভৃঙ্গত
জীৱনৰ মজিয়াত ।
জ্ঞানৰ পোহৰ বৰ্ত্তে বিশ্বত
অনাদি কালৰ পৰা,
মানৱৰ হিয়া জগায় তোলে
জ্ঞানৰ পৰিধিৰ পৰা ।
অজ্ঞান আন্ধাৰ মচি পেলা
বিচৰা জ্ঞানৰ পোহৰ,
প্ৰকৃত পথৰ সন্ধান লোৱা
এই জীৱনৰ ।
সন্ত্ৰাসৰ আন্ধাৰ মষিমূৰ কৰা
যুঁজা সৱে মিলি,
অতীতৰ মণিষীক স্মৰণ কৰি
পোহৰোৱা সিহঁতক জিণি ।
বুদ্ধ যীশু গান্ধী আৰু অনেকৰ
ৰোমন্থন হওঁক, আকৌ এবাৰ,
উদ্ভাসি উঠক দুৰ্বাৰ গতিৰে
এক মহান বিশ্বৰ ।
অন্যায় অধৰ্ম দুৰ্নীতিৰ শিপা

ৰোধিবলৈ লাগে সাহসৰ ,

বিপ্লৱৰ অগণি জ্বালাবলে হল

নৱ প্ৰভাতৰ ।

কুৰি শতিকাৰ বিজ্ঞানৰ জয়গান

আৰু নব্য সভ্যতাৰ,

চৌদিশে বিয়পি আগুৱান হওক

বিচাৰি যাওঁ নতুন পোহৰৰ ।

# প্ৰকৃতিৰ কথা

**শ্ৰীটুলুমণি বৰ্মণ**

গছ্-লতা ফুলে-ফলে
প্ৰকৃতিক ধুনীয়া কৰে,
চৰাই-চিৰিকটিৰ মিঠা মাত
মন আনন্দ কৰে ।
জীৱ-জন্তুৰ কোলাহলে
প্ৰকৃতিক সেউজীয়া কৰে
বনৰীয়া গছ-গছনিয়ে
জীৱৰ উপকাৰ সাধে ।
জান-জুৰিৰ বৈ অহা পানীয়ে
প্ৰকৃতিক পেলায় জুৰ,
প্ৰকৃতিৰাণী মহিষাবোৰৰ
শুনো অপূৰ্ব্ব সুৰ ॥

# তেনেদৰেই

**ৰাম গোস্বামী সেউজীয়া দেশ**

বিক্তুতা লোভৰ য'ত দেখা নেপাই বিৰাটৰ কৃপা
আশাৰ সাধনাৰ বাটৰ নাম সৎশুদ্ধ

ইন্দ্ৰৰ পাখি লগা ঘোঁৰাই হওঁক
বা
ঘনশ্যামৰ শ্যামবৰ্ণই হওঁক
তাতেই ভাষা বিচাৰি পোৱা যাব

অনন্ত ডালিম ৰোৱা হৈছে
নিম আৰু কেইটামান ফুলপুলি
সেয়ে আশাই ভাষা
মনৰ কথাটো তেনেদৰেই
তেনেদৰেই ।

# শাৰদীয় দুৰ্গা আৰু গুৰুজয়ন্তী

**শ্ৰীমতী অনিমা দাস বৰুৱা**

**লেখিকা পৰিচয়ঃ**

শ্ৰীমতী অনিমা দাস বৰুৱা গণেশপাৰাৰ নামঘৰ পথৰ নিবাসী শ্ৰী কনক কুমাৰৰ পত্নী। শিক্ষাত স্নাতক শ্ৰীমতী দাস বৰুৱাৰ ছাত্ৰী কালৰ পৰাই কবিতা লিখাৰ অভ্যাস, স্কুল, কলেজত প্ৰকাশিত কবিতাৰ বাহিৰেও এতিয়ালৈ তেখেতৰ কবিতা স্থানীয় কাকত ৰঙিলী বাৰ্ত্তা; ফটাশিল গণেশপাৰা ৰঙালী বিহুৰ মুখপত্ৰ "বিহুশ্ৰী" 'দৈনিক অসম', 'অসম বাণী' , আৰু পষেকীয়া আলোচনী 'স্বৰূপা'ত প্ৰকাশ হৈছে।

শৰৎ কালৰ শাৰদী পুৱা

অকাল বোধনৰ সময়

শ্ৰীৰামচন্দ্ৰই দুৰ্গা পুজাৰে

ৰাৱণক কৰিছিল পৰাজয়।

তাহানিৰ সেই দুৰ্গা পূজা

অইন একোটো নহয়

মানৱৰ বিৰুদ্ধে আছিল সেয়া

অসুৰৰ পৰাজয়।

গুৰুজনাই এনুৱা পৰতে

লভিলে জনম আমাৰ দেশত

বশিলে যত অশুভ দানৱ

শ্ৰীমন্ত শংকৰৰ বেশত।

নামধৰ্ম্ম কৰিলে প্ৰচাৰ

শ্ৰীমন্ত শঙ্কৰে

অসমবাসীক এনেকৈয়ে

ভেৰাই উদ্ধাৰ।

# শিয়াল পণ্ডিত

**শ্রীহৰেশ্বৰ সিংহ**

দৌল যাত্ৰাৰ শুভ দিন। সেইদিনা ভেলা ঘৰ সজাই অগ্নি পূজা কৰা হয়। সমাজৰ ৰীতি অনুসৰি প্ৰাতঃস্নান কৰি ধুতী পাঞ্জাবী পিন্ধি গামোছাখন কান্ধত লৈ ভেলা ঘৰৰ কাষলৈ গলো। অগ্নি পূজা কৰিবলৈ। বৰ আচৰিত হলো। এইবাৰচোন ভেলা ঘৰৰ ওচৰত মানুহৰ ভীৰ খুউব কম। কিয় এনে হ'ল ?

লগে লগে বিষ্ণু প্ৰিয়া কবি গীতিস্বামীৰ সঙ্গীতৰ দুটা শাৰীলৈ মনত পৰিল— "কালে কালে কালৰ কথা নাহুনানি নাকাৰৰ জ্বিগৈ ৰনহান পুড়িয়া আনলে কাচায় মকায় নাদৰেৰ, অৰ্থাৎ কলি কালত কালৰ কথা শুনিব নালাগে হাবিত জুই লাগিলে, কেচা পকা একোকে নেৰে। মানুহবোৰ শিক্ষিত হৈ অহাৰ লগে লগে চোন সমাজৰ ৰীতি-নীতিবোৰ সকলো এৰিব ধৰিলে।

পৰম্পৰা অনুসৰি দৌল পূৰ্ণিমাৰ দিনা ডেকা আৰু শিশু সকলে আৰতিৰ জোৰালৈ দৌৰি দৌৰি শিয়ালৰ গাতত জুই ভৰাই দিন আনন্দ কৰে। শিয়ালবোৰ খেদে। মইও আনন্দৰ ভাগ ললোঁ। গাঁতত জুই সুমুৱাই দিয়াৰ পিচতো শিয়ালৰ সাৰ সুৰ নাই। ডেকা দুজনৰ এজনে কলে - ৰাতিপুৱাৰে পৰা মানুহ আহ-যাহ কৰা বাবে চাগৈ শিয়ালবোৰ পলাল। ভয়তে গাতলৈ অহা নাই।

ডেকা ল'ৰাহতঁৰ কথা বতৰা শুনি মনত বৰ আনন্দ পালোঁ। ভেলা ঘৰত আৰতি কৰি জুই জ্বলাই দিয়া ভেলা ঘৰটোলৈ লক্ষ্য কৰিলোঁ। পূৰ্বপুৰুষৰ ৰীতি অনুসৰি জুইৰ প্ৰতিকাৰকল্পে ভেলা ঘৰৰ পোৰা বাহ এটুকুৰা লৈ আহিলোঁ। ঘৰমুৱা হওঁতে গধুলি হ'ল। তেতিয়া পূৰ্ণিমাৰ স্নিগ্ধ জোনাকৰ পোহৰক বাটৰ কাষত বাহনিবোৰে কিছু বাধা দিছিল। মানুহৰ ঘৰৰ পৰা বিজুলী পোহৰে পথ ছোৱা কিছু পোহৰ কৰি পেলাইছিল । হঠাতে শিয়ালৰ "ক্যা হুয়া হুয়া মাত' শুনি আচৰিত হলোঁ । এই শিয়াল দুটাই হুৱা দি বোধহয় মোক ঠাট্টা কৰিছে। ভয় দেখুৱাইছে। শিয়ালহঁতৰ কথাবোৰ চিন্তা কৰি কৰি গৈ আছোঁ। বোধহয় শিয়ালহঁতৰ মনৰ ভাৱ -'গাওঁখনৰ মূল মানুহবোৰক কামুৰি তোমাৰ অপেক্ষাত আছোঁ। এতিয়া তোমাক পালোঁ। কিবা মনৰ কথা আছে যদি কোৱা ? উত্তৰ দিব নোৱাৰিলোঁ । প্ৰয়োজন বোধ নকৰিলোঁ শিয়ালটোৰ ঠাট্টাক কেৰেপ নকৰিলোঁ। কুকুৰ মাতি শিয়ালটো খেদাৰ চেষ্টা কৰিলোঁ । তেতিয়া শিয়ালটোৱে আকৌ হুয়া দি মোক ঠাট্টা কৰিলে ।

শিয়ালে যেন কলে- 'জীৱ সকলৰ মাজত তোমালোক যদি পুৰণি ,আমি নতুন জানো? কিয় তোমালোকে অহংকাৰ কৰি থাকা ? বৰ্ত্তমান কালত চোন তোমালোক আমাৰ বুদ্ধিৰে শিয়াল পণ্ডিত হৈ সকলো সুখ ভোগ কৰিছা ?

আমি সেই আগৰ পৰাই গাওঁতে আছোঁ । দুখীয়া গৰীব আমি । তোমালোক চোন এতিয়া অট্টালিকাত থাকা । এলেহুৱা মনুষ্য, মনত ৰাখিবা । মানুহৰ বুদ্ধিৰ তুলনাত একো নহয়। আমাৰ

বুদ্ধি আমাৰ বাবেই। তোমালোকে বাৰু বুদ্ধিৰে মৰণাস্ত্র তৈয়াৰ কৰিছা ? কিন্তু প্রয়োগ কৰিব পাৰিছা জানো? প্রয়োগ কৰিলে সকলো যে মৰিবা। তেন্তে কিহৰ বাবে গৌৰৱ কৰিছা ?

শিয়ালৰ কথা ভাবোতে - কেতিয়া আহি ঘৰ সোমালো ক'বই নোৱাৰিলোঁ । ভেলাঘৰৰ প্ৰসাদ আৰু পোৰা বাঁহ টুকুৰা হাতত লৈ নিজৰ নিৰাপত্তাৰ কথা চিন্তা কৰিলোঁ। ভগৱানক প্ৰাৰ্থনা কৰিলোঁ – মানুহবোৰক যেন শিয়ালৰ বুদ্ধি নিদিয়া - শিয়াল পণ্ডিত হ'বলৈ।

# ৰাশিফল – কুমুদ চন্দ্ৰ ভৰালী, (জ্যোতিষ ভাস্কৰ)

## ২৬ চেপ্তেম্বৰৰ পৰা ৯ অক্টোবৰ

**মেষ** — স্বাস্থ্য বিষয়ত একেবাৰে ভাল বুলিব নোৱাৰি । হাতলৈ আশানুৰূপ ধন নাহিব পাৰে তথাপি অথবা ব্যয়ৰ ভয় নাই। কৰ্ম্ম ক্ষেত্ৰৰ জটিলতাই এৰা দিয়া টান।

**বৃষ** — কৰ্ম্ম স্থানত ব্যস্ততা বৃদ্ধি পাব । ব্যৱসায়ীৰ হাতলৈ ধন অহাৰ যোগ আছে ।

**মিথুন** — মূৰৰ বিষ আদি সাধাৰণ অসুখে গা কৰি উঠিব পাৰে। কৰ্ম্মস্থানত শুভ পৰিবৰ্ত্তন আছে। দাম্পত্য বুজা পৰাই সন্তোষ দিব ।

**কৰ্কট** — শাৰীৰিক দিশত সতৰ্ক হোৱা ভাল। আয় ব্যয়ৰ সমতা ৰক্ষা কৰি চলিব পাৰিব। ভ্ৰমণ হব পাৰে ।

**সিংহ** — কৰ্ম্ম প্ৰাপ্তি, পদমৰ্য্যদা বৃদ্ধি আদি বৃদ্ধিৰ যোগ আছে। সেইদৰে ব্যৱসায়ো বেয়া নহয়।

**কন্যা** — কৰ্ম্ম ক্ষেত্ৰত সাৱধানতাৰ আৱশ্যক হব। ব্যৱসায় মন্থৰ গঠিত চলিব। কোনো স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ হৰণ ভগন হোৱাৰ ভয় ।

**তুলা** — শাৰীৰিক দুশ্চিন্তা নাই। অৰ্থপ্ৰাপ্তিৰ যোগ আছে। কৰ্ম্ম - ক্ষেত্ৰত নিজৰ স্থিতিত আপোনাক অটল দেখা যাব ।

**বৃশ্চিক** — সময়খিনি বেয়া নহব। পাৰিবাৰিক সুখ শান্তি বৃদ্ধি পোৱাৰ আশা আছে। কৰ্মক্ষেত্ৰত জটিলতা হ্ৰাস পাব। কৰ্ম্মোন্নতি আৰু অৰ্থোন্নতি দুয়োটাই পৰিলক্ষিত হয়।

**ধনু** — গুপ্ত শত্ৰুৱে কৰ্ম্ম ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিব পাৰে। ব্যৱসায় বাণিজ্যত তেনে বাধা কম হব। আকস্মিক ঘাত প্ৰতিঘাতৰ বাবে সতৰ্ক হোৱা ভাল ।

**মকৰ** — শাৰীৰিক দিশত সতৰ্কতাৰ প্ৰয়োজন আছে। কৰ্ম্মক্ষেত্ৰত মনোবল অটুত ৰখা টান হব পাৰে। আৰ্থিক পৰিৱৰ্ত্তন লক্ষণীয় হয়। পঢ়া শুনাৰ পৰিৱেশ কিছু পৰিমানে বিনষ্ট।

**কুম্ভ** — সহকৰ্ম্মী অথবা বন্ধু বান্ধৱৰ সহযোগৰ অভাৱেই কৰ্মক্ষেত্ৰত জটিলতা বৃদ্ধি কৰিব পাৰে। ব্যৱসায়ত তেনে বাধা কম হব পাৰে। আয় ব্যয়ৰ সমতা ৰক্ষা কৰা টান হব।

**মীন** – সময়খিনি একেবাৰে ভাল বুলি কোৱা টান। শাৰীৰিক দিশত সৰু সুৰা অসুখ বিসুখ আছে । কৰ্ম্মক্ষেত্ৰত শত্ৰুতা নথকা নহয় ।

# শাৰদীয় পূজাৰ ওলগ

আমাৰ সকলো গ্ৰাহক, এজেন্ট, বিজ্ঞাপন
দিওঁতা আৰু সমূহ লেখক-লেখিক সকললৈ
শাৰদীয় দুৰ্গা পূজাৰ হিয়া ভৰা ওলগ
জনাইছোঁ।

– ৰঙিলী বাৰ্ত্তাৰ কৰ্তৃপক্ষ

# ভাৰতীয় দৰ্শনত ভগৱান

**- বেণুধৰ ডেকা**

যদি জন্ম কৰ্ম্মহীন কৃষ্ণ কৃপাময় ।

কিসক কৰন্ত সৃষ্টি পালন প্ৰলয় ॥

হেনবা বুলিবা তাৰ শুনিয়ো উত্তৰ।

যদ্যপি নিৰ্গুন জন্ম ৰহিত ঈশ্বৰ।

তথা পিতো প্ৰকৃতিক কৰা সচেতন।

কৰান্ত গুণৰ হাতে সুজন পালন ।। ( দশমস্কন্ধ )

শ্ৰীকৃষ্ণ হল স্বয়ং পূৰ্ণ ব্ৰহ্ম । নিৰাকাৰ ব্ৰহ্মাই সাকাৰ ব্ৰহ্ম । নিৰাকাৰ, অচিন্ত্য ব্ৰহ্মাৰ পৰা বিনাশশীয় জগতৰ সৃষ্টি। মুণ্ডকো পনিষদত আছে

যথোৰ্ণনাভিঃ সৃজতে গৃহ্যতেচ,

যথা পৃথিব্যা মোষ ধয়ঃ সম্ ভবন্তি।

যথা সতঃ পুৰুষাত্ কেশ-লোমানি ,

তথাক্ষৰাত্ সম্ভবতীহ বিশ্বম্ ।।

মকৰাই যেনেকৈ কাৰো সহায় নোলোৱাকৈ জাল সৃষ্টি কৰে আৰু তাতে যেনেকৈ কুকিষ্ঠ কৰি থাকে, পৃথিৱীত যেনেকৈ ঔষধৰ গছ আপোনা আপুনি প্ৰাদুৰ্ভূত হয়, জীৱন্ত পুৰুষ দেহৰ পৰা

স্বতঃ বেশ আৰু লোম যেনেকৈ উদ্ভৱ হয়, তেনেকৈ এই সংসাৰখনো অক্ষৰ অব্যয় ব্ৰহ্মাৰ পৰা উদ্ভৱ হৈছে।   (আগলৈ)

# এক দুৰাগত স্বপ্নৰ মোহৰ মৃত্যুত

**শ্ৰীবিনন্দি ৰাম দাস**

( লেখক পৰিচিত :

উদীয়মান লেখক শ্ৰীবিনন্দি ৰাম দাসৰ জন্ম ১৫ অক্টোবৰ, ১৯৪৯ চনত। জন্ম স্থান — হালোগাওঁ বামুন্দি। বৰ্ত্তমান গুৱাহাটী মহানগৰীৰ খাৰঘূলি, বনকোঁৱৰ নগৰৰ স্থানীয় বাসিন্দা। জীৱিকাত তেওঁ ভাৰতীয় দূৰ-সঞ্চাৰ বিভাগৰ কনিষ্ঠ দূৰ-সঞ্চাৰ বিষয়া । শ্ৰীদাসে ইতিমধ্যে 'ইউৰোপৰ সাধু', 'আলফ্ৰেড নোবেল' আৰু 'কুৰিজন প্ৰথম নোবেল বঁটা বিজয়ী সাহিত্য', 'অন্ধকাৰ মহাদেশৰ জিলমিল সাধু' আৰু 'বিশ্ব-বিশ্ৰুত চাৰিজন অমৰ শিল্পী' নামৰ চাৰিখন গ্ৰন্থৰ জন্ম দিছে। তেখেতে সম্প্ৰতি অসমৰ আগশাৰীৰ বাতৰিবোৰতো মাজে মাজে চিন্তা-গধুৰ প্ৰবন্ধ পাতি লিখি আছে।)

উনৈশ আঠানব্বৈ চনৰ আগষ্ট মাহৰ আঠাইশ তাৰিখৰ গধূলি প্ৰায় সাতটা বজা। মই অফিচৰ পৰা আহি ঘৰ সোমাইছোহিহে তেতিয়া । মুখ-হা ধুই মই মোৰ পঢ়া টেবিলত বহি লৈ 'ওৱেষ্টাৰ্ণ বুক ডিপো'ৰ পৰা সদ্যহতে কিনি অনা বিখ্যাত ৰাজনৈতিক দাৰ্শনিক থ'মাচ পেইনৰ 'দ্য ৰাইটচ্ অব মেন' ৰ প্ৰথম কেইখিলা পাতত তন্ মন, নিবদ্ধ কৰিছোঁ । মোৰ সৰু ছোৱালী মিতালী আৰু ডাঙৰ ছোৱালী শেৱালী তেওঁলোকৰ পঢ়া টেবিলত স্কুলৰ আৰু মহাবিদ্যালয়ৰ নিজ নিজ পাঠ লৈ পঢ়াত ব্যস্ত। মোৰ এক মাত্ৰ ল'ৰাটো সঠিককৈ দেশীয় আৰু সামাজিক পৰিৱেশৰ সৈতে অপৰিচিত পৰিৱেশৰ দ্বাৰা দিগ্ ভ্ৰান্ত আন আন বন্ধুবৃন্দৰ সৈতে ফুৰিবলৈ ওলাই গৈছে। শ্ৰীমতী পাকঘৰত ৰন্ধা-বঢ়া লৈ ব্যস্ত। বাহিৰত এ-আকাশ ক'লা মেঘলৈ এটি থমথমীয়া পৰিৱেশ। সমগ্ৰ দেশৰ মানুহখিনিৰ মানসিক ভাৰসাম্যহীনতাৰ সৈতে ৰজিতা খুৱায় সকলোকে এক সন্ত্ৰাসিত পৰিৱেশৰ সৃষ্টি কৰি বকৰেও যেন এক 'নষ্টালজিক্' পৰিৱেশৰ জন্ম দিছে। ভাৱ হয় যেন অচিৰেই নামি আহিব মেঘাচ্ছন্ন আকাশৰ পৰা হিলদল ভঙা বৰষুণৰ লানি-নিছিগা জাউৰি। হঠাতে ক্ৰিং ক্ৰিং কৈ বাজি উঠিল মোৰ টেলিফোনটো । কিবা এক অজান আশঙ্কাত বহু সময়লৈ মই সাহস কৰা নাছিলোঁ । ফোনটো উঠাই ল'বলৈ। কেইটামান চেকেণ্ডৰ অন্তত মই ভয়ে ভয়ে ফোনটো উঠাই লৈ কাণত ললো।

"হেল্লো হাজৰিকা দা নেকি?" সিফালৰ পৰা এটা চেপা পুৰুষ কণ্ঠ ভাহি আহিল ।

" এৰা , মই হাজৰিকাই কৈছো, আপুনি বাৰু কোনে কৈছে ? " - মই সুধিলোঁ ।

" হাজৰিকা দা ! মই অমৰে কৈছোঁ । বিশেষ অভিযান এটাৰ দায়িত্বত আজি মই এই নগৰীতে আছোঁ । সিদিনা বন্ধু এজনৰ পৰা আপোনাৰ ঠিকনা আৰু টেলিফোন নাম্বাৰটো ল'লোঁ । ভাবিলো, অলপ আপোনাৰ খবৰ এটাকে লওঁ। 'বহুত দিনৰ বিৰতিৰ পিছত হঠাতে আপোনালৈ মনত পৰি গ'ল।" অমৰ ৰৈ গ'ল।

পুলিচ-মিলিটাৰী, চৰ-চন্তৰীয়ে পিয়াপি দি থকা মোৰ ঠাই খিনিৰ অৱস্থানৰ কথা ভাবি ভয়ত মোৰ গাৰ কঁপনি উঠিল। কাৰণ, অমৰ এজন সকলোৰে জনা দুৰ্দ্ধৰ্ষ বিপ্লৱী। কোনোবাই যদি লগাই দিয়ে, মোৰ ঘৰলৈ নামি আহিব পাৰে ৰাষ্ট্ৰীয় প্ৰতিহিংসাৰ সন্ত্ৰাস ।

প্ৰায় পঁচিশ বছৰৰ আগতে অমৰ , অম্লান , পৰাগ , দিগন্ত , মুনীন , হিতেশ , যতীন , ৰবীন , ফণী , অৱনী , শশাঙ্ক, মৃগাঙ্ক আদিকে ধৰি প্ৰায় ত্ৰিশ -পয়ত্ৰিশ জন মান সচেতন অসমীয়া নবীন যুৱকে (তাৰ মাজত ময়ো আছিলো) লগ লাগি আমি বিপ্লৱৰ এক সুন্দৰ আঁচনি লৈছিলোঁ। সেই স্বপ্ন আছিল – শোষণ বিহীন এখন সমাজ তান্ত্ৰিক স্বাধীন 'বৰ অসম' গঢ়াৰ । আধ্যাত্মিক বিশ্ব ইতিহাসৰ গোলকত 'বৰ অসম'ৰ অভিনৱ মানচিত্ৰ অঁকাৰ । দক্ষিণ-পূৱ এচিয়া মহাদেশত 'বৰ অসম'ৰ গুৰুত্ব বিশ্বৰ চকুত ডাঙি ধৰাৰ । সেই মতে আমি অসমৰ চুকে-কোণে সিচঁৰিত হৈ পৰিছিলোঁ। এটা সময়লৈ আমাৰ যোগসূত্ৰও বৰ উৎসাহজনক আছিল। কিন্তু আশীত ধুমুহাৰ দৰে আৰম্ভ হোৱা অসম আন্দোলনে আমাৰ প্ৰতিভাৰ ফুলনিখন বিধ্বস্ত কৰি দিলে। সেই প্ৰতিভাৰ ফুলবোৰ যেনিয়ে তেনিয়ে সৰি পৰি গ'ল। কোন ক'ত কলৈ গ'ল গমকে নোপোৱা হলোঁ । আমি অৱশেষত মুষ্টিমেয় কেইজনমানহে গুৱাহাটী মহানগৰীৰ ইফালে সিফালে পৰি ৰ'লোঁ। প্ৰতিক্ৰিয়াশীল চক্ৰৰ অমানৱীয় আক্ৰমণৰ বলি হ'ল - আমাৰ ভালেখিনি, প্ৰতিভাশালী সতীৰ্থৰ । খবৰৰ কাগজত আমি সেই নিষ্ঠুৰ সত্যবোৰ শুনি পেপুৱা লাগিলোঁ। আশীৰ পিছত দ্ৰুতগতিত ঘটা ঘটনা প্ৰবাহে আমাৰ বহুতৰে মানসিক পৰিৱৰ্ত্তন ঘটালে। বিপ্লৱৰ স্বপ্ন দুৰাগত বুলি আমাৰ বিশ্বাস হ'ল । বিপ্লৱ যে পদ্ধতিগত এক দীঘলীয়া পন্থা আমাৰ বুজিবলৈ সৰহ সময় নালাগিল । সেয়ে নিষ্ঠুৰ বাস্তৱৰ সৈতে কিছু **Compromised** কৰি আমাৰ বিপ্লৱৰ বিকল্প সন্ধানত ব্যস্ত হ'লো। এক হৃদয়হীন যন্ত্ৰবৎ মানুহৰ দৰে ৰাইজৰ মাজত এক সুবিধাজনক অৱস্থান গ্ৰহণ কৰি তেতিয়াৰ পৰা আমি বাচি আছোঁ । অমৰে আজি টেলিফোন কৰি মোৰ মানস চকুত পঁচিশ বছৰৰ আগৰ সেইবোৰ সোণ-সৰা অতীতৰ ছবি উন্মোচন কৰি মোৰ তন মন আলোড়িত কৰিছে । হয়তে টেলিফোনৰ সিপাৰে অমৰেও এই মূহূৰ্ত্তত অ'লিভ ৰঙৰ ইউনিফৰ্ম পিন্ধি, হাতত উদ্যত এ কে ৫৬ মাৰণাস্ত্ৰ লৈ, পিঠিত থকা মোনাত এসোপা হেণ্ড গ্ৰেনেড, টাইম বোম্ব লৈ ঠিক মোৰ দৰেই একে অনুভৱ কৰিছে। সেয়ে টেলিফোনত তাৰ মাতটো অলপ অস্বাভাৱিক লাগিছে।

"হাজৰিকা দা! আপোনালোকৰ বাইদেউ, মামন , উজ্জ্বল, তৰা-মাইৰ ভাল ছাগৈ। মই বেছি কথা নকওঁ। এটা বিশেষ স্মৃতি হঠাৎ মনলৈ অহাৰ বাবেহে আপোনালৈ এয়া টেলিফোন কৰিছোঁ। আজি প্ৰায় আঠ বছৰ আগত আপোনাৰ সৈতে মোৰ শেষ দেখা হৈছিল। তেতিয়া আপুনি বিপ্লৱ আৰু সন্ত্ৰাসৰ পাৰ্থক্যৰ বিষয়ে কিছু মূল্যৱান কথা কৈছিল। সেইবোৰ আজি মোৰ এই মূহূৰ্ত্তত‌হে অনুভৱ হৈছে। মই বিপ্লৱৰ স্বাৰ্থত বহুত ৰক্ত ৰঞ্জিত, কাঁইটীয়া পাহাৰ, অৰণ্য, নদ-ঘাট পাৰ হৈ আহিলোঁ। আগতে বিশ্ব-বিপ্লৱৰ সামগ্ৰিক অৰ্থৰ তত্ত্ব ভালদৰে নুবুজাৰ বাবেই হওঁক

বা প্ৰথম যৌৱনৰ সোনালী ভুলৰ বাবেই হওঁক আপোনালোকৰ কথাত কোনো গুৰুত্ব নিদিলোঁ । কিন্তু এতিয়াহে আপোনালোকৰ চিন্তা-চৰ্চাৰ সততা উপলব্ধি হৈছে। সেয়ে এয়া টেলিফোনত আপোনাক বিচাৰিছোঁ। মোৰ সৈতে আৰু চাৰিজন ৰুমমেড ইফালে-সিফালে বৈ আছে। বুজিছে হাজৰিকা দা ! হয়তো কিছু সময় পিছতে এটা ডাঙৰ, বেয়া খবৰ শুনিবলৈ পাব। হাজৰিকা দা, আমাৰ পথকে শুদ্ধ পথ বুলি আমি বহু দূৰ অগ্ৰসৰ হ'লোঁ। কিন্তু ' **Tragic thruth** ' কোনটো জানে ? আমাৰ বিপ্লৱৰ দুৰন্ত গতিৰে ধাৱমান উৰন্ত অশ্ব এতিয়া সন্ত্ৰাসৰ ধুৱলী – কুৱঁলীময় কুমাৰী অটবীৰ মায়াজালত দিক্‌ভ্ৰান্ত হৈ পৰিছে। বহুত তেজ আৰু ত্যাগৰ বিনিময়তো আমি আমাৰ প্ৰিয়তম অধিকাংশ জন-গণৰেই স্বতঃস্ফুৰ্ত্ত সমৰ্থন লাভৰ পৰা বঞ্চিত হৈ ৰ'লোঁ। দিন যোৱাৰ লগে লগে আমি যেন এক বিচ্ছিন্নতাবাদী সন্ত্ৰাসবাদী সংগঠনলৈ পৰ্য্যবসিত হৈছোঁ। মই আজি আপোনাৰ ওচৰত অকপটে স্বীকাৰ কৰিছে - আমি বিশ্বৰ কুখ্যাত সন্ত্ৰাসবাদী সংগঠনবোৰক অনুপ্ৰাণিত আৰু জ্বীপাল কৰি ৰখা বিশ্বৰ এমুঠি পুঁজিপাতি আৰু ধনীক শ্ৰেণীৰ ক্ৰীড়নকলৈ পৰিণত হৈছোঁহক। আমাৰ ঈপ্সিত বিপ্লৱ এতিয়া আমাৰ বাবেই 'বুমেৰাং' হৈ পৰিছে। আমাৰ সংমিশ্ৰিত জাতি সত্ত্বাৰ যোগৰ প্ৰকৃত **'Diagnosis'** কৰাত আমাৰ কৰবাত ভুল হৈ গ'ল। তথাপি এক দুৰাগত স্বপ্নৰ মোহত আৱদ্ধ আমাৰ ওভটনি পথ এতিয়া চৌপাশৰ পৰা অৱদ্ধ। গতিৰ বাহিৰে আমাৰ এতিয়া আৰু গতি নাই। কিয় জানো আজি মোৰ এই মূহূৰ্ত্তত ভাৱ হৈছে মোৰ বাবে আৰু বেছি সময় নাই। হয়তো ক্ষন্তেক পিছতে ঘটিব এক মহা বিস্ফোৰণ। হাজৰিকা দা, পাৰিলে এবাৰ মোৰ বিধবা মা আৰু সৰু ভাইটিৰ খবৰ ল'ব। অ' আপুনি কলম নেৰিব। সত্যৰ অনুসন্ধানত লাগিয়েই থাকক। আমাৰ ভুল-ত্ৰুটীৰ নিৰ্মোহ সমালোচনা নিৰ্ভয়ে কৰি যাওঁক। উত্তৰ প্ৰজন্মই যাতে বুজি উঠে বিপ্লৱ প্ৰকৃততে কি ? শত্ৰু কোন, মিত্ৰ কোন ? আজিলৈ থৈছোঁ। বাচি থাকিলে পুনৰ লগ পাম। শুভ ৰাত্ৰী ! ”

হঠাৎ টেলিফোনটো সংযোগবিহীন নীৰৱ হৈ পৰিল । এনেতে মহানগৰী কঁপাই যোৱা এক বিস্ফোৰণৰ শব্দই সকলোকে সচকিত কৰি তুলিলে । মোৰ শ্ৰীমতী আৰু ল'ৰা - ছোৱালী কেইটা মোৰ কাষলৈ আহি সেয়া বাৰু কিহৰ শব্দ হ'ব পাবে আলোচনা কৰিব ধৰিলে । চিগাৰেট এটা জ্বলাই মোৰ মানসিক ভাৰসাম্যতা বজাই ৰাখিবলৈ চেষ্টা চলালোঁ। ওচৰ পাজৰৰ মানুহবোৰৰ মাজতো বু-বা চলা শুনিবলৈ পালোঁ। হঠাৎ মোৰ পঁচিশ বছৰ আগতে দেখা পোৱা অমৰৰ চেহেৰাটো মনত ভাহি উঠিল। এযুৰি জ্ঞানোদীপ্ত উজ্জ্বল, বহল নয়ন। ৰক্তাভ বৰ্ণৰ তেজাল গোলাকাৰ মুখাবয়ৱ। থুঁতৰিৰ ওপৰ ফালত প্ৰথম যৌৱনৰ পতাকা উৰাই গজি উঠা মিহি, পাতলীয়া গোঁফ। ওঁঠত বুদ্ধিদীপ্ত মিচিকিয়া হাঁহি মুখত প্ৰায়ে থাকে নতুন কবি বা গায়কৰ কবিতাৰ স্তৱক বা গীতৰ কলি। গাত আকাশী ৰঙৰ হাৱাই চাৰ্ট। পিন্ধনত মটীয়া ৰঙৰ পেন্ট। গুৰিত এযোৰ সামান্য হাৱাই চেণ্ডল। আমাৰ মাজত সি 'কিতাপৰ পোক' বুলি জনজাত আছিল। গুৱাহাটী নগৰীৰ উপকণ্ঠত থকা এখন চহৰ যেন লগা গাৱঁত তাৰ ঘৰ। দেউতাকে তাৰ স্থানীয় ডাক-ঘৰৰ পোষ্ট মাষ্টাৰৰ চাকৰি কৰিছিল। ঘৰত মাক আৰু সৰু ভায়েক অমৃত। মই পঁচাশী চনতে বাতৰি যোগে তেখেতৰ 'লিভাৰ চিৰ'চিচত মৃত্যুৰ বাতৰি পাইছিলোঁ। মুখেদিয়ে শুনিছিলোঁ সি 'জংলী পাৰ্টি'ত যোগদান কৰাৰ কথা। মোৰ ধাৰণা আছিল ৰাজনীতি বিজ্ঞানত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ সি কিবা প্ৰফেচাৰ চফেচাৰ হ'ব বুলি । কিন্তু ইতিমধ্যে লুইতৰ বুকুৰেদি পাৰ হৈ গ'ল শত-সহস্ৰ সলিলধাৰা। হেজাৰ জনৰ তেজেৰে ৰাঙলী হ'ব

মোৰ শ্যামলী মাতৃৰ সেউজী বুকুখনি। এক ভগ্ন স্বপ্ন লৈ ডেউকা ভগা পখীৰ দৰে মৰি মৰিও বাচি আছোঁ আমিবোৰ।

অলপ পিছতে শ্ৰীমতীয়ে পৰিবেশন কৰা নৈশ আহাৰ খাই বিচনাত পৰিলোঁ। ৰাতি প্ৰায় দহ বজাত আকৌ টেলিফোনটো বাজি উঠিল।

"হেল্লো, হাজৰিকা নেকি ? মই আপোনাৰ অফিচৰ পৰা দীপকে কৈছোঁ। কথাটো শুনিছেনে ? এতিয়া, প্ৰায় আঠ বজাত গুৱাহাটীৰ ৰেল ষ্টেচনত বোমা ফুটিছে । মই নিজ চকুৰে দেখি আহিছোঁ। চাৰিওফালে ধোৱাঁ । ছাই আৰু পোৰা মানৱ দেহৰ গোন্ধ। মোৰ মতে বহুত-জনে সিপুৰী পালে।"

"এৰা, অলপ আগতে এটা কিবা ডাঙৰ কিবা ফুটাৰ শব্দ আমিও ইয়াৰ পৰা পাইছোঁ । কাইলৈহে আচল বিৱৰণী শুনিবলৈ পাম । বাৰু , গুড নাইট দীপক।" "গুড নাইট" বুলি দীপকে টেলিফোন থৈ দিলে।

পিছদিনা ৰাতিপুৱা 'দৈনিক বাতৰি' খন মেলিয়ে পঢ়িবলৈ পালো যোৱা নিশাৰ সেই লোমহৰ্ষক বোমা বিস্ফোৰণৰ কৰুণ পৰিণতি। 'বাতৰিটোৰ শেষৰ ফালে লিখা আছিল দুৰ্দ্ধৰ্ষ বিদ্ৰোহী অমৰ মজুমদাৰৰ বোমা - বিস্ফোৰণত মৃত্যু।

বাতৰিখন হাতত লৈ বাহিৰৰ ফালে এই নিৰ্ব্বাক, নিশ্চল হৈ চাই ৰ'লোঁ । ওচৰৰ ঘৰৰ ৰেডিঅ' এটাৰ পৰা ভাহি আহিছিল "তেজেৰে কমলাপাতি পৰভাত ভৈল নিন্দ" ।

# পূজা আহিল

লেখকঃ-    শ্ৰীবিষ্ণু ডেকা

জন্মস্থানঃ- কাড়িপাৰা, গোৰেশ্বৰ ।

বৰ্তমানঃ- দক্ষিণগাওঁ, ওদালবাক্ৰাৰ কৈলাশপুৰ শিৱমন্দিৰ পথৰ নিবাসী।

(গোৰেশ্বৰ হাইস্কুলৰ মুখপত্ৰ "লখাই তৰা" ত (ইং ১৯৬৪) "শৰাই ঘাট সেতু" কবিতাৰ জৰিয়তে সাহিত্য সেৱাত আত্মপ্ৰকাশ কৰা ডেকাৰ এতিয়ালৈ কেইবাটাও কবিতা, কুৰিটাৰো ওপৰ চুটি গল্প, ভালেকেইটা চিন্তা গধুৰ প্ৰবন্ধ 'ৰঙিলী বাৰ্ত্তা' , 'অসম ধ্বনি', 'আমাৰ অসম', 'পূবালী', 'মিলিজুলি' আদিত প্ৰকাশ হৈ গৈছে।

শৈশৱৰ চৰম দৰিদ্ৰতাকো কেৰেপ নকৰি দৃঢ়তাৰে আগবাঢ়ি গৈ থকা ডেকাই ইং ১৯৬৭-৬৯ চনত গোৰেশ্বৰ হাইস্কুল ছাত্ৰ-একতা সভাৰ সম্পাদকৰ দায়িত্বত আছিল আৰু বৰ্ত্তমানলৈ বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ গুৰু দায়িত্ব নৈতিকতাৰে বহন কৰি সেৱা আগবঢ়াই আছে।

বৰ্তমান দূৰসংযোগ বিভাগৰ দায়িত্বশীল কনিষ্ঠ টেলিকম্ বিষয়াৰ পদত কাৰ্য্যনিৰ্ব্বাহ কৰিও অধিক আত্মপ্ৰত্যয়ৰে সাহিত্য সেৱা কৰি আছে। তেওঁৰ সম্পাদিত (যুটীয়া) আলোচনী "মিলিজুলি" । স্বৰচিত গল্প সম্ভাৰৰ পুথিখন অচিৰেই প্ৰকাশ হৈ ওলাব।

তেখেত ৰঙিলী বাৰ্ত্তাৰ ভাইটি ভন্টি চৰাৰ প্ৰহৰী খুড়া আৰু যোৱা বিষ্ণু ৰাভা ৰঙিলী বাৰ্ত্তাৰ বিশেষ সংখ্যাৰ সহ সম্পাদক (অবৈতনিক) হিচাপে দায়িত্ব গ্ৰহণ কৰি আমাক সহায় কৰিছে। )

**মাৰ মুখমণ্ডলতো যেন খনিকৰ জনে উজ্বলতা আনিব পৰা নাই। এইবাৰ সি লক্ষ্য কৰিলে — দুৰ্গা পূজাৰ অসুৰটোলৈ। অসুৰটো আগতকৈ বহুত শকত, নোদোকা হৈছে.................**

টেলিফোন কেন্দ্ৰটো অতিক্ৰম কৰিয়েই ৰিক্সা আৰোহী দুজনৰ এজনে আনজনক উদ্দ্যেশি কোৱা কথা কেই-আষাৰ ভোগেশ্বৰৰ কাণত পৰিল – "পূজা আহিল হে দোস্ত।" – 'কেনেকৈ জানিলা ?' - সৌৱা, শুনিছানে নাই ? এনেহেন গেলা গৰমৰ প্ৰখৰ ৰ'দত কৰ্মচাৰী

সকলৰ 'ইন্‌কিলাব জিন্দাবাদ' , 'আৱাজ দো-এক হো' — মানে পূজাৰ আগমনৰ শুভ সংকেত। কৰ্মচাৰী সকলৰ পূজাৰ 'বোনাচ'। বেপাৰী মখাৰ দুই পইচা অৰ্জাৰ সোনালী সুযোগ। চহৰৰ গলিয়ে-উপগলিয়ে সস্তীয়া কাপোৰ-কানিৰ পোহাৰ। বজাৰত বস্তু-বাহানিৰ জুই-ছাই দাম!"

ঘৰত আকৌ এই বতৰত ল'ৰা-ছোৱালীৰ ভেং ভেং। বেলুন নালাগে, পেপা নবজায় । পিস্তল নিদিলে সিহঁতৰ কত যে অভিমান। গৃহিণীহঁতৰ মুখৰ ফালেতো চাবই নোৱাৰি। পাক্ ঘৰত মিউজিকৰ শব্দ। ওলন্দোৱা মুখ। ইফালে গিৰিহঁতৰ মূৰৰ চুলি ডাল ডাল ।

আৰোহীক গন্তব্য স্থানত নমোৱাই থৈ ভোগেশ্বৰ চিধাই ভাড়া-ঘৰ পালেগৈ। পৰিবাৰ মনোমতীক ভাত কেইটা বাঢ়িব দি ততাতৈয়াকৈ গাটো তিয়াই ভাত কেইটা নাকে মুখে সুমুৱাই পুনৰ ৰিক্সাখন লৈ বাঁহিৰলৈ ওলাল মালিকৰ পেন্দুকণা ল'ৰা টোক স্কুলৰ পৰা আনিবলৈ। বাটত গৈ থাকোতে সি কেৱল চিন্তা কৰি গ'ল – "পূজা আহিল" ।

সি পৰিকল্পনা কৰিলে 'এইবাৰ কষ্ট কৰি হলেও কেইটামান টকা বেচিকৈ গোটাব লাগিব। পূজাত তাৰ একমাত্ৰ ল'ৰাটোক ভালকৈ এযোৰ কাপোৰ দিব লাগিব। বিয়াৰ দিনৰ পৰাই বেচেৰী মানুহজনীকো ভাল কাপোৰ এযোৰ দিব পৰা নাই। পাৰিলে তাইকো এযোৰ দিব লাগিব ।'

পূজাৰ কেইদিন ভোগেশ্বৰে ৰিক্সা নচলায়। এইবেলি পূজাৰ বতৰত সি সপৰিয়ালে গাৱঁলৈ যাবলৈ মনস্থ কৰিলে। বহুত বছৰ হ'ল – তাৰ চেনেহৰ গাওঁখন এৰি অহাৰ। জীৱিকাৰ তাড়নাত । পূজাৰ বন্ধৰ ফাঁকতে গাৱঁলৈ নগলে আৰু পিচত যোৱাতো নহবগৈ। তাতে আকৌ মালিকৰ অনুমতিৰ কথাও আছে। পৰিবাৰে মালিকৰ ঘৰত দুই এটা লাক্ পাক্ কৰি দিয়ে। তাৰ ল'ৰাটোকো অহা বছৰৰ পৰা স্কুলত নাম লগাই দিবলৈ মনতে পাঙিছে।

অসমীয়া মাধ্যমৰ স্কুলত নহয় । একেবাৰে চাহাবৰ স্কুলত। ভোগেশ্বৰৰ আকৌ পৰিবাৰৰ দৰে আকোৰগোজ ভাষা প্ৰেমী নহয় । সি তাৰ ল'ৰাক ইংৰাজী স্কুলত পঢ়াবই খাটাং । তাৰ মতে – "নিজৰ পেটত গাঁঠি দি হলেও চহৰৰ ধনী-মানী মানুহৰ ল'ৰা ছোৱালীৰ সৈতে থেলাচালক, ৰিক্সাচালক, দুখীয়া হোজা বনুৱাৰ ল'ৰা ছোৱালীহঁতকো পঢ়া-শুনাত ফেৰ মাৰিব দিব লাগে। 'স্মাৰ্ট' কৰিব লাগে। জাতীয়তাবাদ, নিজৰ ভাষাটোৰ প্ৰতি আদৰ ইত্যাদিবোৰৰ মূল্য কেইজনে দিছে ? এইবোৰ মাথোন সাধাৰণ শ্ৰেণীৰ মানুহৰ মুখতহে শোভা পায় । ভাষা প্ৰেমৰ বক্তৃতাৰ ফুলজাৰি মাৰি বহুতেই পিচ দুৱাৰেদি নিজৰ পো - পোৱলিক প্ৰৱাসত থৈ চাহাব বনাই আনি আমাৰ গেন্ধেলা মখাক শাসন কৰাৰ ব্যৱস্থা কৰিছে ।"

ভোগেশ্বৰৰ ভালকৈ মনত আছে। তাৰ আঠ কি ন বছৰ বয়সত টান নৰিয়াত পৰি দেউতাকে সিহঁতক অথায় সাগৰত ডুবাই থৈ সিপুৰিলৈ গ'ল। বিধবা মাকজনীয়ে তাক আৰু পানী কেচুৱা ভনীয়েকজনীক ডাঙৰ দীঘল কৰোতে বৰ কষ্ট পাইছিল। সি আৰ্থিক দুৰাৱস্থাৰ কাৰণে মেট্ৰিকৰ দেওনা অতিক্ৰম কৰিব নোৱাৰিলে। এবাৰ চহৰত থকা খুড়াক নন্দ কেৰাণীৰ উপদেশ মতে পিয়নৰ চাকৰি এটাত 'ইনটাৰভিউ' দিছিল। চাকৰিটো নাপালে । ইংৰাজী ভালকৈ নজনাৰ বাবে ।

তাহানিৰ পৰা ভোগেশ্বৰে কোনো ধৰণৰ চলাহি কথাত কাণ নিদিয়ে। তাৰ কথা - যদি নিজৰ ভাষাটোৰ প্ৰতি ইমানেই আস্থা, তেন্তে চাকৰি বাকৰি, 'ইনটাৰভিউ' বেহা-বেপাৰ কথা বতৰা – আদিত্ত স্বাৱলম্বী হোৱাৰ কথা সকলোৱে চিন্তা নকৰিলে কিয়? নিজৰ ভাষাটো ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আইন কানুন কৰা নহল কিয় ? এতিয়া জোৰ পুৰি হাত পোৱাৰ সময়ত সকলোৰে গাত তৎ আহিছে। সি বুদ্ধিজীৱি সকলৰ জাতীয় প্ৰেমৰ আভুৱা কথাত বিশ্বাস নকৰে। এইবোৰ সাধাৰণ শ্ৰেণীৰ মানুহৰ প্ৰজন্মক তলতীয়া বহতীয়া চাকৰ নাকৰ কৰি ৰখাৰ তীব্ৰ মানসিকতা মাথোন।

ভোগেশ্বৰে এইবাৰ বৰ পৰিশ্ৰম কৰি ভালে খিনি ধন যোগাৰ কৰিলে। পূজাৰ এদিন পূৰ্বে পৰিবাৰ আৰু ল'ৰাটোক লগত লৈ গাওঁ অভিমুখে বাচত উঠিল। বাচত গৈ থাকোতে তাৰ মনটো বৰ ফৰকাল ফৰকাল লাগিল। শৰতৰ শেৱালি ফুলাৰ বতৰৰ মেঘমুক্ত আকাশৰ দৰে। সি খিড়ীকিৰে দূৰৈৰ গাওঁ, গছ গছনি, সেউজী ধাননি পথাৰ মনোমোহা দৃশ্যৰাজি উপভোগ কৰি থাকিল।

এটা সময়ত ভোগেশ্বৰহঁতক কঢ়িয়াই নিয়া বাঁচখন শেষ স্থানত ৰৈ গ'ল! সি গাওঁ পালেগৈ। বাচৰ পৰা নামিয়েই সি মানুহজনী আৰু ল'ৰাটোক খুড়াকৰ ঘৰলৈ পঠিয়াই দিয়ে। সি পোনচাতে সিহঁতৰ গাৱঁৰ সাত্তাম পুৰুষীয়া ৰাজহুৱা পূজা থলিলৈ খোজ দিলে। তাহানি স্কুলত পঢ়োতে পূজাৰ দিন কেইটাত কিমান যে আনন্দ কৰা নাছিল সিহঁতে। দুই চাৰিটা পইচাও হাত খৰচৰ বাবে আৰ্জ্জিছিল। কেনেবাকৈ চাইকেলৰ পাম্প এটা যোগাৰ কৰি বেলুনৰ দোকান দিছিল। ডাঙৰ-সৰু ভিন্ন আকৃতিৰ ৰঙা নীলা বেলুন। কিযে আনন্দৰ আছিল এৰি অহা দিনবোৰ ! থিয়েটাৰ, যাদুখেল, ঢুলীয়া-খুলীয়া, ওজাপালি, ঢোল পেপাৰ ধ্বনিৰে ৰজন জনাই আছিল পুজাৰ থলি। গাৱঁৰ মানুহবোৰৰো পূজাৰ দিন কেইটাত কিযে ব্যস্ততা, আনন্দ !

ভোগেশ্বৰে লক্ষ্য কৰিলে— এই বেলি চোন পূজা থলিত 'আনন্দ উৎসাহৰ কোনো চিন মোকাম নাই। সকলোৱে যেন এৰাব নোৱাৰা দায়িত্বত পৰিহে কিবা এটা কৰি আছে। সি স্বগতোক্তি কৰিলে — সচাই দিনবোৰ সলনি হ'ল। গাওঁবোৰ আজি যেন গাওঁ হৈ থকা নাই। কবিৰ কল্পনাৰ শুৱনি গাওঁবোৰৰ আজি যেন কোনো নিৰপত্তা নাই । ভয় সন্ত্ৰাসত মানুহবোৰ পেপুৱা লাগি গৈছে-নিশ্চুপ হৈ গৈছে। গাৱঁৰ সাত্তাম পুৰুষীয়া সম্বন্ধ, দয়া মমাতা , বন্ধুত্ব, ভাতৃত্ব সকলো চিনাকি সুৰ হেৰাই যোৱা যেন অনুমান হৈছে ।

কথাবোৰ ভাবি ভাবিয়েই সি এবাৰ দূৰ্গা গোসানীৰ প্ৰতিমা খনলৈ প্ৰত্যক্ষ কৰিলে। খনিকৰজনে তাৰ ৰঙৰ তুলিকাৰে দুৰ্গামাৰ মুখমণ্ডলত ৰঙৰ প্ৰলেপ লগাই আছে। মাৰ মুখমণ্ডলতো যেন খনিকৰজনে উজ্জ্বলতা আনি দিব পৰা নাই। এইবাৰ সি লক্ষা কৰিলে দুৰ্গা পূজাৰ অসুৰটোলৈ। অসুৰটো আগতকৈ বহুত শকত নোদোকা হৈছে ।

পূজাৰ আনন্দৰ দিনত ভোগেশ্বৰৰ মনটো একেবাৰে সেমেকি গ'ল .................. ।

# বৰ্ণালী

– তৃপ্তি শৰ্ম্মা গোস্বামী

"জীৱনটো বৰ নিৰস নিৰস লাগিছে অ' মানস। বৰ্ণালীক আজি কালি মই আৰু বিচাৰি ঘুৰি নুফুৰো । আহ, তাই মোৰ "জীৱনৰ পৰা চিৰ দিনলৈ হেৰাই গ'ল। "

প্ৰশান্তৰ কথাবোৰ শুনি লৈছিলো । ভাবিছিলো , পগলা হোৱা নাই যদিও, পগলা হোৱাৰ বেছিদিন আৰু ইয়াৰ নাই। নাৰ্চজনী আহি তাক কৈ গৈছিল বেছিকৈ কথা নক'বলৈ। সি হাঁহিছিল ।

হস্পিতালৰ ওপৰৰ Flat ৰ পৰা আত্মহত্যাৰ ব্যৰ্থ চেষ্টা কৰি ধৰা পৰি যোৱা প্ৰশান্তক যোৱাকালি এয়া তলৰ ফ্লৰলৈ লৈ আহিছে ।

কৈছিলো, "চা প্ৰশান্ত তই এতিয়া অসুস্থ। বেছি কথা নোকোৱাই ভাল। এজনী বৰ্ণালীয়ে তোৰ জীৱনলৈ কেতিয়াও আন্ধাৰ কঢ়িয়াই আনিব নোৱাৰে। তই ভাল হৈ ল'। এজনী কিয় বহুতো বৰ্ণালীক তই তোৰ জীৱনত লগ পাবি। কিছুমান মিছা বুজনিৰে তাক বুজাবলৈ চেষ্টা কৰিছিলো। সি কান্দিছিল। তাৰ চকুত চকুপানী দেখি মোৰ বৰ বেয়া লাগি গ'ল।

খিৰিকীখনেৰে চাই পঠিয়ালো – বৰ লুইতৰ প্ৰবল সোঁত। ওপৰত শাওণৰ আকাশৰ ৰং। কৃষ্ণচূড়া জোপাৰ ৰং বোৰ বৰষাই উটুৱাই লৈ গ'ল। সেন্দুৰ ৰঙা ৰং বোৰ হেৰাই গ'ল। কিবা এটা হেৰুৱাৰ বেদনাত কৃষ্ণচূড়া জোপাই কান্দিছিল। দৃষ্টি মোষ ঘুৰাই আনি চাই পঠিয়ালো – প্ৰশান্তলৈ। কেঁচা চকুপানীৰে সেমেকি যোৱা তাৰ চকুহাললৈ তেতিয়া নামি আহিছিল টোপনি । ঘড়ীটোলৈ চালো চাৰে ছয় বাজি গৈছে। সন্ধিয়াৰ এন্ধাৰবোৰে মোক ঘৰলৈ উভতি যাবলৈ সচেতন কৰি দিছিল । শুই থকা প্ৰশান্তক আমনি নকৰি নিশব্দে মই আঁতৰি আহিছিলো। ওৰে বাটে তাৰ কথাকে ভাৱি আহিছিলো — মোৰ স্কুলীয়া বন্ধু প্ৰশান্ত । আমি দুয়ো একেলগে স্কুলীয়া দেওনা পাৰ হৈ কলেজত ভৰি দিলো। তাৰ পাছত মই হলো বিজ্ঞানৰ ছাত্ৰ, সি হ'ল দৰ্শনৰ । দুখীয়া খেতিয়ক দেউতাকে তাক লৈ আশাৰ সপোন ৰচিলে। এনে সময়তে এজনী ছোৱালী তাৰ জীৱনলৈ আহিছিল ধুমুহাৰ দৰে, ভালপোৱাৰ কাৰেংঘৰ সাজিবলৈ। সেই কাৰেংৰ ভেটিত থিয় দিয়াৰ আগমুহূৰ্ত্তত ধুমুহাৰ দৰেই তাই হেৰাই গ'ল। নাম আছিল তাইৰ বৰ্ণালী। বৰ্ণালীৰ মিছা প্ৰেমৰ অভিনয়ৰ বিনিময়ত প্ৰশান্তই সঁচা ভালপোৱাৰ অঙ্কুৰ ৰুলে। সি বুজা নাছিল তাৰ সঁচা প্ৰেমৰ অন্তৰালত লুকাই আছিল কিছুমান মিছা অভিনয়ৰ সঁচা সঁচা লগা মিছা ভালপোৱা বৰ্ণালীৰ। জীৱনক ভালদৰে জুমি চাবলৈ নৌ পাওতেই সি ভাল পাই পেলাইছিল বৰ্ণালীক। কিন্তু সেই জনী বৰ্ণালী এদিন তাৰ জীৱনৰ পৰা এনেদৰে হেৰাই যাব বুলি কেতিয়াও ভবা নাছিল। আশাও কৰা নাছিল। কিন্তু আশা নকৰা খিনিকে সি পালে। এদিন নিশা বৰ্ণালী নিৰুদ্দেশ হ'ল। বহুতৰে বিশ্বাস তাই আত্মহত্যা কৰিলে। লুইতৰ বুকুত অনুসন্ধান চলিল বৰ্ণালীৰ মৃতদেহৰ

সন্ধানত। নাই কোনো সন্ধান নাপালে। আন কিছুমানৰ তাতে বিশ্বাসঃ তাই পলাই গ'ল। কিন্তু গ'ল কলৈ ? কিয় ?

প্ৰশান্তই নাজানিছিল । প্ৰশান্তক ভালপাওঁ বুলি, মিছা অভিনয় কৰা বৰ্ণালী জনীয়ে ভাল পাইছিল আন এজনক । সেই ভালপোৱা আছিল সঁচা ভালপোৱা অনুপমক। ডাক্তৰ অনুপম দুৰৰা । তাৰ পিছত টিৰাপ সীমান্তৰ কোনোবা এডোখৰ অজান ঠাইলৈ অনুপমে এদিন মাজনিশাৰ আন্ধাৰত বৰ্ণালীক আঁতৰাই লৈ গ'ল প্ৰশান্তৰ ওচৰৰ পৰা । পূৰ্ণ সন্মতি থকা বৰ্ণালীৰ প্ৰশান্তলৈ মনত পৰিছিল নে নাই ক'ব নোৱাৰো ?

তাৰ পিছত দিন বাগৰে মাহৰ বুকুত , মাহ বাগৰে ৰছৰৰ বুকুত। প্ৰশান্তৰ বিশ্বাস বৰ্ণালী আছে, তাই তাক এৰি আত্মহত্যা কৰিব নোৱাৰে। সি বৰ্ণালীৰ অনুসন্ধানৰ বাবেহে ঘূৰি ফুৰিব ধৰিলে। এইদৰে ঘুৰি ফুৰি এদিন সি অসুস্থ হৈ পৰিল। বৰ্ণালী তাৰ জীৱনত সাথৰ হৈয়ে ৰ'ল। তাইৰ সন্ধান সি আৰু নাপালে। মই সকলো কথা গম পাইও তাক কোৱা নাছিলো। সেইকণ সাহস মোৰ হেৰাই গ'ল।

কথাবোৰ ভাবি ভাবি কেতিয়া ঘৰ পাইছিলোহি ক'ব পৰাই নাছিলোঁ। তাৰ পিছত টোপনি যাব নোখোজা চকু দুটালৈও অৱশেষত টোপনি নামি আহিছিল।

আৰু আজি এয়া হস্পিতাললৈ আহি খবৰ পালো - প্ৰশান্ত নাই, ঢুকাল। প্ৰশান্তৰ সহজ সৰল মুখখনলৈ মই চাব পৰা নাছিলো। ক'ব নোৱাৰাকৈয়ে মোৰ দুগালেদি চকুপানী বৈ গ'ল। আগদিনা খিৰিকীৰে দেখা কৃষ্ণচূড়া জোপাৰ তলেৰেই তাৰ মৃত দেহটো আমি লৈ গৈছিলো। বহুদিন আগতে মৰহি যোৱা এটা শুকান কৃষ্ণচূড়া ফুল উৰি আহি তাৰ গাত পৰিছিল।

# অকণ প্ৰেম-প্ৰীতি

**-খগেন চৌধুৰী**

— আজি দুদিনমান, কথাষাৰ ভাবিছিলো এবাৰ যোৱাৰ কথা। ঠিক আজিয়েই যাম বুলি নহয়। সৰু কাম এটা আছে । তাৰ পিচত কিন্তু ফ্ৰি । পিচে আজিয়েই কিয় ............................ঠিক আছে বাৰু। আবেলি সাত বজাত নেহেৰু পাৰ্কৰ গেটৰ আগত ৰৈ থাকিম। ৰৈ থাকিবলৈ মোৰ কিন্তু বৰ লাজ লাগে দেই। ঠিক সময় মতে সাত বজাত। নেহেৰু পাৰ্কৰ গেটৰ সমুখত। চাৰে সাত বজাৰ পিচত কিন্তু নাপাব । - ও'কে? ঠিক? 'চিয়ৰ' বুলি কলে মানুৱে ।

টেলিফোনটো থৈ আনন্দিয়ে কিবা এটা ভাবিব খুজিলেহে মাথোন — হয়তো ভাবিলেহেঁতেন মানুৰ লেখিয়া ধুনীয়া যৌৱনা এগৰাকীৰ লগত আজিৰ সন্ধিয়াটো কি দৰে কটাব । কিন্তু টেলিফোনটো টিং টিং কৈ বাজিলে। টেলিফোন তুলি ক'লে - হেল্লো।

– কি খবৰ ? চিনিব পাৰিছানে ? নিশ্চয় চিনিব পৰা নাই ?

- স্বাভাৱিক। নিৰ্লিপ্ত যেতিয়া বহুদিন।

-কোন ঠিক ধৰিব পৰা নাই ? - মনত কৰিছো ।

তিৰোতা নহয়; ছোৱালীৰ মাত যেন লাগিছে । আগতে মাতটো শুনা শুনা লাগিছে। আনন্দিয়ে ভাবিলে - চিনি পালো বা নাপালো কথা পাতোতে কি মনা আছে?

- ঠিক ধৰিছে। তুমি চিনিব পৰা নাই। প্ৰভাই ক'লে।

-এতিয়া বুজিছো। চিনিব পাৰিছো। কোৱা তোমাৰ খবৰ

খটি কেনে আৰু কেনেকৈ এই দুৰ্ভগীয়াক মনত পৰিল 'বাৰু' ?

-'বাহ' চালু ! এতিয়াও আছে কথাৰ প্ৰকাৰন্ত।

-আৰে, প্ৰভা! তোমাক চিনিব নোৱাৰিলে দেখোন মোৰ জীৱনেই বৃথা। কলেজীয়া সুন্দৰী প্ৰতিযোগীতা .....

আচলতে প্ৰভা কলেজীয়া বান্ধৱী। কটনত একেলগে হায়াৰ চেকেণ্ডাৰীলৈ পঢ়িছিল। তাৰ পিচত তেওঁ ডি ইউ লৈ আৰু আনন্দি চিলচৰ আৰ·ই-চি’ ত পঢ়িছিল। কেই বছৰ মান পিচত এবাৰ গুৱাহাটীতেই লগ পাইছিল। তেতিয়া প্ৰভাই জি ইউত পোষ্ট এম্ এচ্ চি’ ত।

- বুজিছো বুজিছো তুমি ‘চালু' শুনাৰ লগে লগেই মোৰ নাম ধৰি মাতিছা।

-ঠিক আছে দিয়া, দেৱীৰ কথা শিৰোধাৰ্য্য, এতিয়া কোৱা বাৰু তোমাৰ খবৰ বাতৰি, ক’ত আছা এতিয়া, কি কৰিছা ? কিবা আদেশ?

– চৰি, চৰি চাৰ । ইচ্ আপোনাৰ অফিচৰ বহু মুলীয়া সময় কণ খৰচ কৰা বাবে ক্ষমা চাইছো চাৰ।

-এই ‘মুদি’ হে আহিলা নহয়? তোমাক আগতেওঁ এইবোৰ শুনিবলৈকে মই জোকাই লৈছিলো। – মনত আছেনে আইদেউ, সেই বুকফেয়াৰ ?

-ইচ্, আচল কথাটোকেই কব পাহৰিছো। তোমাৰ লগত কথাৰ, চলাহিহে মাৰিছোঁ। তোমাৰ প্ৰশ্নবিলাকৰ উত্তৰ দিছো বাৰু, আৰু লগতে এখন এপ্লিকেচন্ । তবে চাকৰিৰ বাবে নহয়। ভয় নেখাবা।

- বাৰু তেনেহ'লে কোৱা এতিয়া শুনো।

- খবৰ  ভালেই। বৰ্ত্তমান গুৱাহাটীত। ডিবুৰুতেই আছো। পিচে, তোমাৰ দৰে সুখী নহয় অৱশ্যে ।

-সংসাৰ পাতিলা নেকি?

- ধৎ- নাই ; পাতিলে আকৌ তোমাক মনত পৰিবনে ?  আনন্দিয়ে ডাঙৰকৈ হাঁহিব খুজিওঁ নাহাঁহি লাহেকৈ কলে—

- পিচে কি ! কিবা মন কৰিছা নেকি ?

-তোমাক বুলি ধৰিছা?

-কথাৰ উপকৰণটো কৈছো। বাৰু এইটো দুয়ো পিচত চিন্তা কৰি চাম। এপ্লিকেচন্ কিহৰ কোৱা এতিয়া ?

- বাঃ বাঃ চালু ! আকৌ ঘূৰাই পকাই। ঠিক আছে মোক কথা দিয়া, মই কোৱা কথাষাৰ ৰাখিবা ?

- মানে, মোৰ মুখত লেকাম আৰিবা নে গলত ৰচি লগাবা ? সেইবোৰ একোৱেই নহয়। সামান্য এটা কথা তুমি ইচ্ছা কৰিলেই পাবিবা।

- বাচ্ তেনেহ'লে পট্ কৈ কৈ পেলোৱা । মই এতিয়াই কথাষাৰ ধৰি দিওঁ।

— শুনা তেনেহ'লে আজি গধূলি ঠিক চাৰি বজাত বুকফেয়াৰলৈ যাম তোমাৰ লগত। মই দীঘিলী পুখুৰীৰ হেন্দিক হোষ্টেলৰ আগত থাকিম।

-আজিয়েই.. ! হঠাতে কিহৰ ইমান প্ৰোগ্ৰাম?

- ব'লা না। আজিয়েই প্লিজ, প্ৰোমিজ মি প্লিজ।

আনন্দিয়ো অলপ চিন্তা কৰি এটা বুদ্ধি উলিয়াই কলে- মোৰ আকৌ সাত বজাত বিশেষ এটা কাম আছে। মানে আমাৰ 'বচেও' হেনো বুকফেয়াৰলৈ যাব। সেই কাৰণে তুমি যদি মোক পজিটিভলি সাত বজাৰ আগত এৰি দিব পাৰা তেনে হলে ..।

-'ডোন্ট ৱৰি' ঠিক আছে, ঠিক ছয় বজাত। হেন্দিক হোষ্টেলৰ আগত। প্ৰোমিজ।

- প্ৰোমিজ — বা-ই।' বুলি আনন্দিয়ে হাতৰ টেলিফোন ৰাখি, দুই হাতৰ তৰ্জনী আঙুলীৰে দুই নাকৰ পাহি দুটাত হেচুকি প্ৰোগ্ৰামৰ কথাটো ভাবিলে।

মিছামিছি প্ৰভাক টেলিফোন কৰি ভুলেই কৰিলে। প্ৰভা যেতিয়া উপযাছিয়েই হাত মেলিছে, আজি সন্ধিয়া ভাৰে প্ৰভাতী নিদ্ৰাৰ সপোনেৰে শেৱালীৰ গোন্ধে উপচি পৰিলেহেঁতেন মন প্ৰাণ।

সোঁ হাতেৰে নাকৰ ওপৰত টিপি টিপি তল মূল কৰি টেবিল খনলৈ চাই চাই কিবা ভাবিছিল।

- কি ! কিবা চিন্তাত পৰিছা? জানুৱে প্ৰশ্ন কৰিলে, আনন্দিৰ আগত ঠিয় হৈ।

আনন্দিয়ে অলপ চ'ক খোৱাৰ দৰেই সুধিলে – আৰে, জানু! আচৰিত ! ক'ৰ পৰা, কেনেকৈ আগমণ ?

জানুৰ কান্ধত ডাঙৰ ভেনিটি বেগ। চুলিবোৰ সুন্দৰকৈ সজোৱা বেণী গুঠা মুখত প্ৰলেপ আৰু ওঠত স্বাভাৱিক লিপিষ্টিকৰ ৰং | শাৰীখনৰ পাৰিটো দুই বুকুৰ মাজেৰে বাগৰি প্ৰতিস্ফুট হৈছে, যেন চিনেমা তাৰকা চুটিংৰ বাবে সাজু।

-বহা জানু, বহা। বহু দিনৰ মুৰত লগা-লগি।

কি খবৰ কোৰাছোন? - আনন্দিয়ে সুধিলে।

-আহিছো নগাঁৱৰ পৰা ৰাতিপুৱা। কোম্পানীৰ কেইটামান কাম আছিল। পিচে কোম্পানীৰ কাম এক বজাতেই শেষ হ'ল। ভাবিলো তোমাক এবাৰ লগ পায় যাওঁ। অহাৰ বাবে বেয়া পালা নেকি ?

– অ'হোঁ, কেতিয়াও নহয় 'জানু'।

- নিশ্চয় কিবা এনগেজমেন্ট নাইবা এপণ্টমেন্ট আছে ?

- নাই নাই জানু। তোমাৰ কাৰণে মোৰ এনগেজমেন্ট বা এপণ্টমেন্ট থাকিলেও আজি চব কেনচেল। - তুমি গোলাপৰ আজি  লভিছোঁ পৰশ প্ৰিয়া । কাঁইটৰ শংকা মোৰ নাই ।

-বাঃ বাঃ বাঃ বৰুৱা  চাহেব একেবাৰে ।

-কিয় ? ভুল হ'ল।

- নাই হোৱা- । কৈ দিয়া - । সুন্দৰ কৰা, সন্তেক  মাথো, তোমাৰ প্ৰেমৰ জেউতি সানি।' বাঃ বাঃ  দিয়া আকৌ । জানুৱে কথাষাৰ কৈ তচ্‌লিম্ কৰি মিচিকি হাঁহিলে ।

- বাৰু এতিয়া কোৱা - কিবা সকামলৈ দেৱীৰ আগমনি। কৰা দেৱী আদেশ? মৰিম কিম্বা তুৰন্তে কাৰ্য্য সমিধান।

জানুৱে অলপ মুখখন দেখুৱাই মিচিকি হাঁহিৰে ৰুমালেৰে মুখ ঢাকি কলে -  সকাম ডাঙৰ। মানে, মই তোমাক এঠাইলৈ নিব আহিছো ।

-কি দৰা সাজি যাব লাগিব  ?

- চুত- পেণ্ট -টাই মাৰি।

- কোৰ্টলৈ ?

-ওচৰলৈ ?

-তোমাৰ ?

- নাই - মোৰ ওচৰলৈ নহয়  ।

-তেনেহ'লে, লোৱাৰ কোৰ্ট , জজ্ কোৰ্ট  হাইকোৰ্টলৈ ?

-তাৰ মাজত।

- মানে, মা-জ-ত ?

-ওঁ , মা-জ-ত । পাৰ্কতো নহয় ।

-আৎচ্ছা বাৰু বুজিলো  । তাকেই কোৱা নাই কিয় অথনিৰ পৰা।

-আচলতে কি জান'। মোৰ সকলো কাম ঠিক চাৰে চাৰি বজাত শেষ হব । এদিনৰ চুটি। কাইলৈ পুৱাতেই আকৌ নগাওঁ।

তুমি তেনেহলে বুকফেয়াৰ চাবা । মই তোমাৰ এচ্ মোৰ্ট ।

- চৰি চাৰ ! ইউ আৰ মাই 'লিডাৰ' নট এচ্‌মোৰ্ট।

- 'ঔ আই চি।' বুলি আনন্দিয়ে ভাবিলে – কি উল্টা পাল্টা হ'ল। ইফালে মানুক মই টেলিফোন কৰিলো। আনফালে প্ৰভাকো কথা দিলো। আচ্ছা – সাত বজাত মানু পাৰ্কৰ গেটত, ছয় বজাত প্ৰভা হ'ল - হেণ্ডিক হোষ্টেলৰ আগত। এতিয়া এওঁক কি কৰা যায় ?

- কিবা বিশেষ ৰাস্তা ? - কিবা  চিন্তা ?

আনন্দিয়ে অলপ গম্ভীৰ হৈ কলে - আমাৰ বচেও বুকফেয়াৰলৈ যাওঁ বুলি কৈছিল।

-কেই বজাত যাব বাৰু ?

-এই ধৰা ছয়মান বজাৰ আগত ?

-ঠিক আছে। তেনেহলে তুমি চাৰে চাৰিৰ পৰা পাঁচৰ ভিতৰত আহা। ছয় বজাৰ আগত তোমাক চুটি দিম – হ'বটো ? - চাৰে চাৰি বজাত নহয়। ঠিক পাঁচ বজাত। বুকফেয়াৰ গেটৰ সমুখত ৰৈ থাকিবা - হ'ব ?

- বাৰু হ'ব।

-টি টি টেলিফোন বাজিলে। আনন্দিয়ে তুলিলে – ইয়েচ, প্লিজ। ফেক্স ইন্‌কামিং আছে – নাই চাৰ । অ'কে চাৰ। ট্ৰেনচ্ মিচন্ চাৰ, কালি কৰা ভাল হ'ব নেকি? ইণ্টাৰনেট চাৰ্ভিছ্ প্ৰোগ্ৰাম কৰা আছে চাৰ । মেমোৰি দিয়া আছে। টাইম চিডুল' কৰা আছে চাৰ। ইয়েচ্ চাৰ। ইয়েচ্ চাৰ । 'ডকুমেন্ট চিৰিয়েল মেমোৰি ইন্ কম্পিউটাৰ চাৰ । অ'কে। অ'কে থেঙ্ক ইউ চাৰ।

অলপ গম্ভীৰ হৈ আনন্দিয়ে কলে- দেখিলা মাল্টিক্ৰোৰ বিদেশী কোম্পানী বিলাকে এতিয়া ভাৰত কি গোটেই বিশ্ব হাতৰ মুঠিৰ ভিতৰত ৰাখিব খুজিছে। এই ফেক্স, টেলেক্স ইণ্টাৰনেট, কম্পিউটাৰ ইত্যাদিৰ কাৰণে এই ৰুমটো কোম্পানীয়ে এয়াৰ কণ্ডিচন কৰিছে। মোৰ কাৰণে কৰিছে বুলি ভাবিছা নেকি ?

................ আচলতে বিজনেচ। কম্পিটিচন্ , গোটেই পৃথিৱীয়েই , নিজৰ প্ৰডাক্‌চন, বস্তুবোৰে কেনেকৈ বজাৰ ধৰিব পাৰে, বজাৰত আলোড়ন তুলিব পাৰে, এই বিজনেচ্ সম্প্ৰসাৰণ বিচাৰি এই কোম্পানী বিলাকে এতিয়া প্ৰতিযোগিতা অৰ্থাৎ কম্পিটিচনত নামি পৰিছে। গ্লোবেলাইজেচন অব্ বিজনেচ ইজ মাষ্ট। কিন্তু সৰু সৰু কোম্পানী বোৰ মৰি যাবলৈ আৰম্ভ কৰিছে ।

জানুই মাত লগালে – 'বাপৰে এই চব শুনিলে মোৰ মূৰ বিষ হ'ব। এতিয়া দুই বাজিলেই। মোৰ অলপ কাম এটা চলি আছে। এইবোৰ কেতিয়াবা মূৰৰ বিষ কমিলে শুনিম। এতিয়া উঠো । এডজাষ্ট পাঁচ বজাত পেটত। ও'কো। বাই – । বুলি জানু ওলাই দুৱাৰ মুখৰ পৰা এবাৰ হাতেৰে টা টা দি মিচিকি হাঁহিৰে হাঁহি গুছি গ'ল। আনন্দিয়ে বন্ধ দুৱাৰ খনৰ ফালে চাই চিন্তা কৰিলে ইমান ধুনীয়া পিঠিখন, খোলা চিলভলেছ ব্লাউজ আৰু শাৰী খনে সোৱাইছে। এতিয়াও ? ইমান সুন্দৰ নিতম্ব দেহ।

এইহেন ধুনীয়া গাভৰু জনীক তেওঁ বাৰু কেনেকৈ অপেক্ষা কৰিব পাৰে? বিশ্বৰ কোনো মহাপুৰুষেইটো সুন্দৰীৰ অপেক্ষা কৰিবলৈ কোৱা নাই । তেনেহলে মই .......... ।

কিন্তু এই তিনিজনী সুন্দৰীক মই আজি অকলে, অৰ্থাৎ নিজেই সৌন্দৰ্যৰ মৰ্য্যদা দি চম্ভালিব লাগিব  আৰু এইটোৱেই হ'ব আজি মোৰ পৰীক্ষা। জীৱনৰ কৃতিত্ব মোৰ কিমান। এজনীয়ো যেন আনজনীৰ কথা গম নেপায়। এয়া আজি মোৰ বিচক্ষণতাৰ পৰীক্ষা হ'ব ।

— বাৰু মানু পাৰ্কৰ গেটত। প্ৰভা হেণ্ডিক কলেজ হোষ্টেলৰ ...................আৰু জানু বুকফেয়াৰৰ গেটৰ মুখত। সময় জানু—পাঁচটা, প্ৰভা ছয়টা আৰু মানুৰ সাত বজাত। প্ৰথম দুজনীক পাৰ কৰিব পাৰিলে মানুলৈ ইমান চিন্তা নাই। ঠিক আছে – হে কৃষ্ণ, তোমাৰ চৰণত নত শিৰ। অকণ প্ৰেম প্ৰীতি, অলপ ভালপোৱা বিচাৰিছো। তুমি মহান প্ৰভু। সময়ৰ গতি-বিধিৰ এক প্ৰাণ, এক মন কিন্তু, একনিদতা নাই। এই বিশ্বৰ পৰা আজি বৈজ্ঞানিক সকলে অন্য বিশ্ব ব্ৰহ্মাণ্ড বিচাৰিছে। আমি এই বিশ্বৰ অদ্‌ভুদ জীৱ। মনত আমাৰ অকাৰণ অশান্তি আৰু তাৰো দূৰ দিগন্তত – অনাবিল অনন্ত, সীমাহীন উদ্দেশ্য।

পাচ বাজিবলৈ মাত্ৰ পাচ মিনিট বাকী। অফিচৰ গাড়ীখন গৈ বুকফেয়াৰ গেটৰ গাড়ী পাৰ্কিং, চাইদত্ ৰাখিলে। আনন্দিয়ে ইফালে সিফালে চাই লাহে লাহে নামি, গাড়ীৰ ড্ৰাইভাৰ জনক গাড়ীখন লৈ যাবলৈ কলে আৰু গাড়ী ৰৈ ঘৰলৈ যাবলৈ কলে। ড্ৰাইভাৰ গাড়ী লৈ গুছি গ'ল গাড়ীখন থাকিলে এটা ঝামেলা হ'ব। অন্ততঃ ড্ৰাইভাৰ জনটো এই তিনি ৰূপৱতীৰ সাক্ষী হ'ব। সেই কাৰণেই যাবলৈ ক'লে।

ইফালে সিফালে চাই বুক্‌ফেয়াৰ গেটৰ মুখলৈ খোজ ললে । দূৰৰ পৰাই দেখিলে জানু গেটৰ মুখত পশ্চিম ফাললৈ মুখ কৰি ঠিয় হৈ আছে। এন্ধাৰ অলপ অলপ হৈছে। তেওঁৰ পিচ ফালেৰে একেবাৰে তেওঁৰ গাৰ ওচৰলৈ গৈ কাণৰ ওচৰত ফুচ, ফুচ, কৈ, ক'লে – কালৈ ৰৈ আছে অথনিৰে পৰা চক্ খোৱাৰ দৰে মুখ ঘুৰাই চাওঁতেই দুয়োৰে নাকে নাকে খুন্দা জাগিল – নহয়, অলপ ঘহনা লাগিল। আনন্দিয়ে তৰ্জনী আঙুলিটোৰে জানুৰ নাকটোত এবাৰ লাহেকৈ চুই সুধিলে – 'দুখ পালা নেকি ?? জানুৰে দুখোজ মান পিছুৱাই গৈ কলে – 'ইচ, ইমান মানুহৰ মাজত।'

-তেনেহ'লে বলা মানুহ নোহোৱা ঠাইলৈ যাওঁ?

-এতিয়া সময় নাই, বলা বলা টিকট দুটা লৈ অহা, ভিতৰ সোমাওঁ ।

-'পধাৰিয়ে' দেৱীজী বান্দা হাজিৰ – বুলি আনন্দিয়ে দুখন বুক্‌ফেয়াৰ পাচ পকেটৰ পৰা উলিয়াই জানুৰ হাতত দি লাহেকৈ হাতখনও চেপি দি কলে – এই লোৱা। মিচিকি হাঁহি দুয়ো জোৰ হৈ বুক্‌ফেয়াৰৰ ভিতৰলৈ সোমাই পৰিল।

- তুমিটো অফিচৰ পৰা বাহিৰে বাহিৰে আহিছা ? বৰ অন্যায় হৈছে বুজিছা; তুমি কিবা অলপ খাবা ব'লা ?

-নাই এতিয়া থাকক। আজি অলপ পলমকৈ লাঞ্চ খাইছো বুজিছা। এতিয়াও পেট ঠিকেই আছে।' আচলতে আনন্দিয়ে ভাবিছিল, যিহেতু তিনিও জনীৰ লগতে অলপ অলপ কৈ হলেও কিবা-কিবি খাব লাগিব গতিকে অলপ অলপ খাওঁতেই বেচি হৈ যাবগৈ । সেয়ে বঞ্চিত নকৰি

কিঞ্চিত কিঞ্চিত কৰি মাৰিব পাৰিলে, সাপো মৰিব; লাঠিও নেভাঙিব, লৈ অকণ প্ৰেম-প্ৰীতি অলপ ভালপোৱা।

এফালৰ পৰা জানুই কিতাপৰ দোকানবোৰত সোমাবলৈ ধৰিলে আনন্দিয়ে চিন্তা কৰিলে, যদি এনেকৈ প্ৰতি দোকান সোমালে দহ-পোন্ধৰ মিনিট কৈ যায় তেনেহলে সময় নহবগৈ ; গতিকে বুদ্ধি  সাজি ক'লে – 'দিল্লীবালা বিদেশী দোকান কেইখন মান আহিছে ভালৈয়েই যাওঁ ব'লা। কিবা বাহিৰৰ ভাল কিতাপ কিনিবও পাৰিবা ।

-ব'লা ।

জানুৱে আনন্দিৰ গাত-গা-লগাই বাহু আৰু কাষলটিৰ মাজত তেওঁৰ হাতখন সাৱতি ধৰি যাবলৈ ধৰিলে।

বঙ্গীয় বঙালী কিতাপৰ দোকানখনলৈ সোমাব খুজিয়ে দেখিলে আনন্দিৰ এজন চিনাকি মানুহ জানুলৈ ৰ'লাগি চাই আছে। আনন্দিয়ে হাতখন টানি উলিয়াই অলপ ঘূৰি ক'লে – পিচত ইয়াত সোমাম ব'লা, আগতে ইংৰাজী কিতাপকেই চাওঁ  ? তুমি কি কোৱা ?

– কি হ'ল ? ইয়াত কিয় নোসোমালা?

আহোতে সময় হ'লে সোমায় যাম দিয়া ।

আগৰ খনত সোয়াই দুখন মান ইংৰাজী চালে। দুখন মান কিতাপৰ খবৰ ললে । নাই বুলি কোৱাত লাহে লাহে অন্যবোধ কিতাপৰ ওপৰত এনেয়ে চকু ফুৰাই ওলাই আহিলে।

চাওঁ এওঁ কো' ত সোমাবলৈ খোজতেই এজনী জানুৰ লেখীয়াই ধুনীয়া ছোৱালীয়ে মিচিকি হাঁহি জানুলৈ চাই কিবা চকুৰে ইংগিত দিলে। লাহেকৈ জানুক আনন্দিয়ে হাতত ধৰি টানি ঘূৰাই ক'লে - তোমাৰ ভাগৰ লগা নাই। বলা অলপ কবি সন্মিলনলৈ যাওঁ, তাতে বহি দুই এটা কবিতা শুনিব পাৰিম। হয়তো প্ৰেমৰ কবিতা। বহু জাতিক প্ৰেমৰ কবিতা, য'ত পায় অকণ মান প্ৰেম প্ৰীতি অলপ আমাৰ ভালপোৱা ।

দুটি কবিতা পাঠ কৰিলে জাতীয় বিখ্যাত দুজন কবিয়ে- বহু জাতিক, বহু ভাষিক গোন্ধ পৰিছে শব্দত আৰু ভাষাৰ অনুভূতিও । জাতীয় বুনিয়াদ নাই, কিন্তু গাঁথনিক বুনিয়াদ আছে। নৃছন্দৰ গান, কলিয়া টোপনি নিজৰ, বিশ্বভাতৃত্ব প্ৰচাৰ আৰু যৌৱনৰ প্ৰকাশ ।

-যাওঁ ব'লা জানু। মোৰ আকৌ - তোমাক কৈছিলোৱেই নহয় ব'চৰ কথা ।

– অ' পাহৰিছিলোৱেই। বলা, বাহিৰত গৈ অলপ কিবা খাই যাওঁ ।

-ব'লা।

ওলাই আহি জানুৱে কলে – 'চান ফ্লাৱাৰটেই যাওঁ ব'লা নাইবা কফি হাউচলৈ।

- তুমি জানো এতিয়াও কলেজীয়াই হৈ আছা ? সৰু সৰু ছোৱালীবোৰ থাকে তোমাৰ জানো লাজ নালাগিব ? তাতকৈ ব'লা পোনে পোনে গৈ অশোকাতেই খাই আহো।

– ঠিক আছে। দুয়ো খোজ ললে অশোকালৈ। এটা কাট্লেত, আৰু দুকাপ কফি অৰ্ডাৰ কৰিলে।

- কিয়, তুমি নোখোৱা ?

-কফি খাম নহয়। আচলতে কি জানা আজি দুপৰীয়াৰ লাঞ্চ অলপ পলম হ'বটো, আকৌ ব'চৰ কথা কৈছিলোৱেই নহয়।

- বাৰু – বাৰু বুজিছো দিয়া। এই – তোমাৰ ব'চৰ ডাঙৰ ছোৱালীজনী লগত আহিব নেকি ?

- ব'চ ইয়াত অকলে ফ্লেট ভাৰা কৰি থাকে ।

- কি সুন্দৰ – অকলে ? চকু দুটিৰে মিঠা পোহৰৰ আভাস দি জানুই সুধিলে -

- অকলে আকৌ ।

- ইস্ বেচেৰা........

খাবৰ টেবিলত দি গ'ল। আনন্দিয়ে কফিৰ কাপ এটা নি ওচৰলৈ টানি আনি কলে – 'বৰ দয়া ওপজিছে যেন পাও ।

- তোমাতকৈ ক'ম।

— বাৰু – বাৰু খোৱা এতিয়া, মিচিকি হাঁহি আনন্দিয়ে লাহেকৈ জানুৰ গালত আৰু ধুতৰিত ধৰি হাতেৰে চুমি কলে – তুমি দিয়া মোক নিমাত-চেনেহ, অকণি হিয়াৰ দান অতুল। তাকেই বুকুৰ ৰোমাঞ্চ সানি গঢ়িলো ৰোমাঞ্চ, সুন্দৰ বিচিত্ৰ কল্পনা, মহাজাতি বহুজাতি মণ্ঠনৰ।

- তুমিও ইয়াৰে অলপ খোৱাচোন। বুলি কাটলেতৰ প্লেটখন আগবঢ়ায় দিলে আনন্দিলৈ। কোণা এটা ভাঙি লৈ মুখত সোমায় কলে – 'বেয়া পালা নেকি ? লাহেকৈ সুধিলে।

- চান ফ্লাৱাৰত কলেজীয়া সৰু ল'ৰা ছোৱালী থাকে – আৰু ইয়াত ..........মুখ টিপি টিপি হাঁহি মায়াজালত দৃষ্টিৰে চাই থাকিল আনন্দিয়ে। তেওঁ লাহে লাহে হাতখন আগবঢ়াই নি জানুৰ প্লেটত থকা হাতত লগাই কলে – 'খোৱানা !' বুলি নিজৰ ওঠ দুটি দীঘলকৈ জানুৰ মুখলৈ চাই চুমি দিলে।

দুয়ো ওলায় আহি ৰাষ্টা পোৱাৰ লগে লগে জানুৱে কলে ছয় টা বাজিবলৈ পাচ মিনিটহে আছে। তোমাৰ নিশ্চয় দেৰি হৈছে' — বুলি কৈ ইফালে সিফালে গাড়ী ৰখা ঠাইলৈ চাব ধৰিলে । আনন্দিয়ে সুবিধা কণ লৈ কলে – তুমিটো ইয়াতেই বাছ পাবা। বেয়া নেপাবা। তুমিটো বুজিছাই – বুলি লৰালৰি কাছাৰীৰ বাছ ষ্টপেজলৈ বেগ দিলে।

হাইকোৰ্টৰ বাছ ষ্টপেজত নামিয়েই খৰখেদাকৈ দীঘলী পুখুৰী পাৰলৈ দীঘল খোজ দিলো।

দূৰৰ পৰাই লক্ষ্য কৰিলে আনন্দিয়ে, প্ৰভাই দীঘিলী পুখুৰীৰ পশ্চিম পাৰলৈ চাই কিবা ভাবি আছে। তেওঁৰ কথাকেই নহয়টো বা হয়তো কোনো সপোন সন্ধিয়া।

-কি বহু সময় হ'ল অহা । মোলৈ খং খাইছা নেকি ? প্লিজ ক্ষমা !

- অ' আহিলা হাঁহি মাৰি প্ৰভাই কলে- 'বাট চাই আছো, তোমালৈকে অথনিৰে পৰা ভয় নাই নেদেখে কোনেওঁ, জোনবাই ডাৱৰে আৱৰা ।'

— 'ভয় নাই' তুমি গোলাপৰ লভিছোঁ পৰশ প্ৰিয়া কাইটৰ শংকা মোৰ নাই। কি মধুৰ প্ৰিয়মবদে

-শুনা নাই । শুনা নাই মোৰ সাগৰৰ তুমি ধুমুহাৰ উতলা সংগীত ? আহা প্ৰিয়ে যাওঁ দুয়ো বুকয়োৰ চাবলৈ তোমাৰ সহিত ।

— বাহঃ, হু! তুমি অলকানন্দালৈ যোৱা সৌম্য প্ৰকৃতিৰ মাজত থাকি কাব্য লিখিব পাৰিবা।

- তোমাৰ আশীৰ্বাদে আনক সেই দিন । আজি বাৰু যাও দুয়ো বুকফেয়াৰ চাবলৈ।

দুয়ো বুফেয়াৰ মানুহৰ মিচিলত হেৰাই পৰিল। জানু অলপ অভিমানী। নিজকে ধুনীয়া বুলি, উচ্চ শিক্ষিতা বুলি গৌৰৱ আছে। প্ৰভা আকৌ প্ৰেম-প্ৰীতিৰ বুনিয়াদ, উচ্চাকাংশী। 'এনি কষ্ট নিজৰ মহত্বখিনি বজাই ৰাখিব খোজে। যাই হওঁক, কথা হ'ল, প্ৰভাক আনন্দিয়ে কোনেদৰে পৰিবেশন কৰিব । দোকানবোৰৰ বাহিৰে বাহিৰে দূৰৰ পৰাই দুই এখন কিতাপলৈ চকুদি গৈ থাকিল। গৈ গৈ অজান্তেই দুয়ো গৈ সেই আগৰ বঙালী কিতাপৰ দোকানত সোমায় পৰিল। আনন্দিৰ সতে অন্য বান্ধবী দেখি তেওঁৰ চিনাকি মানুহ জনে মাত লগালে - আপোনাক অলপ আগতে...............

— 'মই......' আনন্দিয়ে অলপ অপ্ৰস্তুত হৈ তেওঁৰ চকুলৈ চালে।

– অ' নাই, নাই আপুনি নহয়, চ'ৰিচ'ৰি বুলি মানুহ জনে ক্ষমা বিচাৰিলে ।

এৰা বহু জাতিক ইণ্টাৰনেচনেল কোম্পানীৰ ৰিপ্ৰেজেন্ট ঠিক ঠিক এনেধৰণৰ হোৱাই উচিত বুলি আনন্দিয়ে ভাবিলে। বাহিৰ ওলাওঁতেই প্ৰভাই সুধিলে - 'তুমি আগতে আজি আহিছিলা?

-নাই, তুমি ভুল বুজিছা ।

-নহয়, মানুহজনে যে কলে।

— সেই কাৰণেই ক্ষমা খুজিলে - নহয় জানো।

— ব'লা না অলপ কবি সন্মিলনীৰ ফাললৈ যাওঁ?

-ব’লা ।

আনন্দিৰ আঙুলিত ধৰি থকা হাতখন প্ৰভাই এৰি দি ভেনিতী বেগৰ পৰা সুন্দৰ গোন্ধৰ পাৰ্ ফিউম্ লগোৱা ৰুমাল এখন উলিয়াই গালে মুখে লাহে লাহে থপ্ থপ্ কৈ মাৰি মাৰি অলপ মুচি ললে, যাতে প্ৰসাধন এৰাই নেযায় । দুয়ো গৈ কবি সন্মিলনীৰ বহু পিচ ফালে ঠিয় দিলে। কেইজন মান কবিয়ে ষ্টেজত বহি বহি কথা পাতি আছে। এনেতে মাইকত এনাউনচ্ কৰিলে 'কবি সকল দহ পোন্ধৰ মিনিটৰ ভিতৰতেই আহি পাবহি , ৰাইজ অলপ ধৈৰ্য্য ধৰক । ’

-ইফালে দেখিলে আনন্দিয়ে , জানুই কোনো এজন সুন্দৰ ডেকাৰ ওচৰত বহি কান্ধত মূৰ থৈ কিবা কথা পাতি আছে। মনে মনে ভাবিলে আনন্দিয়ে তেওঁক জানুৱে দেখা নাইতো। নাই দেখা নিশ্চয় ! বিপদ শংকা কৰি আনন্দিয়ে প্ৰভাক লৰালৰিকৈ হাতত ধৰি টানি অলপ এন্ধাৰ আচতিয়ালৈ আনি ক'লে - প্ৰভা এওঁলোকৰ আৰম্ভ কৰোতে পলম হ'ব, যাওঁ ব’লা । অলপ ভাগৰো লাগিছে। - তোমাৰো নিশ্চয়?

- ইচ, হয়তো। তুমিটো বাহিৰে বাহিৰেই অফিচৰ পৰা। মই কিয় বৰ স্বাৰ্থপৰ হ'লো। তুমি নিশ্চয়..........

- নাই, নাই ব’লা বাহিৰতেই খাই লওঁ। ভাল লাগিব ।

দুয়ো বাহিৰ ওলাই আনন্দিয়ে সুধিলে -- এতিয়া কলৈ যাবা ? হাতত সময়ো কম আছে। তুমি বেয়া নেপালে মুনলাইটৰ পৰাই আহো ব’লা। পানবজাৰলৈ গলে আকৌ মানুহৰ ভীৰ। দুয়ো মুনলাইটৰ ফাললৈ আগবাঢ়িলে।

আনন্দিয়ে ভাবিছিল পানবজাৰ ফাললৈ যোৱা মানেই বিপদ, হঠাতে যদি মানুৱে কিবা কৰি দেখে .............সৰ্ব্বনাশ হ'ব। কমেও মানু আৰু প্ৰভাৰ চুলিয়া চুলি হোৱাৰ আশংকা । সেই কাৰণে পশ্চিমে নগৈ পূৱলৈয়েই গ’ল। অৰ্ডাৰ কৰিলে – এটা এগ্ চাও-চাও আৰু দুই কাপ কফি, দুই পিচ্ শ্লাইজ্ কেক্। প্ৰভালৈ চাই আনন্দিয়ে ক'লে – তুমি বেয়া নেপাবা দেই আজি অলপ হেভি লাঞ্চ খালো। ভোক লগা নাই। অলপ ভাগৰহে লাগিছে। তথাপিও তোমাৰ লগত খোৱাৰ বাবে শ্লাইজ কেক্ খুজিছো।

– হ'ব বাৰু।' আচলতে প্ৰভাই খায় বৰ পায়।

দুয়ো খাবলৈ বাহিৰ হৈ ইফালে সিফালে চাই প্ৰভাক ক'লে- ‘তোমাক বাছষ্টেগুত থৈ আহো ব’লা। আনন্দিয়ে লতাশিলৰ বাছষ্টেগুত থবলৈ গৈ অলপ ঠিয় হৈছিল। মানুহ নাই বুলিব পাৰি। প্ৰভাই এবাৰ আনন্দিৰ গলত হাতখন দি টানি আনি পট্কৈ চুপ্কৈ গালত এটা চুমা খাই দিলে।

-এই কোনোৱাই দেখিব।

-দেখক দিয়া। থানাখন ওচৰতে আছে। দুয়োকে থানাত ভৰাই দিব । সৰুকৈ খিল খিলকৈ হাঁহি দিলে। এনেতে বাছ আহি থামিল। প্ৰভাই বাছখনত বহি হাত জোকাৰি বাই বাই দিলে।

আনন্দিয়ে এক স্বস্তিৰ নিশ্বাস পেলালে। অলপ এতিয়া নিশ্চিন্ত যেন ভাবিলে। দীঘলী পুখুৰীৰ উত্তৰ পাৰেৰে দীঘল দীঘল কৈ খোজ পেলাই ভাবিলে - মানুক এতিয়া চণ্ডালা সিমান টান নহব। মানুটোৱে সদায় মোৰ কাষতেই থাকিবলৈ বিচাৰে। মুখখন বৰ মৰম লগা। হাঁহিলে আৰু ভাল লাগে। গাল দুখন অলপ মাজত সামান্য দোঁখাই যায়। এইবোৰ ভাবি আহোতেই প্ৰায় পাৰ্কৰ গেট পালেই। অলপ ঠিয় হৈ ৰৈ থাকি মানুলৈ চালে। কোনোবা এজনী, হয়তো বান্ধৱীৰ সতে কথা পাতি আছে। দূৰৰ পৰাই লক্ষ্য কৰিলে তেওঁলৈ চকু পৰেনে- নপৰে। তেতিয়া সাত বাজি দহ মিনিট হৈছে মাথোন। মানুৱে আনন্দিক দেখিলে কিন্তু, নেদেখা ভাৱতেই বান্ধৱীৰ সতে কথা পাতি থাকি, মেলা চাওঁ বুলি বান্ধৱীৰ পৰা বিদায় গৈ আতৰি আহিল। বান্ধৱী পানবজাৰ ফাললৈ গ'ল ।

-তুমি ইমান দেৰি কৰিলা - মানুৱে আনন্দিক চাই অলপ দূৰৰ পৰাই ক'লৈ।

-আহিছিলো ঠিকই কিন্তু চিটি বাছখনে ...........

-হ'ব হ'ব দিয়া ।

-ৰৈ আমনি পালা নেকি ?

- নিজকেই প্ৰশ্ন কৰা।

-চ'ৰি-চ'ৰি-প্লিজ ।

– মই বৰ 'বোৰ ফিল' কৰিছিলো, পিচে এইজনীক পাইহে কথা পাতি ভাল লাগিল।

- ৰক্ষা , ভাগ্য ভাল মোৰ। মোৰ আকৌ দেৰি হোৱা বুলি.................

- বুজিছো , চিন্তা নাই। – নোৱাৰো দিব মই সৰাৰে চেনেহ সনা বন্ধুৰ মৰম-বাণী 'সুন্দৰ' সুন্দৰ ! প্ৰতি বিন্দু জাগি আছ তোমাৰ লহৰে লহৰে মোৰেই অন্তৰ।

- আই – দেই – বুলি, আনন্দিয়ে মানুৰ হাতত ধৰি নিজৰ গাৰ ওচৰলৈ টানি আনিলে।

— ধেৎ কছ – কোনোবাই দেখিলে নিব 'খিচি' 'পাচপোৰ্ট'। লিখিব বাতৰি কাকতত কাইলৈ দীঘল হৰফিয়া 'ৰিপোৰ্ট' । লিখিব যুৱক-যুৱতী সন্ধিয়া ৰাজপথত। — প্ৰভাই কলে।

-আজি-কালি কবিতা তবিটা লিখিব ধৰিছা, নেকি ?

–-অ' -হুঁ – মই ! লিখিব লাগিব ৰ'বা। তুমি কবিতাৰ কথা কওঁতে মনত পৰিল। সেই যে নৱ বড়া। নৱ কটিয়া নিজকে এন, বি বুলি কৈ লৈছিল। মনত পৰিছে। কলেজৰ ক্লাচৰ বোৰ্ডত লিখিছিল – "সন্ধিয়া দেখিলো তাইৰ চকু দুটি নীলা, মূখখন ধুনীয়া লাওঁণী, দেহ সুঠাম শুৱনি। পুৱা উঠি তৰণীক দেখিলো, চকু দুটি ধেলা, মুখ দাগি থকা, বয়স ষাঠিৰ যৌৱনী। " দুয়ো খিল খিলকৈ হাঁহিলে।

সিহঁত দুয়ো বুকফেয়াৰৰ ভিতৰলৈ সোমাই পৰিল । মানুই চাদৰৰ আচলটো অলপ বেছিকৈ ওলোমাই দি আনন্দিৰ হাতখন নিজৰ হাতৰ ভিতৰত ললে আৰু আঙুলি বিলাকৰ মুৰবোৰ এটা এটাকৈ নিজৰ বুঢ়া আৰু তৰ্জ্জনী আঙুলিৰে টিপি টিপি মেলাত ঘুৰিবলৈ ধৰিলে। আনন্দিয়ে অনুমান কৰিলে আগতকৈ এতিয়া মানুহৰ ভীৰ কমিছে। এখন দোকানৰ আগত থিয় হৈ মানুই কলে – 'কবি মিলন - সন্মিলন এপাক চাই যাওঁ ব'লা? '

তেওঁৰ মুৰত শিল গুটি এটা পৰা যেন পালে। যদি জানু তাতে এতিয়াও আছে। আৰু যদি তিনিওৱে একেলগে দেখা দেখি হয় কমচে কম কাউৰ যুঁজটো হৈ যাব । ভাবি চিন্তি কলে—

— কবিতা মই আজিকালি বুজিয়েই নাপাও। তাতে বিজ্ঞানৰ ছাত্ৰহে আছিলো। তথাপিও তুমি ক'লা যেতিয়া ঠিক আছে ব'লা ।

- তুমি কিন্তু বৰ স্মাট্‌লি কথাখিনি কৈ দিলা। তোমাৰ কিবা অসুবিধা আছে যদি .......... ।

— অসুবিধা একো নাই। আচলতে নুবুজো। দূৰৈৰ পৰাই এপাক মাৰি আহো ব'লা এক মিনিট তুমি বেয়া নেপাবা দেই মাক এটা টেলিফোন কৰো - বুলি আনন্দিয়ে পকেটৰ পৰা মোবাইল টেলিফোন উলিয়াই নম্বৰ টিপি কলে - হে'লো মা! মোৰ অলপ ঘৰ পাওতে পলম হ'ব। নাই, নাই, ইমান ৰাতি নকৰো । এই ধৰা ন'টা বা চাৰে ন'টা। ও, কে মা। বাচ্ ব'লা এতিয়া।

-তুমি মাৰাক বৰ ভয় কৰা নেকি ?

— কৰিব লাগে কাৰণে কৰো । মোৰ মা হয় । তুমি তোমাৰ মাক নকৰা ?

ধেৎ মোৰ মা? - এতিয়া ছাগে কৰবাত পাৰ্টি বা অন্য জন কল্যাণ মিটিং তিটিঙত বক্তৃতাৰ ফুলজাৰি ফুটাইছে। দহটাৰ আগত কোনো দিনেই আহি নেপায় ।

- দেউতাৰাক মানে পাপক ভয় নকৰা নেকি ?

-অ' হুঁ । কেতিয়াবা মাৰ পিছত ঘৰ সোমালে, মাই মোক ধমক দিয়ে - গাভৰু ছোৱালী ইমান দেৰিকৈ ঘৰ সোমাই নেকি ? – দেউতাই লগে লগে পাতল পেলাই কয় - ওঁম শান্তি, ওঁম শান্তি বুলি কৈ মাক শুনাই - হেৰা ! ৰাধিকা ! যেইচা ৰাজ ৰামদিং তেইছা মন্ত্ৰী ......। মই গুছি যাওঁ আৰু দেউতাক কিবা এটা অজুহাত দেখুৱাই কওঁ। বচ্ । মাফ্ ।

- ইয়াৰ পৰাই শুনো! মানু তোমাৰ অসুবিধা হ'ব নেকি ? বহুত মানুহ। বহিবলৈ ঠাই নাইয়ে।

"এই খিনিলৈ আহা। ঠাইখিনি ওখ আৰু অলপ আছুতিয়াও।

ৰুমালখন উলিয়াই আনন্দিয়ে মুখখন ভালকৈ মচি ললে। মানুৱে বগা সৰু হাতত লোৱা বেগটো খুলি , নিজৰ বুকুৰ ওপৰত চাদৰখন অলপ গুচাই খুলি পাৰ্ ফুইম্, স্প্ৰে কৰি ললে ।

আনন্দিয়ে ইফালে সিফালে কৰি চাওঁতেই চকুত পৰিল জানুই উত্তৰ ফালৰ কোণত সেই আগৰ মানুহ জনৰ লগত গাত গা লগাই হাঁহি কথা পাতিয়েই আছে। আনফালে দেখিলে সেয়া দেখোন প্ৰভা অলপ আগত থিয় হৈ কোনোবা এজনৰ কান্ধত হাত দি গা লগাই কথা পাতি আছে – সৰ্ব্বনাশ। তেওঁ অৱস্থা বুজি ব্যৱস্থা কৰিবলৈ মানুলৈ চাই. কলে –

-মানু ! প্ৰায় আঠ বাজি গৈছে , মানুহ ওলাইছেই। আমিও ওলাই গৈ কৰবাত অলপ অলপ জলপান কৰি লওঁ ব'লা।

-ব'লা যাওঁ তেনেহলে। কফি হাউচলৈ যাওঁ ব'লা।

-ব'লা ।

-কফি খাই কফি হাউচৰ পৰা দুয়ো লাহে লাহে কথা পাতি ওলাই আহিল। ৰাষ্টাৰ মূখতে মানুই অনুনয়ৰ সুৰত কলে –'ডোট মাইন প্লিজ।' মোক নিবলৈ আংকলক পঠাইছে, হয়তো ঘৰত আলহী আহিছে । — আংকল? বাই – চি ইউ।' বুলি গাড়ীত উঠি মানু গ'ল গৈ। আনন্দিয়ে কি ভাবিলে বা কি বুজিলে মানুৰ কোন বাপেকৰ বা মাকৰ ভায়েক আংকল মানে খুড়া - মামা ইত্যাদি।

তেওঁ দীঘলকৈ উশাহ টানি লাহে লাহে এৰি দিলে। ছিটি বাছ ষ্টেওুৰ ফালে চাব ধৰিলে। বহিবলৈ চিটো পালে। ভাবিলে জীৱনৰ মধুৰতম দিন এই কেইটাই । অৰুণ প্ৰেম-প্ৰীতি আৰু অলপ ভালপোৱাই কিমান আনন্দ-বিনন্দ। এই মধুৰতম দিনত পুৰুষ আহিয়েই আছে গৈয়েই আছে যি দৰে বতৰত ধুমুহা আহে এজাকৰ পিচত আন জাক। চক্ৰাকাৰ পৰিৱেশ, আবেশ আৰু আবেগ পৰিবৰ্ত্তন। চিটিবাছ চলিল।

এজনী ছোৱালী তেওঁৰ আগৰ চিটটোৰ ওচৰতে থিয় হৈ আছিল। চিটত বহি থকা ভদ্ৰলোক জনে ছোৱালী জনীলৈ এবাৰ চালে। সাধাৰণ সাজপাৰ। সিমান পৰিষ্কাৰো নাছিল। ভদ্ৰলোক জনে লগালে -

- 'তনু তুমি !

-অফিচৰ পৰা ওলাওঁতেই বহুত দেৰি হয়। কোম্পানীতো চাৰ ।

- আহা! আহা বহাহি ইয়াতেই মই অলপ আগতেই নামিম।

- নাই, বহক চাৰ । আপুনি উঠিলে বহিম।

- তুমি ভাগৰত আহিছা নহয়, আহা ।

ভদ্ৰলোক জনে উঠি ছোৱালী জনীক বহিব দিলে। ছোৱালী জনীয়ে এটি ক্ষীণ হাঁহি মাৰিলে আৰু চিটত বহিল। আৰু মুখ খনত সহায়ৰ আভা বিৰিঙি পৰিছিল। যদিও হাঁহিটো ক্ষীণ আৰু

অম্লান আছিল । ভদ্রলোক জনেও এটি তৃপ্তিৰ হাঁহিৰে ছোৱালী জনীক কলে – 'তুমি যাবাগৈ মই লাহে ওলাওঁ।'

- 'বাৰু' বুলি ছোৱালী জনীয়ে সহাৰি দি, দি তৃপ্তিত মিচিকি হাঁহিলে, সেই হাঁহি দেখি আনন্দিৰ বুকুখনত কিহবাৰ অভাৱ অনুভৱ কৰিলে । শতিকালৈ ধিক্কাৰ উপজিছিল। অজান্টে আনন্দিয়ে হাত খন বুকুত হেচুকি ধৰি ভাবিলে – এতিয়াও যন্ত্ৰৰ যুগটোত বাচি আছে স্বৰ্গীয় অমৃত জীৱন সুধা। হয়তো থাকিবও। যুগভ্ৰান্তত এই হাঁহিৰ কিমান দাম ? আৰু কিমান দিনলৈ.............. ??

# জীৱন যাত্ৰাৰ দোকমোকালিতে

লেখকৰ পৰিচয় :

শ্ৰী পংকজ কুমাৰ দাস, বুৰঞ্জী বিষয়ৰ এম-এ। গুৱাহাটীৰ মুখ্য ডাকঘৰত কাম কৰে। জন্মস্থান - চনমাগুৰী (কামৰূপ) ইতিমধ্যে পল্লৱীত 'মালঞ্চ' নামৰ কবিতা পুথি এখন প্ৰকাশ পাইছে। বহুতো চিন্তা গধুৰ প্ৰৱন্ধ বিভিন্ন বাতৰি, আৰু আলোচনীত প্ৰকাশ পাইছে । ভালেমান গল্প আৰু এখন উপন্যাস অলপতে লিখি শেষ কৰিছে। বৰ্তমান তেওঁ গুৱাহাটী বাসী।

অৱশেষত আঁহতগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ইংৰাজী বিষয় শিক্ষকৰ চাকৰিটো পালোঁ। অৱশ্যে চাকৰিটো পাম বুলি মুঠেই ভবা নাছিলোঁ। কিয়নো আজি কালি যিকোনো নিযুক্তিৰ ক্ষেত্ৰতে লোকেল বুলি অতিৰিক্ত অৰ্হতাৰ খুবেই প্ৰয়োজন হৈ পৰিছে। অন্য যোগ্যতা থাকক বা নাথাকক, সেইটো ডাঙৰ কথা নহয় । লোকেল কিন্তু হ'বই লাগিব। সেয়েহে চাকৰিৰ

আশা প্ৰায় এৰিয়ে দিছিলো। কিন্তু, হঠাতে এদিন মোৰ দাদাৰ সহপাঠী বন্ধু দিগন্ত দাই বাতৰি কাকতত দিয়া বিজ্ঞাপনটো দি মোক আবেদন কৰিবলৈ ক'লে। দিগন্ত দাৰ কথা মতে মই আবেদন কৰিলো আৰু এদিন নিৰ্দ্ধাৰিত দিনত গৈ মৌখিক সাক্ষাৎকাৰো দি আহিলোঁ। আজি এইমাত্ৰ পোষ্টমেন জনে দি গ'ল নিযুক্তি পত্ৰখন। নিযুক্তি পত্ৰখন পাই মোৰ আনন্দ লাগিল। দিগন্ত দাৰ প্ৰতি চিৰদিনেই যেন কৃতজ্ঞ হৈ ৰ'ম, মোৰ তেনে লাগিল।

দিগন্ত দা বৰ্ত্তমান মই পঢ়া স্কুলখনতে সহকাৰী শিক্ষক। পঢ়ি থকা সময়তো যিকোনো সমস্যাৰ সন্মুখীন হ'লেই দিগন্ত দাৰ ওচৰলৈ গৈছিলোঁ। আনকি কলেজত পঢ়ি থকা সময়তো সময় সুবিধা পালে দিগন্ত দা আৰু নবৌ বিভাৰ সান্নিধ্য বিচাৰি তেওঁ লোকৰ ওচৰলৈ গৈছিলোঁ। জীৱনৰ সকলো সুখ-দুখৰ ক্ষেত্ৰতে দিগন্ত দা আৰু বিভা নবৌয়ে দিয়া উৎসাহজনক উপদেশ মই কেতিয়াও পাহৰিব নোৱাৰোঁ। তেজৰ সম্বন্ধ নাথাকিলেও যে আত্মিক সম্বন্ধ গঢ়ি উঠিব পাৰে সেইয়া দিগন্ত দা আৰু বিভা নবৌৰ মোৰ আৰু মোৰ পৰিয়ালৰ প্ৰতি থকা হিতকাঙ্খী মনো ভাবেই প্ৰমাণ কৰিছে। সেয়েহে, নিযুক্তি পত্ৰখন পাই মই এক প্ৰকাৰ আনন্দত অধীৰ হৈয়ে দিগন্ত দাৰ ঘৰ পাইছিলোঁ। দিগন্ত দাই তেতিয়া তেওঁৰ কোঠাত বছৰেকীয়া পৰীক্ষাৰ বহী চাই আছিল। মোক দেখি দিগন্ত দাই মুখত এমোকোৰা হাঁহিৰে ক'লে—

-'অ, প্ৰশান্ত। আহা, ভিতৰলৈ সোমাই আহা ।'

মই নিৰৱে ভিতৰলৈ সোমাই গ'লোঁ। ওচৰতে থকা বিচনাখনত বহিলোঁ।

-'কোৱাছোন কি খবৰ ? চাকৰি বাকৰিৰ কিবা খবৰ পাইছা নেকি ?'

মোৰ পিনে লক্ষ্য কৰি দিগন্ত দাই সুধিলে। দিগন্ত দাৰ প্ৰশ্নত মই আচৰিত হ'লো। দিগন্ত দাই বাৰু জানিলে কেনেকৈ? মনতে ভাবিলোঁ, নাজানিবই বা কিয়? দিগন্ত দাই মোৰ কৰ্ম্ম সংস্থানৰ কাৰণে প্ৰত্যক্ষ ভাবে কিবা কৰিব পাৰিছে নে নাই সেইটো মই ক'ব নোৱাৰো। কিন্তু মোৰ আৰু মোৰ পৰিয়ালটোৰ কথা তেওঁ খুবেই চিন্তা কৰে।

- দিগন্ত দা, সিদিনাখন যে আঁহতগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সাক্ষাৎকাৰ দি আহিছিলোঁ , এইয়া চোৱা নিযুক্তি, পত্ৰখন আজি এইমাত্ৰ পালোঁ।' হাতত থকা নিযুক্তি পত্ৰখন মই দিগন্ত দাৰ হাতত দিলো। দিগন্ত দাই হাত মেলি নিযুক্তি পত্ৰখন লৈ ক'লে -

- উহঃ, ভগৱানে ভাল ৰক্ষা কৰিলে দে তোমাক। চৰকাৰী চাকৰিৰ বয়স প্ৰায় উকলিবৰো হৈছে তোমাৰ, নহয় জানো দিগন্ত ?'

'এৰা , দিগন্ত দা। বয়স প্ৰায় উকলিবৰ হৈছে। মইতো এক প্ৰকাৰ আশা এৰিয়েই দিছিলো। তোমাৰ কাৰণেহে আজি চাকৰিটো পালোঁ । তোমাক কি বুলি ধন্যবাদ জনাম দিগন্ত দা, মই ভাবিবই পৰা নাই।' মোৰ চকুত চকুলো ওলাইছিল, হয়তো আনন্দৰ।

- ছিঃ প্ৰশান্ত, কিয় তেনেকুৱা কৰিছা? চাকৰি পাইছা, ভালেই হৈছে। এতিয়া সোনোকালে গৈ জইন্দ কৰাৰ চিন্তা কৰা। চাকৰি বাকৰি এই বিলাক সকলো ভাগ্যৰ কথা, বুজিছানে? বাৰু এতিয়া কোৱাছোন, কেতিয়া জইন্দ কৰিম বুলি ভাবিছা ? দিগন্ত দাই মোক ক'লে।

- দেৰি কৰিবৰ মোৰ ইচ্ছা নাই।'

'তুমি ঠিকেই কৈছা, যিমান সোনকালে পাৰা জইন্দ কৰাই ভাল।' তেনেতে পৰ্দাখন আতঁৰাই বিভা নবৌ ভিতৰলৈ সোমাই আহিল। মোক দেখি তেওঁ হাঁহি মাৰি কলে, –'অ' প্ৰশান্ত, কেতিয়া আহিলা ?

-দহ মিনিটমান হ'ল। ভাল নে তোমাৰ ?

- 'এহ, আছো আৰু'। আমাৰনো আৰু ভাল হ'বলৈ কিটো আছে। ল'ৰা-ছোৱালী, পাক ঘৰ আৰু দিগন্তক লৈয়ে আছো আৰু কোনো মতে চলি। নে কি কোৱা দিগন্ত ?' উদ্দেশ্য কৰি বিভা নবৌয়ে ক'লে।

- 'ৰ'বাছোন, ৰ'বা, প্ৰশান্তৰ খবৰ পাইছা নে নাই?'

- 'কি খবৰ প্ৰশান্ত, কোৱাচোন কোৱা। '

উৎকণ্ঠা প্ৰকাশ কৰি বিভা নবৌয়ে মোক সুধিলে।

-' মানে নবৌ, আঁহতগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চাকৰিটো পালো নহয়। '

- 'বাহঃ প্ৰশান্ত, ইমান ভাল খবৰ লৈ আহিছা, অথচ ইমান সময়ে মোক কোৱা নাই। মই তোমাক বেয়া পাইছোঁ যোৱা ।

-'খং নকৰিবাছোন নবৌ। মইতো ইয়াতেই আছোঁ। বাহঃ প্ৰশান্ত, তুমি বৰ ভাগ্যবান দে। পিছে চাকৰি পাই আমাক কিন্তু পাহৰি নাযাবা।'

-'নবৌৰো যে কথা। শুনা নবৌ, দিগন্ত দা আৰু তোমাক পাহৰি যোৱাৰ কথা আহিবই নোৱাৰে ।'

-'হ'ব হ'ব আৰু কব নালাগে। মই সকলো বুজিছোঁ। এহ, মইয়ো যে আৰু। তোমালোক বহা দে। মই চাহ-জলপানৰ ব্যৱস্থা কৰোঁ।" বিভা নবৌ, ভিতৰলৈ সোমাই গ'ল।

ভাল এতি দিন বাৰ চাই দিগন্ত দা আৰু বিভা নবৌৰ আশীৰ্ব্বাদ লৈ মই এদিন আঁহতগুৰিলৈ যাত্ৰা কৰিলোঁ। ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা সোমাই যোৱা ৰাস্তাটোৰে দহ কিলোমিটাৰমান গৈ এটা তিনিআলিত মই গাড়ীৰ পৰা নামিলো। সময় তেতিয়া তিনি বাজি গৈছে। ৰাস্তাত মানুহ বেছি নাই। তিনিআলিটোত কেইখনমান পান-তামোল, গেলামালৰ দোকানৰ ওপৰিও চাহৰ দোকানো এখন আছিল । চাহ একাপ খোৱাৰ ইচ্ছাৰে চাহৰ দোকানখনলৈ আগবাঢ়ি গলোঁ । অচিনাকী হাতত এটা ডাঙৰ ছুটকেছ লৈ উপস্থিত হোৱা কাৰণে দোকান কেইখনৰ ওচৰে পাজৰে থকা দুই এজন মানুহে মোক বিশেষ ধৰণে চালে। হয়তো মোৰ উপস্থিতিয়ে সিহঁতক আচৰিত কৰি তুলিছে। ইমান পিছপৰা ঠাইত হঠাতে কোনোবা আহিলে হয়তো এনেকুৱা হয়েই। মই গৈ চাহৰ দোকানখনত বহিলোঁ। চাহ কাপ খাই উঠি পইচা দিবৰ সময়ত দোকানীজনক মোৰ ঠিকনাটো দিলোঁ। তেওঁ মোক ভালদৰে লক্ষ্য কৰিলে। আহিবৰ

সময়ত দিগন্ত দাই মোৰ হাতত চিঠি এখন দিছিল। তেওঁৰ কলেজৰ বন্ধু এজনৰ ঘৰ হেনো ইয়াতে আৰু এইখন স্কুলতে শিক্ষকতাও কৰে। মই চিঠিখনত থকা নামটো দোকানীজনক কোৱাত তেওঁৰ মুখত হাঁহি ওলাল।

তেওঁ কলে, 'অ, হয় নেকি ? আপুনি তেনেহ'লে আমাৰ মহেন্দ্ৰ মাষ্টাৰৰ ঘৰলৈ যাব ? আপুনি আমাৰ ইয়াত একনো চিন্তা কৰিব নালাগে। '

-'স্কুলখন বাৰু ইয়াৰ পৰা কিমান দূৰ হ'ব ? মহেন্দ্ৰ বৰুৱাৰ ঘৰ স্কুলৰ ওচৰতে নে? ' মই তেখেতক সুধিলোঁ।

'ইয়াৰ পৰা ডেৰ কিলোমিটাৰমান গ'লে স্কুলখন পাব। মহেন্দ্ৰ বৰুৱাৰ ঘৰলৈ স্কুলৰ পৰা বেছি যাব নালাগে। স্কুলখন এৰি এক ফাৰ্লংমান আগুৱাই গ'লেই মহেন্দ্ৰ বৰুৱাৰ ঘৰ পায়। গতিকে ডেৰ কিলোমিটাৰতকৈ অকণমানহে বেছি হ'ব। তথাপি ডেৰ কিলোমিটাৰ বুলিয়েই ধৰিব পাৰি ।

- 'হয় নেকি ?' মই উত্তৰ দিলোঁ।

— 'ইয়াত বাৰু ৰিক্সা পোৱা নাযায় নেকি?'

- 'ইয়াত আকৌ আমাৰ ৰিক্সা ক'ত পাব ? সাধাৰণতে এই খিনি বাট বৰ বেছি দূৰ নহয়। প্ৰায় ভাগ মানুহে খোজ কাঢ়িয়ে আহা যোৱা কৰে। কিছুমানে চাইকেলেৰেও অহা যোৱা কৰে।

মই মনতে তাৰিলোঁ। ডেৰ কিলোমিটাৰ দূৰত্ব খোজ কাঢ়ি যাব লাগিব। তাতে আকৌ এই চুটকেছটো। ছিঃ এনেকুৱা ঠাইতনো চাকৰি কৰিব পাৰিনে?

মোৰ মনৰ ভাব হয়তো দোকানীজনে বুজিব পাৰিলে। তেওঁ মোক ক'লে – 'আপুনি অকণমান সময় বহকচোন। সেই পিনৰ পৰা কোনোবা আহে নেকি ?'

এনেতে দেখিলো, এজন ১৫/১৬ বছৰীয়া ল'ৰাই চাইকেলত উঠি আহি আছে। দূৰত ল'ৰাজনক দেখি মোৰ ভাল লাগিল । ল'ৰাজন আহি তিনিআলিটো পালে। ল'ৰাজনক দোকানীজনে হাত বাউল দি মাতিলে। ল'ৰাজনে চাহৰ দোকানৰ কাষতে চাইকেলখন ৰখালে। তেনেতে দোকানীজনে ক'লে – 'হেৰ কমল,তই এখেতক লগত লৈ যাবি। এখেত মহেন্দ্ৰ বৰুৱাৰ ঘৰলৈ । পাৰিবি নহয় ?'

অ' পাৰিম। ল'ৰাজনে উত্তৰ দিলে। সি চাইকেলত লৈ অহা মোনাখন লৈ ওচৰতে থকা গেলামালৰ দোকানখনলৈ গ'ল ক্ষন্তেক পিচতে ঘূৰি আহি পুনৰ মোনাখন চাইকেলখনৰ আগত বান্ধিলে। সি মোৰ পিনে আচৰিত ভাবে চালে। সি মোৰ চুটকেছ তুলিবলৈ ধৰোতে মই তাক বাধা দিলোঁ।

- 'হ'ব ছ'ব, মইয়ে উঠাই দিওঁ, ৰ'বাচোন ভাইটি।' চুটকেছটো মই চাইকেলৰ কেৰিয়াৰত উঠাই দিলোঁ।

-'পৰিব নেকি বাৰু ?'

- 'নাই, নাই, নপৰে।' কমলে উত্তৰ দিলে।

'আহক এতিয়া, আমি গৈ থাকো।' কমলে চাইকেলখন ঠেলিবলৈ ললে। মই দোকানীজনৰ পিনে চালোঁ। তেওঁৰ মুখত এক সন্তুষ্টিৰ হাঁহি দেখিবলৈ পালোঁ। হয়তো মোৰ বাবে আহি পৰা সমস্যাটো তেওঁৰ দ্বাৰা সমাধান হোৱাত তেওঁৰ যুদ্ধ জয়ৰ পিচত পোৱা আনন্দৰ দৰে লাগিছে।

— 'তেনেহ'লে আহো, পিচত লগ পামেই।'

-'ভাল বাৰু।' মানুহজনে হাঁহি মাৰি মোক বিদায় দিলে। মই কমলৰ লগত আগবাঢ়িলোঁ ।

পি. ডব্লিও. ডি. ৰাস্তাটোৰ পৰা আঁহতগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু আঁহতগুৰি গাৱঁলৈ যোৱা এইটোৱেই একমাত্ৰ ৰাস্তা। এই ৰাস্তাটোৱে গাড়ী-মটৰ অহা যোৱা কৰাৰ কোনো চিন নাই। গাৱঁলীয়া ৰাস্তা। মানুহ অহা যোৱা কৰাৰ কাৰণে সেউজীয়া বনৰে আবৃত ৰাস্তাটোৰ সোমাজেৰে এটা সৰু বাটৰ সৃষ্টি হৈছে। এই বাটটোৰে চাইকেলখন গৈ আছে। চাইকেলৰ পিছৰ কেৰিয়াৰত দিয়া মোৰ চুটকেছটোত হাত এখন দিময়ো পিছে পিছে গৈ আছোঁ।

- 'তোমাৰ দেউতাৰ নাম কি ভাইটি?'

- 'যদু ৰাম বৰুৱা।'

-'তুমি কোন শ্ৰেণীত পঢ়ি আছা ?'

- 'একাদশ শ্ৰেণীত।'

-'কলা নে বিজ্ঞানত ? '

-'কলা শাখাত। কিয়নো আমাৰ স্কুলত বিজ্ঞান শাখা নাই।'

- 'হয় নেকি।'

মই সোধা প্ৰশ্ন উত্তৰ বিলাক কমলে দি গৈছিল। আমি দুয়ো আগবাঢ়ি গৈ আছোঁ। ৰাস্তাটোৰ দুয়োকাষে বিস্তীৰ্ণ ধাননি পথাৰ। সম্ভৱত, ইয়াত ধান খেতি বৰ ভাল হয়। ডিচেম্বৰ মাহৰ আয় শেষ হওঁ হওঁ হৈছে। ইতিমধ্যে পথাৰৰ লখিমী চপোৱা হৈছে। পথাৰত দেখিবলৈ পোৱা ধানগছৰ অৱশিষ্ট অংশইয়ো এক অনাবিল সৌন্দৰ্য বৰ্দ্ধন কৰিছে। ভাবিলে আচৰিত লাগে মোৰ। শাওণ মহীয়া বতৰত ৰোৱনী বিলাকে ৰোৱা ৰোবলৈ লোৱা দৃশ্য, কাতি মহীয়া বিহুৰ সময়ত চিৰসেউজ দলিছাৰ দৰে বিস্তৃত হৈ থকা ধাননি, আঘোণ মাহত পকাধানবোৰ পৱনৰ মৃদু জোকৰণিত হালি জালি থকা দৃশ্য আৰু পুহ মাহত ধান চপাবলৈ পোৱা দৃশ্য, এই সকলো বোৰেই যেন শস্য শ্যামলা চিৰসেউজ অসমী আইৰ শোভা বৰ্দ্ধনৰ চিৰপ্ৰবাহিত কাৰক । সৌন্দৰ্যৰ যেন শেষ নাই এই চিৰসেউজ কাৰক ।

প্ৰায় আধা ঘণ্টা মান সময় অতিক্ৰম কৰিলোঁ। পাছে পাছে আন্ধাৰ হোৱাৰ উপক্ৰম হৈ পৰিছে। সূৰ্য্যটো পশ্চিম আকাশত এটা ৰঙা কুহুমৰ দৰে শূন্যতে যেন ওপমি আছে। ক্ষতেক

পিচতে আন্ধাৰে সমগ্ৰ পৃথিৱীখনকে আন্ধাৰৰ কলা আৱৰণখনেৰে আৱৰি ধৰিব। নীল দিগন্তত দেখিবলৈ পোৱা গৈছে জাক জাক সৰু-বৰ পক্ষী। হয়তো সিহঁত নিজৰ নিজৰ বাহলৈ ধাবমান হৈছে । গৰখীয়া ল'ৰাবোৰৰ বাঁহীৰ মৃদু মধুৰ সুৰে মোক পুলকিত কৰি তুলিলে। আমি গৈ আঁহতগুৰি উচ্চ মাধ্যমিক বিদ্যালয় ওচৰ পালোগৈ। স্কুলৰ নিচেই ওচৰ পাওঁতেই কমলে কলে ।

-'এই খনেই আমাৰ স্কুল।'

— 'হয় নেকি? মই উত্তৰ দিলো। '

আন্ধাৰ হৈ আহিছে যদিও স্কুলখনৰ চাৰিসীমাটো দেখাত মোৰ অসুবিধা নহ'ল। কিন্তু আন্ধাৰৰ কাৰণে চাইন বোৰ্ডত থকা নামটোহে ধৰিব পৰা নগ'ল।

-'ইয়াৰ পৰা আৰু অকণমান গলেই মহেন্দ্ৰ খুড়াৰ ঘৰ পাম । 'কমলে মোক উদ্দেশ্য কৰি কলে। গধূলি হোৱাৰ লগে লগে গোহালীৰ গৰু-ম'হক মহ, দাহ আদিৰ পৰা ৰক্ষা কৰিবলৈ দিয়া ধোৱাৰ গোন্ধ মোৰ নাকত লাগিলহি । চিনাকি চিনাকি গোন্ধই মোক নিজৰ ঘৰখনলৈ মনত পেলাই দিলে। আমি এটা সময়ত এঘৰ মানুহৰ পদূলি মূখ পালোগৈ। কমলে পদূলি মুখত থকা বাঁহৰ শলখা যোৰ গুছাই চাইকেলখন ঠেলি ভিতৰলৈ সোমাই গ'ল। মইয়ো তাৰ পিছে পিছে আগবাঢ়ি গলো। চাইলেখন ষ্টেন্দ কৰি চুটকেছটো নমাই বাৰাণ্ডাত থলে আৰু মোকো বাৰাণ্ডাত থকা চকী এখনতে বহিবলৈ দি সি ভিতৰত থকা খুড়াকক মাতিলে।

-'খুড়া, অ' খুড়া, তোমালোকৰ আলহী আহিছে।' মাত শুনি এজন প্ৰায় ৪০/৪২ বছৰীয়া স্বাস্থ্যবান মানুহ ওলাই আহিল। লগত এজন ১০ বছৰ মানৰ ল'ৰা আৰু এজনী ৪/৫ বছৰীয়া ছোৱালী।

-'অ, কমল । '

তাৰ পিচত মোৰ পিনে দৃষ্টি ৰাখি কলে।

-'আপোনাক মই ঠিক ধৰিব পৰা নাই?'

- 'আপুনি বাৰু মহেন্দ্ৰ বৰুৱা নহয় নে ?'

-'এৰা, মোৰ নামেই মহেন্দ্ৰ বৰুৱা ।'

মই ওপৰৰ পকেটৰ পৰা দিগন্তদাই দিয়া চিঠিখন উলিয়াই তেওঁলৈ আগবঢ়াই দিলো । এই চিঠিখন দিগন্তদাই মানে দিগন্ত চৌধুৰীয়ে দিছে।

দিগন্তদাৰ নামটো শুনি বৰুৱাক আনন্দিত হোৱা যেন অনুমান হ'ল ।

মোৰ হাতৰ পৰা চিঠিখন লৈ মোক কলে –

'আহক, ভিতৰলৈকে আহক ?'

মই লগেই লগেই কলো – ‘দাদা, আপুনি মোক তুমি বুলি মাতিলেই ভাল পাম। ’

-‘এহ, হ'ব, হ'ব। ’

মই তেওঁৰ লগত ড্ৰয়িং ৰুমলৈ সোমাই গ'লো। আমাৰ পিচে পিচে কমলে মোৰ চুটকেছটো লৈ সোমাই গৈ এটা চুকত থৈ দিলে। মই চকী এখনত বহিলোঁ।

মহেন্দ্ৰ বৰুৱাই একে উশাহতে চিঠিখন পঢ়ি শেষ কৰিলে তাৰ পিচত কমলৰ পিনে চাই তাক কলে – 'অ, কমল। এইয়া তহঁতৰ ইংৰাজীৰ নতুন ছাৰ, প্ৰশান্ত চৌধুৰী।’

কমলে আচৰিত হৈ দুই হাত তুলি মোক নমস্কাৰ জনালে আৰু কলে – 'ছাৰ আপুনি ……। -হ'ব, হ'ব। তোমাক মই আগতে ক'ব পাৰিলোহেঁতেন, কিন্তু নকলো। ’

মই কমলক মোৰ ওচৰলৈ মাতি আনি ওচৰতে বহিবলৈ কলো। ইতিমধ্যে বৰুৱাৰ শ্ৰীমতী ল’ৰা-ছোৱালী হালক লৈ আমাৰ ওচৰলৈ আহিল। বৰুৱাই শ্ৰীমতীৰ লগত চিনাকি কৰি দিলে। মই নমস্কাৰ দিলো। ল'ৰা-ছোৱালী হাল বৰ মৰম লগা । মই সিহঁতক মোৰ ওচৰলৈ মাতি আনিলোঁ। মোৰ চুটকেছটো খুলি সিহতলৈ অনা মিঠাইৰ টোপোলাটো দিলোঁ। দিগন্তদাই আগতে বৰুৱাৰ ল'ৰা ছোৱালী হালৰ কথা মোক কৈছিল। সেয়েহে মই কেইটামান মিঠাই লগত লৈ গৈছিলোঁ। কথাৰ মাজতে মই মহেন্দ্ৰ দাক মোৰ থকাৰ ব্যৱস্থাৰ কথাও কলো।

- ‘হ'ব হ'ব, সেই বিষয়ে চিন্তা কৰিব নালাগে।’

এতিয়া কাপোৰ কানি সলাই মুখ-হাত ধুই লোৱা। মই কাপোৰ কানি সলাই মহেন্দ্ৰদাৰ লগত পিচপিনে থকা টিউবেলৰ ওচৰলৈ গৈ মুখ হাত ধুই আহি পুনৰ দ্ৰয়িং ৰুমতে বহিলোঁ। ইতিমধ্যে মহেন্দ্ৰ দাৰ পত্নী শ্ৰীমতী স্বৰ্ণলতা নবৌৱে চাহ লৈ আহিল।

মোৰ পিনে চাহ আগবঢ়াই নবৌৱে কলে – 'চাহ খোৱা । মোক বৌ বুলিয়েই মাতিবা।' মইয়ো সন্মতি জনাই কলো – ‘হ'ব।’

দিগন্তদাৰ নবৌ ৰিতা আৰু মহেন্দ্ৰদাৰ নবৌ স্বৰ্ণলতা। এই দুয়োজনী মানুহৰ কিযে আঁচৰিত সাদৃশ্য আছে। মই মনতে ভাবিলো চাহ খোৱাৰ মাজতে মহেন্দ্ৰদাই কলে।

-‘আমাৰ ইয়াত থাকিলে তোমাৰ কিবা অসুবিধা হ'ব নেকি ?’ ’

- নাই, নাই, কিনো অসুবিধা হ'ব ? মই ভালহে পাম।’

- 'তেনেহ'লে তোমাৰ থকাৰ ব্যৱস্থা হৈ গ'ল। ’

- ‘স্বৰ্ণ' মোৱা, সোনকালে খোৱাৰ ব্যৱস্থাৰ ব্যৱস্থা কৰাগৈ। এওঁৰ হয়তো ভোক লাগিছে। সোনকালে খোৱা বোৱা কৰি লোৱাই ভাল হ'ব।

মহেন্দ্ৰই নিজৰ পত্নীক উদ্দেশ্য কৰি কলে।

স্বৰ্ণ নবৌ ল'ৰা-ছোৱালী দুটাক লৈ ওলাই গ'ল। ৰাতি ন-মান বজাত আমি আটায়ে ভাত-পানী খাই সকলোৱে মিলি ইটো সিটো কথা পাতি শুই থাকিলো।

দিনত গাড়ীত অহা ভাগৰৰ লগে লগে ডেৰ কিলোমিটাৰ বাট খোজকাঢ়ি অহা ভাগৰৰ কাৰণে ৰাতিপুৱা উঠাত কিছু দেৰি হ'ল। তথাপি তাৰা তাৰি গা-পা ধুই মহেন্দ্ৰদাৰ লগত ভাত খাই স্কুললৈ বুলি ওলাই গলো। বহুদিনৰ আকাঙ্খিত উদ্দেশ্য সফল হোৱাৰ আনন্দত মোৰ মনটো নাচি উঠিল। কৰ্ম জীৱনৰ পাতনি মেলিবলৈ পোৱাৰ আনন্দ আৰু কৰ্মক্ষেত্ৰতো জন্মস্থানৰ দৰে হিত কাঙ্খী এহাল দম্পতিৰ সান্নিধ্য পোৱাত মই নিজকে ভাগ্যবান বুলি ভাবিবলৈ ধৰিলোঁ।

# চিতাগ্নি

**শ্ৰীপ্ৰদীপ কুমাৰ চৌধুৰী**

লেখকঃ শ্ৰীপ্ৰদীপ কুমাৰ চৌধুৰী জন্ম ১৯৬৩ চনত পাঠশালাৰ ওচৰত থকা বনগাওঁ নামৰ গাৱঁত। শিক্ষক। "জালচক্ৰ" নামৰ উপন্যাস এখন লিখি ৰাইজৰ ভূয়সী প্ৰশংসা লাভ কৰিছে। তেওঁৰ হাতে লিখা নাটক, গল্প পুথি আৰু ভালেমান গীতি কবিতাও ৰচনা কৰিছে।

এক দুঃস্বপ্নৰ সন্ধিক্ষণৰ অন্তৰ্হনত বেদান্তই ভূগিছে। ভাগৰি জুগৰি আহি শিলচটাৰ ওপৰতে বহি সময়বোৰ পাৰ কৰি দিছে। এক নিৰ্জন নিঃশব্দৰ মাজত শিলচটা অৱস্থিত। কাষেৰে সৰু নিজৰাটো বৈ গৈছে। তাৰ পাৰে পাৰে এটি লুংলুঙীয়া আলি। আলিটোক মাজে মাজে ঢাকি ৰাখিছে, তাৰ দুয়োপাৰে বাঢ়ি অহা পানী কলমৌ বোৰে। মাজে মাজে দুই এডাল শিমলু মদাৰৰ গছ। দুই এজোপা বনৰীয়া লতিকাই তাৰ গাটো মেৰিয়াই আকাশৰ তৰা চুবলৈ ঢাপলি মেলিছে। ছালবোৰৰ পৰা ফাটি যোৱা দুই এডাল পুৰণি

কাঁইটে আলিটোৰ ওপৰতে চিকাৰ ধৰো বুলি খাপ পাতি আছে। বেদান্তৰ দেহৰ অৱস্থা চাব নোৱাৰা হৈছে। আজি তিনি দিন ধৰি তাৰ কষ্টৰ সীমা নাই। পেটত ভাত নাই। চকুত টোপনি নাই আৰু দেহটোৰ বাবে এখন শয়ন শৰ্য্যা নাই । যতে সোমাই পৰে, ততে দিনটোৰ বাবে বন্দী হৈ পৰে। নিদ্ৰাবিহীন ভাবে ঢাপলি মেলি লুংলুঙীয়া আলিটোৰে দৌৰি দৌৰি আহি শিল চটা পাইছে। শিল চটা দেখিয়ে সি অকণমান বিশ্ৰামৰ অনুভৱ কৰিছে। চাৰ্টটোৰ বুটাম দুটা নাই। মাজে মাজে দুই এটি ফুটা। পেণ্টৰো অৱস্থা তথৈবচ । মডাৰ, শিমলু গছৰ কাঁইটৰ গাত লাগি পেণ্টও দুই এটি উখহাৰ দাগ হৈছে। দুপৰ নিশাৰ পৰা দৌৰি দৌৰি আহি ভাস্কৰ উদিতৰ আগতে সি এইখিনি পাইছে। জোতাৰ তলত মদাৰৰ কাঁইট বহুত সোমাইছে। পেন্টটো ফাটিছে। চাৰ্টটোৰ বুটাম চিঙিছে। কাঁইটবোৰ সি এডাল এডালকৈ এৰুৱাই নিজৰাৰ কুলু কুলু তৰঙ্গঁত পেলাই দি আছে। অসহ্য ভাগৰুৱা আৰু পেটৰ অগনিৰ যন্ত্ৰনাত বেদান্তই জোতাৰ কাঁইটবোৰ এৰুৱাবলৈ অসমৰ্থ হৈ পৰিল । দেহৰ পৰা চাৰ্টটো সলোকাই ললে। চাৰ্টটো দুয়োহাতেৰে লৈ মূৰৰ তলত গুজি দি বেদান্তই শিলচটাৰ ওপৰত ঢলি পৰিল ।

মাক ভাদুৰী আৰু বেদান্ত। মাকৰ অলিক সপোন। বেদান্তক পঢ়ুৱাব ; এজন ডাঙৰ মানুহ কৰিব। এটি ভাল চাকৰি পাব ; ঘৰলৈ বহুত টকা আহিব আৰু ঘৰলৈ এগৰাকী নতুন বোৱাৰী...। তেতিয়া মাকে এটি নতুন জীৱন পাব। তিনিটি প্ৰাণী সুখেৰে জীৱন যাপন কৰিব পাৰিব। সিহঁতৰো ওচৰলৈ মানুহ আহিব । সিহঁতৰো ওচৰত হাত পাতিব। সিহঁতে মানুহক লেই-চেই নকৰে। কুকুৰৰ দৰে ব্যৱহাৰ নকৰে। ভাদুৰীয়ে কল্পনা কৰে।

শিল চটাত পৰি বেদান্তই টোপনি যাবলৈ চেষ্টা কৰিছে । ইমান ভাৰাক্ৰান্ত, জীৱনৰ প্ৰাণ বায়ু যাওঁ যাওঁ অৱস্থা তথাপিও বেদান্তই চকু দুটা মুজিব পৰা নাই । সি আজি ক'ত আছে ?? সি আৰু কিমান দিন পুলিচ মেলিটাৰীৰ ভয়ত পলাই ফুৰিব । সি পুনৰ গাওঁলৈ উভটি যাব ।তাৰ মাকলৈ মনত পৰিছে ;মনত পৰিছে জোনালীলৈ। মাকৰ অসুখ হলে জোনালীয়ে আহি ভাতখিনি ৰান্ধি দিয়াৰ পৰা শুশ্ৰূষা কৰালৈকে সকলোখিনি কৰি দিয়ে। তাইক সি পাহৰিব নোৱাৰে। বেদান্ত বোপা ; মই আহিলো । ভাতখিনি ৰান্ধি থৈছো । খাই লৈ পঢ়িবলৈ যাবি। মাকৰ কথাবোৰ মনত পৰি তাৰ বুকুখন ভাগি পৰিছে । দুখৰ শলিতা গছি জ্বলাই মাকে তাক পৰৰ গালি-গালাজ খাই দু-ঘৰত খুজি মাগি আনি তাক খুৱাইছিল। মেট্ৰিকৰ দেওনাখন পাৰ হবলৈ সি সমৰ্থ হৈছিল। সিহঁতক সহায় কৰিব পৰা মানুহো আছিল। কিন্তু সিহঁত যে দুখীয়া .... ।।এদিন তাৰ খুড়াকহঁতেও- মাকক বেয়াকৈ কোৱা কথাষাৰ মনত পৰিছে ।

-"নাই নাই আমি দিব নোৱাৰো। টকা আৰু গছত লগা বস্তু নে ? চলি পঢ়ুৱাব নেলাগে যা। ডাঙৰ মানুহ হৈ কাক বৰ পিড়ালিখনত বহুৱাবি।" মাকে দু-চকুৰ অশ্ৰু মচি তাক জনাই দিছিল। কিন্তু সেই পইচা জোনালীয়ে দেউতাকৰ পৰা চুৰ কৰি আনি দিছিল। জোনালী অথচ সিহঁতৰ আত্মীয় নাছিল। দৈনিক কাকত খন আজি সি চাৰিদিন আগতে পঢ়িছে। শেষ পৃষ্ঠাত লিখিছে ........ আদিত্য গ্ৰেপ্তাৰ। আদিত্য এজন বেদান্তৰ খুড়াক। স্বাস্থ্য বিভাগৰ এগৰাকী উচ্চ বিষয়া। ঔষধ ভেজাল কৰি টকা আত্মসাৎ কৰাৰ বাবে তেওঁক গ্ৰেপ্তাৰ কৰিছে। বাতৰিটো শুনি বেদান্তই সুখী হোৱা যেন পালেও অন্তৰে সুখী হোৱা বুলি নকয়। খুড়াকে 'বেদান্তহঁতক কি কৰা নাছিল। বেদান্ত পানী কেচুৱা থাকোতে দেউতাকে মৃত্যু বৰণ কৰিছিল। তেওঁ এজন খেতিয়ক আছিল।

কিছু বছৰৰ বাবে বেদান্তক চকু-কান দি ডাঙৰ দীঘল কৰাত সহায় কৰিছিল। কিন্তু বেদান্তৰ বুদ্ধি বৃত্তিৰ তীক্ষ্ণত্ব দেখা পাই খুড়াক আদিত্যৰ চকুৰ পোৰণি উঠিল। ঘৰখনত কাজিয়াৰ সূত্ৰপাত কৰিবলৈ ধৰিলে। মাক ভাদুৰীক এলাগী, বেমাৰী বুলি ঘিণ চকুৰে চাবলৈ ধৰিলে। সিহঁতৰ কু-ব্যৱহাৰ, নিৰৰ্থক গালি গালাজৰ বাবে এদিন সিহঁতে সিহঁতৰ পৰা ফালৰি কাটি আহিল।

আজি তাৰ আহিবৰ দহ বছৰ হ'ল। এই দহ বছৰে ঘৰৰ খবৰ একো পোৱা নাই। মাক ভাদুৰিৰ বা কি অৱস্থা হৈছে। জোনালীয়ে বা কি কৰিছে? তাৰ বাবে তাই জানো বাট চাব ? নাই নাই জোনালী নিশ্চয় এতিয়া আৰু তাৰ বাবে অপেক্ষা কৰি থকা নাই। তাই নিশ্চয় কাৰোবালৈ গুছি গৈছে। প্ৰথম চাৰিবছৰ মানলৈ সি খবৰ পাইছিল। সংগঠনৰ ফালৰ পৰাও তাক সহায় কৰিছিল। এইবোৰৰ কাৰণে পত্ৰ বাহক অজয়ে ঘৰৰ পৰা খবৰ পাতি আনিছিল। অজয়ৰ মুখত কথাবোৰ শুনি জোনালী আৰু ভাদুৰীৰ মুখলৈ জীউ আহিছিল। কাকুতি-মিনতি কৰি তাক ঘৰলৈ মাতি পঠিয়াইছিল। মাক ভাদুৰীয়ে অজয়ক নিজৰ পুত্ৰ বেদান্ত বুলি বুকুতে সাৱতি ধৰি ৰাখিছিল। অজয়ে বুকুৰ মাজৰ পৰা ওলাই আহিব পৰা নাছিল। অজয়ে ভাদুৰীক, জোনালীক বহুতো শান্তনা দিছিল। মা , জোনালী তোমালোকে দুখ নকৰিবা। সি এদিন আহিবই। আমি দেশৰ বাবে গৈছো। সমাজৰ এক চামে আজি দেশখন সিহঁতৰ হাতৰ মুঠিত ৰাখিছে। ক্ষমতাৰ বাঘজৰীডালেৰে নিষ্প্ৰাণ, নিছলা দৰিদ্ৰবোৰক বান্ধি ৰাখি সিহঁতৰ কলিজাৰ ৰঙা তেজবোৰ খাব ধৰিছে। তাৰ বাবেই আমাৰ মুক্তিপণ ! আমি কৰ্ত্তব্য ক্ষেত্ৰত নামি পৰিছোঁ। আমাৰ মুক্তি অনিবাৰ্য্য। অশিক্ষিতা ভাদুৰীয়ে অজয়ৰ কথাবোৰ নিথৰ লাগি শুনিছেহে মাথোন। ওচৰৰ ঘৰৰ ল'ৰাবোৰ দেখিলে ভাদুৰীৰ হৃদয়খন কঁপি উঠে। কলৈ গ'ল মোৰ পুত্ৰ বেদান্ত? বাউলি হৈ পৰে কথাবোৰ ভাবি ভাবি। সি নিশ্চয় এদিন ঘৰলৈ আহিবই। জোনালী ? জোনালীও অজয়ক অন্তৰৰ কথা কৈছিল। তাৰ বাবে তাই বাট চাব। ওচৰা-ওচৰি এঘৰ সম্ভ্ৰম পৰিয়ালৰ ঘৰৰ ছোৱালী জোনালী। পাঠশালাৰ পৰাই একেলগে পঢ়া-শুনা কৰি দুয়োজনাৰ মাজত ইজনে সিজনৰ মাজত মৰম ভাব বিনিময় কৰিছিল। দেউতাহঁতে জোনালীক বহুতো বাধা কৰিছে। কিন্তু জোনালীয়ে সিহঁতৰ ঘৰ নেৰে। দিনটোত এবাৰ হলেও এটি পাক মাৰিবই। মাক- ভাদুৰীৰ এবাৰ হলেও খবৰ লবই। ভাদুৰী অসুখী তিৰোতা। স্বামী থাকোতেই ভাদুৰীৰ এবাৰ পেট অপাৰেচন হৈছিল। বেদান্তৰ জন্মৰ পিচতেই ভাদুৰী পেটৰ বিষত ৰব নোৱাৰা অৱস্থা হৈছিল। সেয়ে স্বামীয়ে বহুত কষ্ট স্বীকাৰ কৰি মেডিকেলত ভৰ্ত্তি কৰাই পেটৰ বিষ নিৰাময়ৰ বাবে পেট অপাৰেচন কৰে। সাময়িক ভাৱে নিৰাপদ হলেও এসাজ খাই দুসাজ লঘোনে দিনৰ দিনটো বাটকুৰি দুৱাৰে দুৱাৰে ঘুৰি দেহটো কিমান নিৰাপদে ৰাখিব। মাজে মাজে অস্থিৰ হৈ পৰে। ভাগৰুৱা হৈ পৰে। এতিয়া আকৌ পুত্ৰৰ জলন্ত জ্বালা । কিন্তু ...... সেই অজয় , সেই পত্ৰবাহক আজি আৰু নাই ........ । সি গুছি যাবৰতো আজি চাৰিটি বছৰ পাৰ হৈ গৈছে। এদিন পুলিচৰ একে সাতচল্লিছৰ গুলিৰ আগত তাৰ দেহটো ছিন্ন-বিছিন্ন হৈ গৈছে। আমি তাৰ দেহটো আমাৰ কোলনীত এক শোকাপ্ত পৰিৱেশত দাহন কৰিছিলো । তেতিয়াৰ পৰা মোৰ আৰু পত্ৰবাহক নাই। মাজে মাজে কেতিয়াবা পত্ৰ-কাকতত মাথো পাওঁ বেদান্ত ওৰফে মুনমুনৰ মাক ভাদুৰীৰ ওপৰত মিলিটাৰীৰ অত্যাচাৰ। বেদান্তৰ ঘৰ ঘেৰাও। পুত্ৰক নেপাই মাতৃ অসুখী ভাদুৰীক শাস্তি-জেৰা । ইয়াৰ বাবে কান্দোতা কোনো নাই। সিহঁত গুছি যোৱাৰ পিছত জোনোলী আহে। জোনালী আকৌ কাবৌ-কাকুতি কৰি ভাদুৰীক ভাত খাবলৈ বাধ্য কৰায়।

শীত তাপৰ পৰা ৰক্ষা কৰা আশ্ৰয়ৰ স্থল , যি জনৰ কোলাত জনমি ভূমিষ্ঠ হোৱা সেই ভগা পজাটিটোলৈও বেদান্তৰ আজি মনত পৰিছে। ঘৰৰ পৰা গুছি অহাৰ সময়তে চালৰ পৰা একোছা খেৰ বতাহে উৰুৱাই নিছিল। কেতিয়াবা নিশা দুই এটোপাল বৰষুণ পৰিছিল। মাকে কাপোৰ বোৰ সামৰি তাক বুকুৰ মাজত ৰাখি গোটেই ৰাতিটো উজাগৰে পাৰ কৰিছিল। এতিয়াও ঘৰটো আগৰ দৰে আছেনে? নাই ............ নাই । সি বিশ্বাস নকৰে। সি থাকোতেই কোনোৱে সহায় কৰা নাছিল। এতিয়া আৰু নাই। সি আজি যাবই। তাৰ বুকুৰে নেমানে। সি আজি হাই কমাণ্ডেণ্টলৈ চিঠি লিখিব। কমেও তাক দহ দিনৰ চুটি লাগে। দহ দিন দিব নোৱাৰিলে দুই দিনৰ দিয়ক। যেনেকৈয়ে নহওঁক সি আত্মগোপন কৰি হলেও মাক আৰু জোনালীৰ এটি খবৰ কৰিব । তাৰ ওপৰত ওয়াৰেন্ট জাৰি কৰা আছে। কিন্তু ঘৰত যদি আকৌ পুলিচ........... । নাই ...... নাই। সি যাবই............ তাক ছুটি লাগে। সি যেন চিঞৰি চিঞৰি ক'ব । মোৰ মা ক'ত? তহঁত মানুহৰূপী একোজন বিভিষিকা। মোৰ মাক তিল তিল কৈ শাস্তি দিব ধৰিছ। কথাবোৰ ভাবি বেদান্ত বেছি ক্লান্ত হৈ পৰিল। চাওতে চাওতে বেদান্তৰ চকু দুটাক টোপনিৰ মায়া জাল খনে আৱৰি ধৰিলে।

যন্ত্ৰৰ পিষ্টন উঠা নমা কৰাৰ দৰে বেদান্তৰ বুকুখন আৰু পেটটো বেছিকৈ উঠা নমা কৰিব ধৰিছে। বেদান্ত অৱশ, চকুত টোপনিৰ মায়াজাল, যেন মৃত্যুৰ ক্ষণবোৰে এন্ধাৰৰ মাজে মাজে আহি বেদান্তক নিবলৈ আহিছে। ন-খোৱাকৈ আৰু কিমান দিন থাকিব। দুয়ো হাতেৰে লৈ ইন্ধন হিচাপে কেৱল পানীকে খাইছে। চকুৰ পচাৰতে সময়বোৰ পাৰ হৈ সূৰ্য্যই পশ্চিম আকাশত খুন্দা মাৰিছে। তাৰ প্ৰতিবিম্ব পথিলী নিজৰাত প্ৰতিফলিত হৈছে। হেঙুলি আভাৰ দুই এডাল ৰেখা বেদান্তৰ চকুলৈ মাৰি পঠিয়াইছিল। বেদান্তই সাৰ পালে । হাত দুখন চকুৰ ওপৰতে আছিল। গুচাবলৈ চেষ্টা কৰিছে পৰা নাই । উঠিবলৈ চেষ্টা কৰিছে দেহৰ শক্তি নাই। উহ্ কোনোবা এজন সঙ্গী থাকিলে............. । ভোকৰ তাড়নাত শক্তি হেৰাই যোৱাত সি এজন সঙ্গী বিচাৰিছে। কিন্তু ............নাই নাই..........। সি উঠিবই। মৃত্যু নোহোৱা লৈকে সি সন্‌মুখৰ প্ৰত্যাহ্বানৰ লগত যুদ্ধ কৰি যাব । শিলচটা এঢলীয়া হোৱাৰ বাবে অলপ কষ্ট কৰাৰ পিচতে বেদান্ত উঠি বহি ললে। কেইজোলক মান পানী মুখত দিয়াৰ বাবে বেদান্ত নিজৰাৰ পিনে আগবাঢ়িল। বাঘ শৃগালে পানী খোৱাৰ দৰে বেদান্তইও চপ-চপকৈ দুয়ো হাতেৰে কিছু পানী খাই ললে। পমিলী নিজৰাৰ উজনী মুখলৈ বেদান্তৰ চকু গ'ল । কিবা যেন কাগজৰ টোপোলা নিজৰাৰ সোঁতত উটি আহিব ধৰিছে। কিনো বা সেইবোৰ ... ? কাৰখানাৰ কাগজৰ টুকুৰাবোৰ ..... ।

চকুৰ দৃষ্টি বেকা নকৰাকৈ চাই থাকোতে নিজৰাৰ সোঁতৰ তীব্ৰ গতিত টোপোলা আহি বেদান্তৰ ওচৰ পালেহি। কৌতূহলক সামৰিব নোৱাৰি বেদান্তই টোপোলাটো পানীৰ পৰা তুলি আনিলে। টোপোলাটো সি খুলি চালে। তাৰ মুখত হাঁহি বিৰিঙিছিল। ছয়টা ব্ৰেড আছে। বেদান্তৰ আৰু বুজিবৰ বাকী নেথাকিল যে সহপাঠি সকলৰেই সেইটো কাম । সি পুনৰ শিল চটাত বহি ললে। তাৰ ক্ষুধাক শান্তনা দিয়াৰ বাবে ব্ৰেডবোৰ খাবলৈ ধৰিলে। তিনিটা ব্ৰেড খাই তিনিটা বান্ধি ললে। ক্ষন্তেকৰ বাবে বিশ্ৰাম লৈ সি অনুভৱ কৰিলে যে ইন্ধন পাই যন্ত্ৰবোৰে কাম কৰিব ধৰিছে। তাৰ হেৰাই যোৱা শক্তি সি ঘূৰাই পালে। আকৌ তাৰ নতুন উদ্যম নতুন সাহস। ইয়াৰ পৰা প্ৰায় পঞ্চাছ কিলোমিটাৰ মান আতৰত তাৰ ঘৰ। নিশাটো গৈ থাকিলে সি ঘৰ পাব । ঘৰলৈ যোৱাৰ এক দুৰ্বাৰ হেপাহত তাৰ মনটো এক অনাবিল আনন্দত নাচি উঠিল। সি আজি পলাই হলেও যাব । প্ৰয়োজন হলে কামাণ্ডেণ্টৰ ওচৰত শাস্তি খাব । সি মাক আৰু জোনালীক এবাৰ হলেও দেখা

কৰিবই। যদি পুলিচ ...... । আকৌ থমকি উঠে তাৰ মনটো। ছবাৰলৈ তাৰ সংগঠনৰ ফালৰ পৰা জেইলৰ পৰা কৌশল কৰি মোকলাই আনিছে। এইবাৰ যদি আকৌ ......... ।। নাই নাই সি আজি যাবই। সি আজি দৃঢ় সংকল্প। ইতিমধ্যে অস্তগামী ৰবিৰ পিচত এন্ধাৰবোৰ ঘন হৈ আহিছিল। সি এতিয়া দৌৰিব পাৰিব । তাৰ হেৰাই যোৱা শক্তিবোৰ পুনৰ আহিছে । সি কান্দি কান্দি দৌৰিব। চিঞৰি চিঞৰি মাতিব। মা ........মা.... ।। মই গৈ আছো ॥ সি দৌৰিছে ........ ।। এবাৰ পিচলৈ ঘূৰি চাই আৰু আগলৈ দৌৰে। পিচফালৰ পৰা যেন এটি হুইচেলৰ উকি.......... ।। সি থমকি ৰইছে। কোনোবাই চিঞৰিছে ........ ।। বেদান্ত ........... ।।বেদান্ত ....... ।। আমি জিতু, চানু ... ।। তুমি ৰোৱা ... ॥ তোমাৰ বাবে ছুটী মঞ্জুৰ কৰি আনিছো। হাইকমাণ্ডে দহ দিন ছুটী তোমাৰ বাবে মঞ্জুৰ কৰিছে। সি সিদ্ধান্ত কৰিলে সি নৰয় ...... ।। কোনোবা নক্সালপন্থীৰো এইটো হব পাৰে। তাৰ পিচে পিচে বহুতো শত্ৰু লাগি আছে। সি দৌৰিছে............ দৌৰিছে মাথোন আগলৈ.......।।

সন্মুখৰ হাবি জঙ্গলবোৰত কেতিয়াবা সি উজুটি খাই পৰিছে। আকৌ উঠি কেইখোজমান ধীৰ গতিত আগবাঢ়িছে । নহ'ব........নহ'ব ....... ॥ নিশাৰ পৰত দূৰণিত নিশাচৰ হোৱা হোৱা সংকেতৰ ধ্বনি ভাহি আহিব ধৰিছে। সি সূৰ্যোদয় হোৱাৰ আগতেই গাওঁ খনত উপস্থিত হব লাগিব। কথাবোৰ ভাবি সি আকৌ দৌৰিছে.... , দৌৰিছে মাথোন আগলৈ। কিন্তু ...... কি....... ।। তাৰ যেন আকৌ শক্তি হেৰাই যাবলৈ উপক্ৰম হৈছে। পুনৰ সি এন্ধাৰৰ মাজতে ক্ষন্তেক বিশ্ৰামৰ অনুভৱ কৰিছে। সি বহি পৰিল। কলিজাখন খৰ গতিত উঠা নমা কৰিব ধৰিলে । টোপোলাটোৰ পৰা ব্ৰেড এটা উলিয়াই তাক খাবলৈ ধৰিলে। দুটা ব্ৰেড সি এইবাৰ পমিলী নিজৰাত টোপোলাটোৰ সৈতে উটুৱাই দিলে । বেদান্তই অনুমান কৰিছে, এইখিনিৰ পৰা আৰু গাওঁখন পাবলৈ দহ কিলোমিটাৰ মান বাট আছে। ব্ৰেডটো খাই লোৱাৰ পিচত এই দহ কিলোমিটাৰ বাট সি নিঃসন্দেহে সূৰ্যোদয় আগমনৰ আগতে গাওঁখনত উপস্থিত হব পাৰিব। পুনৰ সি যাত্ৰা কৰিছে। পিচলৈ, এইবাৰ সি ফিৰি চোৱা নাই । তাৰ বাবে এইবাৰ সময় যেন নাই। প্ৰায় বিশ মিনিটমান যোৱাৰ অন্ততঃ সি তাৰ বহুদিনীয়া হেৰাই যোৱা গাওঁখনৰ এটি মূৰত উপস্থিত হ'ল। আনফালে পূৱ দিশত ৰবিয়ে দিগন্ত ভেদ কৰি পৃথিৱীখনলৈ সহানুভূতি আৰু মৰম দিবলৈ প্ৰস্তুত হবলৈ ধৰিছে........ ।।

বেদান্তই ক্ষন্তেকৰ বাবে থমকি ৰৈছে । চিন্তা কৰিছে । বুকুখন হমহমাবলৈ ধৰিছে। কোনো দিনে পুলিচ, বাৰুদৰ ভয় নকৰা ল'ৰা জনে আজি গাওঁখনলৈ আহি আত্মীয়, কুটুম্ব, মাক, জোনালীক দেখা কৰিবলৈ ভয় কৰিছে। সিহঁত বা ক'ত আছে .........।। কেনে.. । আহক ভয়বোৰ ....।। সি ক্ষমা বিচাৰিব মাকৰ ওচৰত । জোনালীৰ ওচৰত । সি আগ বাঢ়িছে......... বাঢ়িছে ....... ।। পদূলী মুখ পোৱাৰ লগে লগে তাৰ হৃদয়খন কঁপি উঠিছে । সি বি-বুদ্ধি হৈ পৰিল ....... ।। তাৰ.... মানে॥ ঘৰৰ পজাটো ভাঙি মাটিত পৰি আছে। মাক ....... ।। ইয়াতো ধুমুহা আহিছিল নেকি....... ।। তাৰ অন্তৰখন কান্দি উঠিল। সি তাত ৰৈ নেথাকিল। দৌৰ দিলে জোনালীৰ ঘৰলৈ। জোনালী........জোনালী............. ॥ সি চিঞৰি চিঞৰি জোনালীৰ ঘৰ পালে । জোনালীৰ দেউতাক ওলাই আহি বেদান্তক চিনিব পাৰি সাৱতি ধৰি ক'লে........ তোমাৰ মা....... না..........ই....... ॥ যোৱা পৰহিৰ নিশা ধুমুহাৰ গঁৰাহত ভগা পজাটি ভাগি পৰি তাতেই মাৰাৰ মৃত্যু হৈছে ...... । এতিয়া যোৱা তালৈ ..........।। মইয়ো গৈ

আছো চিতালৈ ........ ।. জোনালী পাগলী হৈছে । তাইক উদ্ধাৰ কৰা । তাইয়ে মুখাগ্নি কৰিব। সঁচা ...... ।। বেদান্তৰ কান্দোনৰ ৰোলৰ মাজতে শব্দটো ওলাই সি আগলৈ দৌৰ দিলে। জোনালী .......... জোনালী ...... ॥ চিতাত জুই নেদিবা....ৰবা.........ৰবা.....।। মই আহিছো ......ৰবা .....॥

চিতাখন বেদান্তহঁতৰ বাৰীৰ পিচকালে সাঁজি আছিল। মানুহৰ বৃহৎ জুম। প্ৰতিজনৰে হৃদয়ত শোকৰ ছাঁ পৰিছে। ৰাইজে এতিয়া বেদান্তক বিশ্বাস কৰিছে। তাক বিচাৰিবলৈ মানুহ পঠিয়াইছে। বেদান্তৰ দৰে এজন সৎ, নিকা উঠি অহা যুৱক এতিয়া তেওঁলোকৰ বাবে পথ-পদৰ্শক। ৰাইজে বুজি পাইছে। দেশখন যে অধঃপতনৰ ফালে আগুৱাই যাবলৈ ধৰিছে। দেশৰ দুৰ্নীতি গৃহ-কন্দল আদি বাস্তৱ অভিসন্ধিবোৰে যে সমাজখনত গা কৰি উঠিছে কাৰ বাবে - ?? এতিয়া প্ৰতিজন ব্যক্তিৰে মনত সেই একেটা প্ৰশ্ন...।। সেইবোৰ মষিমূৰ কৰিবৰ বাবেইতো বেদান্তই সংগ্ৰামত নামি পৰিছে। তাৰ স্বাধীন চেতীয়া মনোভাবেৰে দেশখনত এক আত্মনিয়ন্ত্ৰণৰ বীজ জনগণৰ মাজত সিঁচিবলৈ যাওঁতেতো বেদন্তৰ দোষ। সেইখিনি কৰিবলৈ যাওঁতে সি আজি ভাই- বন্ধু, মা-ভনী ত্যাগ কৰিব লগীয়া হৈছে, আৰু পুলিচৰ ভয়ত পলাই ফুৰিব লগাত পৰিছে। চকুৰ টোপনি, পেটৰ ভোক, এখন শৰ্য্যা আদি ত্যাগ কৰিয়েতো সি নামি পৰিছে লক্ষ্যস্থানত। কাৰ... বাবে ?? দেশৰ বাবে...।। মুক্তিৰ বাবে... ।। সেয়ে তাৰ বাবে আজি ৰাইজ উঠি পৰি লাগিছে। মাকৰ কৰুণ মৃত্যুৰ জোকাৰণিয়ে প্ৰতিজন ৰাইজৰ কলিজা কম্পিত, শংঙ্কিত কৰি তুলিছে। সেয়ে ৰাইজেও বেদান্তৰ পিচে পিচে সংগ্ৰাম কৰি যাব।

বেদান্তই চিঞৰি চিতাৰ কাষ পালে। মানুহবোৰে বেদান্তৰ পিনে নিথৰ হৈ চাই আছে। জোনালীয়ে হাতত জুইৰ জোৰ লৈ সাজু হৈছে। বেদান্ত দা..., বেদান্ত .....দা বুলি চিঞৰি জোনালীয়ে হাতত জোৰ কুৰা লৈয়ে বেদান্তক সাবতি ধৰি কান্দি -কলে বেদান্ত দা আপুনি কেনেকৈ আহিলে?? আপোনাক বিচাৰি আনিবলৈ মানুহ পঠিয়াইছো। লওঁক মাৰ মুখাগ্নিৰ জোৰ কুৰা। যি জন মাতৃতে বুকুৰ তেজ ক'লা কৰি পুত্ৰক ডাঙৰ দীঘল কৰি দেশ মাতৃৰ বাবে পঠিয়াই ধুমুহাৰ কঁৰাল গ্ৰাহত, নিজে মৃত্যু বৰণ কৰিলে, পুত্ৰৰ মুখ চাবলৈ বাটে পথে বাউলি হৈ মানুহৰ, সমাজৰ লাঞ্চনা, তিৰস্কাৰ, শিৰধাৰ্য্য  কৰি মৃত্যুক আকোৱালী ললে সেই জন মাতৃ হতভাগী ভাদুৰীৰ মুখ চোৱা, বেদান্ত দা ......... চোৱা । জোনালীয়ে বেদান্তৰ হাতত জোৰ কুৰা তুলি দি তেনেদৰে কলে। বেদান্তই এক শোকত বিহ্বলা হৈ দু চকুৰ অশ্ৰু বগৰাই চিতাৰ কাষলৈ আগবাঢ়ি মাক ভাদুৰীৰ মুখখন চাই চিতাতে হিয়া ধাকুৰি কান্দিব ধৰিলে। মা.....মোক ক্ষমা কৰা ॥ তোমাক মই বহুত কষ্ট দিলো। যাৰ বাবে মই তোমাৰ ঋণ পৰিশোধ কৰিব নোৱাৰিম। জোনালী তোমাৰো মই ঋণ পৰিশোধ কৰিব নোৱাৰিম। তুমিও মোক ক্ষমা কৰা। তোমাৰ নিঃস্বাৰ্থ ত্যাগৰ বাবে তোমাৰ আত্ম ত্যাগৰ বাবে তোমাৰ কপালত মই সেন্দুৰীয়া ফোটটিহে আঁকি দিম।

জোনালীও কান্দি কাতি বেদান্তক চিতা জ্বলোৱাত সহায় কৰিব ধৰিলে। লগে লগে চাৰিও ফালৰ পৰা জুই দপ দপকৈ জ্বলি উঠিল। ক্ষুধাৰ্ত্ত লেলিহান জুই কুৰাই নিমিষতে ভাদুৰীৰ দেহটো পুৰি ভষ্মীভূত কৰিলে।

ইপিনি চোৰাং চোৰা বিভাগৰ পৰা বেদান্ত যে চিতাগ্নিত উপস্থিত হৈছে বেতাৰ যোগে পুলিচত খবৰ দিয়া হৈছিল। তেনেতে এক ডজন পুলিচ, মিলিটাৰীয়ে চিতাগ্নি ঘেৰাও কৰিলে। বেদান্ত, জোনালীক লৈ, শান্তি সমদল কাৰীয়ে তেওঁলোকৰ বহুদিনীয়া ক্ষোভ ব্যক্ত কৰাৰ বাবে সাজু হৈছিল। পুলিচ দলটোৱে বেদান্তক গ্ৰেপ্তাৰ কৰি লৈ গ'ল। সমদল ৰাইজ থমকি ৰ'ল ......।।

# SHORT TENDER NOTICE

Chief Engineer, P. W. D. (Roads), Assam, Guwahati invites fresh sealed tenders with a validity period of 180 days from the date of receipt in prescribed forms subsequently to be drawn up in printed 'F-2' Form affixing non refundable Court Fee Stamp of Rs. 8.25 (Rupees eight and paise twenty five) only from the Assam P. W. D. (Roads) Registered Class-I (A) and I (B) contractors of 1998-99 and will be received in the office of undersigned upto 2.00 P.M of 9-10-98 for the work Re-construction of Culvert No. 167/1 and 171/2 including its approaches under Guwahati N. H. Division (Job No. AA-037-AS-94-420), amounting to approximately Rs. 26,64,800.00 (Rupees Twenty six lakhs sixty four thousand and eight hundred) only in one Group and will be opened immediately thereafter. Detailed particulars may be a scertained in the office of

the undersigned during office hours on any working day. The tender papers will be issued to contractor on production of application upto 4.00 P.M. of -10-98. In case of holiday on the last date of issue/ receiving/opening date of tender papers the same will be issued/received/opened on the next working day at the same place and time.

**Chief Engineer, P. W. D. (Roands),**

**Assam, Chandmari , Guwahati -3.**

**Janasanyog/2725/98**

# NOTICE INVITING

# QUOTATIONS

Sealed quotations in plain paper are invited affixing court fee stamp of Rs. 8.25 (Rupees eight and paise twenty five) only from Govt. registered firms of soil & foundation consultancy for test boring, field soil investigation and laboratory analysis of sub soil collected at the site of proposed office building of Directorate of Panchayat & Rural Development Assam at Panjabari (Juripar). The quotations will be received by the Director, Panchayat & Rural Development upto 3 PM on 16.10.98 and will be opened on same date and time.

Name of work:- Detailed soil investigation of sub-soil at proposed site for construction of office building of Director, Panchayat & Rural Develop ment Assam at Panjabari (Juripar).

Time of completion (including submission of report) :-15 (fifteen) days from the date of issue of formal wrok order.

Income tax and sales tax clearance certificate should be attached with the quotation.

Copy of valid registration certificate will also be submitted alongwith the quotations.

Items of work are enclosed in Annexure 'A'. The rates should be quoted legibly both in figure and words.

The Director, Panchayat & Rural Development Assam reserves the right of rejecting any or all the quotations without assigning an reason thereof.

# Items for soil investigation works

Field test

1. Sotting up of camp including boring equipment at each location including mobilisation to site and arrangement at all required materials and equipment of all machinaries, drilling equipment etc. complate.

Rate lump sum -Rs .

2. Boring through the soil in clay sand, gravel or any other kind of soil, excluding hard rock and including ground water level complets as specified in pertaining code .

a) Upto 10M depth below existing original ground level.

Rate per R/M -Rs.

b) Beyound 10M depth below existing original ground level.

Rate per R/M -Rs.

3. To collect of disturbed soil samples packing and soiling back and levelling same as specified and to deliver to approved laboratory for testing.

Rate per No.- Rs.

4. To collect undistubed samples 40mm dia sealing and packing and levelling same as speci. fied in 15.132,195 to deliver to approved laboratory for conducting necessary analysis including transport and handling charges.

Rate per No. -Rs.

5. Determination of standard ponetration registrances at required intervals for evaluation relative density and bearing pressure of soil from shear criteria including computation of results.

Rate per No . -Rs.

Laboratory tests

6. Conducting the following laboratory test as specified in 19.2720.

a) Natural moisture content - Rate per No. - Rs.

b) Specific gravity - Rate per No. -Rs.

c) Bulk densit y & dry density-Rate per No. -Rs.

d) Liquid limit and plastic limit test-rate per No. -Rs.

e) Shear test Rate per No. -Rs.

f) Grain size analysis Rate per No. -Rs.

7. To propare and limit detail report on field investigation and laboratory analysia alongwith laboratory result maps of land showing location of bors holes, soil profile and to submit recommendation of foundation system for building of simple to multistoried buildings (To be submitted in five separate sots).

Rate lump sum -Rs .

**Director, Panchayat & Rural Dev .**

**Assam**

Janasanyog/2652/98

দুৰ্গা পূজাৰ শুভেচ্ছাৰে-

২ টা চেঞ্চেলাৰ  চাৰ্ট কিনিলে
১ টা চেঞ্চেলাৰ চাৰ্ট ফ্ৰী

(১ টা চাৰ্ট কিনিলে ২৫% ৰেহাই) পুৰুষঃ ১৪৯/-, ১৬৮/-, ১৯১/-, ২১৪/ টকা
ল'ৰাঃ ১২৮/-, ১৪৬/-, ১৬৪/- টকা..

# সম্ৰাট

**কমাৰপট্টী, গুৱাহাটী-৫৪৬৭৭৫**

বিঃদ্ৰঃ- ''**BLACK SEA**'' চাৰ্টত  ১% ৰেহাই পোৱা যাব।

শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছাৰে –

**মেচাৰ্ট চুইট এণ্ড স্নেক্স,**

**গণেশপাৰা, গুৱাহাটী-২৫**

**উৎকৃষ্ট মানৰ বেকাৰীৰ বিস্কুট লগতে জন্ম দিনৰ কেক,**
**আদিৰ অৰ্ডাৰ লোৱা হয়।**

শাৰদীয় দুৰ্গা পূজাৰ ওলগ জনালোঁ।

**চিটি টেইলৰ্চ**

**মানপাৰা, গুৱাহাটী-২৫**

**ইয়াত সকলো ধৰণৰ পুৰুষ**
**মহিলাৰ আধুনিক ডিজাইনৰ**
**কাপোৰ চিলোৱা হয়।**

With best Compliments From:-

WOODEN FURNITURE HOUSE

**Fatashil, Ganeshpara**
**Guwahati-781025**

**শাৰদীয় শুভেচ্ছাৰেঃ-**

# মুন্নি ষ্টৈচনাৰী ষ্টোৰ্চ

ইয়াত ফটো বন্ধোৱা হয়

ধীৰেণপাৰা, গুৱাহাটী-২৫

**দুৰ্গা পূজাৰ শুভেচ্ছাৰেঃ-**

# বসুমতাৰী ফিলিংচেণ্টাৰ

**কালাপাহাৰ, চাইকেল ফেক্টাৰী**

**গুৱাহাটী-৭৮১০১৬**

**Happy Durga Puja:**

## Roop Shree Store

**Tulafactory, Ambari**
**Guwahati-25**
***All Kinds of Ladies Mekhela Chadar, Sari, Etc available here***

শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছাৰেঃ-

# জ্যোৎস্না ক্লথ ষ্টোচ

**প্ৰোঃ দিলুৰাম বড়ো**
**গণেশপাৰা, গুৱাহাটী ২৫**
**ইয়াত সকলো ধৰণৰ ৰেডিমেড ল'ৰা/ছোৱালীৰ**
**কাপোৰ, মেখেলা চাদৰ, শাৰী আদি পোৱা যায়।**

**JUST DO IT**

NIKE
THE WORLD'S 1
SPORTS & FITNESS COMPANY
IS HERE

DENIM CITY

**BEACH FASHION**

1st Floor Kamarpatty, GHY-1

RONGILI BARTA
Postal Regd. No. L.I/NEGH./752 GUWAHATI-25.
26-9 October 1998 Rs. 10·00

আকৌ আহিল শৰত।

শুকুলা ডাৱৰ ওলমি ফুৰা সুনীল আকাশ, কঁহুৱা ফুলৰ সুৰভিৰে জাতিস্কাৰ বিস্তীৰ্ণ প্ৰান্তৰ, নিৰ্মল জলধাৰ প্ৰৱহমান নদী-উপনদী সকলোৱে যেন আজি সমস্বৰে গাইছে—

শান্তিৰ গান, প্ৰগতিৰ গান
মানৱতাৰ জয়যাত্ৰাৰ জয়গান।

আকাশে বতাহে দিশে দিশে মুখৰিত শাৰদীয় মহোৎসৱৰ কল্যাণকামী মন্ত্ৰধ্বনি।

আহক, আজি এই উছৱৰ বতৰতে সুনীল আকাশৰ দৰে বিশাল, নদীৰ পানীৰ দৰে নিৰ্মল, কঁহুৱা ফুলৰ দৰে কোমল একোখন হৃদয়ৰ অধিকাৰী হৈ মানুহৰ প্ৰগতিৰ জয়যাত্ৰাত অংশ গ্ৰহণ কৰিবলৈ নিজকে প্ৰস্তুত কৰি তোলো।

জনসংযোগ : অসম

Jnsonyog/674/98

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীমহেশ চন্দ্ৰ মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মালপাৰা গুৱাহাটী ২৫, মেধি আৰ্টপ্ৰেছত মুদ্ৰিত
সম্পাদক : মহেশ চন্দ্ৰ মেধি ফোন—৫১১৯১৭

# RONGILI BARTA

**AN ASSAMESE WEEKLY NEWSPAPER**

**PUBLISHED FROM GUWAHATI 781025**

**Visit – [www.rongilibarta.com](http://www.rongilibarta.com)**

**For 24*7 updates**

**Thank you**